মে 2004 Rs. 10 /-

চান্দমামা

NOW AVAILABLE AT ALL LEADING STORES

TRAPPED

GAMES AND ACTIVITY CD-ROM



PROF. PURENOTHIN, THE RENOWNED INDOLOGIST, IS TRAPPED INSIDE THE MOUND OF MURUKKI. YOU JOIN DETECTIVE MANDOO TO SEARCH FOR THE PROFESSOR AND SAVE HIM. THE ONLY WAY TO THE MOUND OF MURUKKI IS REVEALED TO YOU. ONLY WHEN YOU CAN GET HOLD OF FOUR KEYS HIDDEN ALONG YOUR ROUTE. AND YOU HAVE TO SEARCH FOR THEM THROUGH A DOZEN DIFFERENT GAMES AND ACTIVITIES. GO FOR CLUES AND KEYS!

MIND YOU, YOU HAVE ONLY 60 MINUTES TO REACH THE PROFESSOR! GET THERE FAST, BUT BEWARE OF YOURSELF BEING TRAPPED!

Hey, but this one is a whole lot of fun! You have a different set of games and activities, every time you begin your search.

A quality product from **Chandamama**

For more details, please contact :
Chandamama India Limited,
82, Defence Officers' Colony,
Ekkatuthangal, Chennai - 600 097.
www.chandamama.org

RS. 199/- ONLY

ENTER

nutrine

& CHANDAMAMA

OLYMPIC QUIZ CONTEST

AND WIN ATTRACTIVE PRIZES!

BUMPER PRIZE

Acer Computer

1st PRIZE

3 Cameras

2nd PRIZE

10 calculators

Beginning from May, your favourite monthly magazine Chandamama in English and all its language editions will carry Nutrine - Chandamama contests for 6 months. All you have to do is to choose the right answers, ***fill in the entry form and mail this page, along with 5 wrappers of 'Nutrine Chocolate Eclairs'****, before the closing date, to* ***Nutrine Chandamama Contest, Chandamama India Limited, 82, Defence Officers's Colony, Ekkatuthangal, Chennai - 600 097.***

It is an all India contest. Every month there will be different questions. There are fabulous prizes to be won. Watch out every month and participate. There will be 3 Konica cameras, 10 Calculators, and 50 Nutrine sweet hampers as first, second and third prizes respectively every month. At the end of the 5 monthly contests, the 6th contest offers a Bumper Draw and the winner will get a Personal Computer, in addition to the regular prizes. Participation in all the 6 months only will entitle the entries for the Bumper Draw. Results of the Bumper draw will be announced in December by post.

NUTRINE CHANDAMAMA OLYMPIC QUIZ CONTEST

Study the questions carefully and tick [v] the correct answer in the blanks provided for each question.

1. The Olympic Games was revived after a gap of more than 2,200 years. Where was it held?
   London [ ] Paris [ ] Athens [ ]
2. Which country won the most medals in the first of the Modern Olympic Games?
   England [ ] Greece [ ] USA [ ]
3. In which Olympic Games was the Olympic Flame reintroduced?
   Amsterdam [ ] Berlin [ ] Moscow [ ]
4. Which Olympic Games had the maximum number of participating nations?
   Sydney [ ] Atlanta [ ] Seoul [ ]
5. You will find, in the advertisement of Nutrine appearing in this issue, some children enjoying a tasty nutrine chocolate. How many times does the leter 'R' appears in that advertisement?
   3 [ ] 6 [ ] 8 [ ] 9 [ ]

DID YOU KNOW?

OLYMPIA, in Greece, was believed to be the abode of the Greek Gods. Sports festivals were a way of life in Greece as far back as 1370 B.C. According to Greek mythology, Kranos, a Greek God, and Zeuss, the father of Greek Gods, fought on Mount Olympus for the possession of the Earth. Zeuss won and threw a great sports party to celebrate his victory. This is how Olympic Games began.

Contest Rules :-

● Employees of Nutrine, Chandamama and their relatives are not eligible for the contest ● The selection of the Judges will be at the sole discretion of Nutrine ● Children of Indian Origin below 15 years age group alone are eligible for the contest ● Nutrine reserves their exclusive right to extend or preclose the contest ● Contestants age proof to be supported by date of birth certificate ● Winners will be selected by draw among correct entries ● Winners will be notified individually ● No cash compensation is allowed in place of prize articles ● Warranty of prize articles are subject to the respective manufacturer ● You can send only one entry per month ● You can participate in any or all of the 6 contests ● No correspondence other than entry forms will be accepted ● Your signing the coupon will mean that you agree to the rules and regulations of the contest given on the coupon ● Entries reaching us after the last date mentioned will be disqualified ● If there are no all correct enties in any event, the maximum number of correct answers will be considered and the entries will go into the lot ● All decisions made by the judges will be final.

CLOSING DATE : 31ST MAY 2004

Your Name : ....

Age : .... Class: .... Date of Birth : ....

Home address and PIN code : ....

....

Your signature: ....

India's largest selling sweets and toffees.

nutrine

বীৰ কালীনাথ ১৩

নাগ দেৱতা ১৯

ভাৰতৰ পৌৰাণিক উপাখ্যান ২৬

বিষ্ণু কথা ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ যেতিয়া তেওঁ তৰুণ আছিল...৭ ★ কীৰ্ত্তিকামীৰ অপমান...৮
★ বীৰ কালীনাথ...১৩ ★ নাগ দেৱতা (ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী)...১৯ ★ বিচিত্ৰ ভাৰত...২৫
★ ভাৰতৰ পৌৰাণিক কাহিনী-২৫...২৬ ★ আচৰিত সংযোগ...২৯ ★নাগালেণ্ডৰ এটা লোককাহিনী ...৩২
★ সংবাদ বিচিত্ৰা...৩৫ ★ জীৱনৰ অৰ্থ...৩৬
★ আগ্ৰহ...৪০ ★ পাঠকৰ বাবে গল্প প্ৰতিযোগিতা...৪১
★ নিগনি নগণ্য নহয়...৪২ ★ বিষ্ণুকথা...৪৫ ★ কঠিন প্ৰশ্ন সহজ উত্তৰ...৫১ ★ বিবিধ সংস্কৃতিৰ কাহিনী...৫৩
★ অমৰ ফল...৫৬ ★ আৰ্য...৫৯ ★ পানী ৰাহি কৰা...৬৩ ★ জানো আহাঁ নানা কথা...৬৪
★ ফটো নামকৰণ প্ৰতিযোগিতা...৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20

Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail :
subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ
বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

For booking space in this magazine please contact:
CHENNAI
Shivaji : Ph : 044-22313637 / 22347399
Fax: 044-22312447, Mobile : 98412-77347
email : advertisements @chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

Gautam Goswami
12-5-2004

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপানি

প্ৰাচুৰ্যৰ মাজতো অভাৱৰ প্ৰহসন

মেই মাহত, দেশত সদায় পানীৰ নাটনি হয় । ভাৰতৰ বহু অংশত মেই মাহ মানেই প্ৰচণ্ড গৰমৰ দিন, কিয়নো সেইবোৰ ঠাইত এপ্ৰিল মাহতেই গৰম আৰম্ভ হয় । দক্ষিণ-পশ্চিম মৌচুমী বায়ুয়ে দেশৰ দক্ষিণ অংশত জুন মাহৰ আগভাগতে বৰষুণ আনে আৰু প্ৰায় জুলাই আৰু আগষ্ট মাহলৈকে একেৰাহে বৰষুণ হৈ থাকে । উত্তৰ-পূৱ অংশতে সাধাৰণতে সৰ্বাধিক বৰষুণ হয় । তাৰ মাজতে কেইখন মান ৰাজ্যত বানপানী হয় । ভাৰতত সাধাৰণতে প্ৰতি বছৰে গড় হিচাবত দুহেজাৰ মিলিমিটাৰ বৰষুণ হয় । অথচ তথাপিও দেশখনে পানীৰ নাটনিত ভূগিব লগা হয় । কি এক প্ৰহসন !

যিহেতু প্ৰকৃতিয়ে আকাশৰ পৰাই হওক বা মাটিৰ তলৰ পৰাই হওক ইমানখিনি পানীৰ যোগান ধৰে, আমি পানীৰ অভাৱত মৰো কিয় ? এখন তিনিদফীয়া কাৰ্য আচনিয়ে 'জল সংৰক্ষণ' অৰ্থাৎ অপপ্ৰয়োগ আৰু লোকচান ৰোধ কৰাটোও সামৰি লৈছে । তাৰ পিছতে আহিল পানীৰ উৎসবোৰৰ উন্নতি সাধন কৰা । কিয়নো আমাৰ অজ্ঞতা বা আমাৰ ইচ্ছাকৃত অৱহেলাৰ বাবে এই উৎসবোৰৰ পৰাও পৰ্য্যাপ্ত পৰিমাণে পানী নোপোৱা হৈছো । ইয়াৰ ভিতৰতে বৰষুণৰ পানী ধৰি ৰখাটোও অন্তৰ্ভূক্ত কৰা হৈছে । ইয়াৰ বাবে যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে । সেইদৰে নগৰ অঞ্চলত ব্যৱহৃত পানীৰ পুনৰ ব্যৱহাৰৰ ওপৰতো সমানেই গুৰুত্ব দিয়া হৈছে । যেনে ৰান্ধনিঘৰত ব্যৱহাৰ কৰা পানী পুনৰ বাগিচাত ব্যৱহাৰ কৰিব পাৰি । আচনি খনৰ তৃতীয়টো দফা হৈছে জলসম্পদৰ সঠিক ব্যৱস্থাপনা, যিটো আমাৰ জীৱনৰ এটা অংগ হোৱা উচিত । ই পানীৰ পৰ্যাপ্ততা সুনিশ্চিত কৰিব আৰু পানীৰ গুণাগুণ উন্নীত কৰিব । কিয়নো গুণাগুণ নোহোৱাকৈ এটোপা পানীও ব্যৱহাৰৰ উপযোগী নহয় । ইয়াকে কৰিবলৈ আমাক লাগিব এটা আত্ম শৃংখলা আৰু দায়বদ্ধতাৰ মনোভাৱ ।

এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে আজি প্ৰতি টোপাল পানীয়েই মূল্যৱান হৈ উঠিছে । সেয়েহে আজিৰ শ্ল'গান হৈছে, "বেছি হৈ থাকোতেই সঞ্চয়ৰ অভ্যাস কৰা ।"

সম্পাদক বিশ্বম

Visit us at : http://www.chandamama.org

ঘোষণা আমাৰ পঢ়ুৱৈ আৰু শুভাকাংখীসকলৰ জ্ঞাতাৰ্থে

প্ৰিয় বন্ধুসকল,

চান্দমামাৰ মূল্য আমাৰ পঢ়ুৱৈসকলে সহজে বহন কৰিব পৰাকৈ নিৰ্দ্ধাৰণ কৰিবলৈ আমি সদায়ে প্ৰচেষ্টা চলাই আহিছো । ইয়াৰ বাবে বহু সময়ত আমি যথেষ্ট সমস্যাৰো সমুখীন হৈছো ।

যেতিয়া কেৱল এনে সমস্যাৰ মাজতো বিচলিত নোহোৱাকৈ থকাটো আমাৰ পক্ষে অসম্ভৱ হৈ উঠে, তেতিয়াহে আমি আমাৰ পঢ়ুৱৈ আৰু আমাৰ পৃষ্ঠপোষক শুভাকাংখীসকলৰ ওচৰলৈ আমাৰ সমস্যাবোৰ লৈ যাওঁ । তেওঁলোকে আমাক কেতিয়াও বিমুখ কৰা নাই ।

যোৱা কেইবছৰমানৰ ভিতৰত, আলোচনীখনৰ উৎপাদনৰ সৈতে জড়িত ভালেমান সামগ্ৰীৰ মূল্য ক্ৰমাৎ বাঢ়ি আহিছে । আমি ইমানদিনে এই কষ্ট মূৰ পাতি আহিছো । কিন্তু নিউজপ্ৰিন্টৰ হঠাতে হোৱা এটা অভাৱনীয় মূল্য বৃদ্ধিয়ে আমাক আলোচনীখনৰ মূল্য নতুনকৈ ঠিক কৰিবলৈ বাধ্য কৰিলে । সেয়েহে জুলাই ২০০৪ ৰপৰা আমাৰ আলোচনীখনৰ প্ৰতি কপিৰ মূল্য হ'ব ১২ টকা (বাৰ্ষিক বৰঙণি ১৪৪ টকা)।

সন্দেহ নাই, আমাৰ এই অসুবিধাৰ কথা আপোনালোকে বুজি পাব । আমি কথা দিছো যে কাগজৰ মূল্য যদি কমি আহে তেন্তে আমি আলোচনীখনত আৰু অধিক আটকধুনীয়া সংযোজন যটাম ।

ধন্যবাদ আৰু নিভাঁজ মৰম শ্ৰদ্ধাৰে

বি. বিশ্বনাথ ৰেড্ডি
প্ৰকাশক

জোচেফ মেজিনী

ৰাস্তাত ভিখাৰী দেখিলে তুমি বাৰু কি কৰা? নিজৰ জেপৰ পৰা ভঙনীয়া পইচা উলিয়াই সিহঁতৰ জোলোঙাত ভৰাই দিয়া নহয় জানো? কিন্তু ইয়াতকৈ বেছি কিবা কৰিব পাৰানে? সামান্য দয়া বা সহানুভূতি দেখুওৱা নে? বাৰু, এই ছবছৰীয়া ল'ৰাটোৰ এই কাহিনী পঢ়াচোন ; যাৰ এজন ভিখাৰীৰ প্ৰতি প্ৰতিক্ৰিয়া সাধাৰণ মানুহতকৈ বেলেগ আছিল।

এই ল'ৰাজন ইটালীৰ এটা গলিয়েদি নিজৰ মাকৰ লগত ফুৰিবলৈ ওলাই আহিছিল । হঠাতে তেওঁ ৰাস্তাত ধূলিত লেটি লৈ থকা এজন ভিখাৰী দেখা পালে । ল'ৰাজনে প্ৰথমতে কেতিয়াও এনে দৃশ্য দেখা নাছিল । তেওঁ আচৰিত আৰু হতবাক হ'ল । তেওঁ ভিখাৰীজনৰ ওচৰলৈ গ'ল আৰু দুইহাতেৰে তেওঁৰ ডিঙিত ধৰি এই কণমানি ল'ৰাটোৱে কৰুণাভৰা দৃষ্টিৰে ভিখাৰী জনক চাবলৈ ধৰিলে আৰু তেওঁৰ কাণত কোমল মাতেৰে সান্ত্বনাৰ সুৰত কিবা ক'বলৈ ধৰিলে । তাৰ পিছত মাকৰ ওচৰলৈ আহি তেওঁ ভিখাৰী জনক কিবা দিবলৈ প্ৰাৰ্থনা কৰিলে ।

তুমি ছাগে মাক আৰু ভিখাৰীজনৰ প্ৰতিক্ৰিয়া ভালদৰে বুজি পাইছা । তেওঁলোক অবাক হ'ল । ভিখাৰী জনৰ চকু পানীৰে ভৰি পৰিল । তেওঁ ল'ৰাজনৰ মাকক ক'লে, "আপোনাৰ ল'ৰা সাধাৰণ মানুহ নহয় । তেওঁ আমাৰ দেশ আৰু দেশবাসীৰ কাৰণে মহান কাম কৰিব । তেওঁৰ ভালকৈ যত্ন ল'ব !"

ভিখাৰী জনৰ কথা আখৰে-আখৰে সঁচা হ'ল । সেই শিশুটি ডাঙৰ হৈ এজন কৰুণাময় ব্যক্তি হৈ পৰিল । তেওঁ নিজৰ দৰিদ্ৰ দেশবাসীৰ দুখ-দুৰ্দশা দূৰ কৰিবলৈ অশেষ যত্ন কৰিছিল।

তেওঁ এজন দেশপ্ৰেমিক আছিল । তেওঁ প্ৰায়েই কৈছিল যে যদি মোৰ হৃদয় ফালি চোৱা যায় তেন্তে তাত 'ইটালী' শব্দটো দেখা পোৱা যাব । তেওঁ নিজৰ সমগ্ৰ জীৱন নিজৰ দেশৰ সেৱাত সমৰ্পিত কৰিছিল । তেৱেঁই আছিল প্ৰসিদ্ধ ইটালীবাসী জোচেফ মেজিনী ।

কীৰ্ত্তিকামীৰ অপমান

ভাগ্যপুৰীত সত্যৱান নামৰ এজন মহাপণ্ডিত বাস কৰিছিল । চমৎকাৰপূৰ্ণ কথা কোৱাত তেওঁ দক্ষ আছিল । তেওঁৰ এই কৌশলৰ প্ৰশংসা মানুহৰ মুখে মুখে শুনিবলৈ পোৱা গৈছিল । সকলো শাস্ত্ৰতে তেওঁ পটু আছিল, তথাপিও তেওঁ বৰ বিনম্ৰ আছিল । সচাঁ কথা কবলৈ গ'লে কোনোটো বিষয়তে তেওঁৰ সমকক্ষ কোনো নাছিল । গাৱঁৰ মানুহে তেওঁক বৰ সন্মান কৰিছিল ।

কীৰ্ত্তিকামী নামৰ এজন বিদ্বান সেই গাৱঁলৈ নতুনকৈ আহিছিল । তেওঁৰ এটা কথাত গৰ্ব আছিল যে এনে কোনো বিদ্যা নাই যিটো তেওঁ নাজানে । নিজৰ প্ৰশংসা শুনিবলৈ তেওঁ প্ৰয়োজন হ'লে ধন খৰচ কৰিবলৈকো তেওঁ প্ৰস্তুত আছিল ।

চহৰত তেওঁৰ কথা কোনেও শুনি থাকিব নুখুজিছিল। সেয়ে তেওঁ গাৱঁত থাকিবলৈ আহিছিল । তাতেই তেওঁ ঘৰ সাজি ল'লে আৰু এশ একৰ উপযোগী মাটি কিনি ল'লে ।

কীৰ্ত্তিকামীৰ স্বভাৱৰ বিষয়ে কেইজনমান স্বাৰ্থপৰ মানুহে শুনিছিল । এতিয়া সিহঁতে তেওঁৰ ওচৰে-পাজৰে ঘূৰিবলৈ ধৰিলে । প্ৰতি মুহূৰ্ত্ততে তেওঁক ভূৰি-ভূৰি প্ৰশংসা কৰিবলৈ ধৰিবলৈ ধৰিলে । প্ৰশংসাৰে কীৰ্ত্তিকামীক সপ্তম স্বৰ্গ পোৱালেগৈ । আৰু এইদৰে তেওঁৰ পৰা ধন আদায় কৰিবলৈ ধৰিলে । এইটো সিহঁতৰ পেছাৰ দৰে হৈ পৰিল ।

এই কাৰণে ভাগ্যপুৰী গাওঁখন কীৰ্ত্তিকামীৰ খুব ভাল লাগিল । তেওঁ এই আনন্দময় বাতাবৰণত সময়বোৰ আৰামেৰে পাৰ কৰিবলৈ ধৰিলে ।

কীৰ্ত্তিকামীৰ পত্নী সুৱৰ্ণা চহৰতে জন্ম হৈছিল আৰু ডাঙৰ-দীঘল হৈছিল । তেওঁৰ এই গাওঁখন একেবাৰেই ভাল লগা নাছিল । প্ৰশংসা পাবৰ কাৰণে তেওঁৰ স্বামীয়ে ধন খৰচ কৰি থকা কথাটো তেওঁৰ মুঠেই পচন্দ হোৱা নাছিল । এই কথা লৈ তেওঁ চিন্তিত হৈ পৰিছিল । সেয়েহে তেওঁ চহৰত থকা তেওঁৰ ককায়েক শুভাকৰক গাৱঁলৈ মাতি পঠালে ।

শুভাকৰে গাৱঁলৈ আহিয়েই তাৰ পৰিস্থিতি

ভাগ্যশ্ৰী পোড়ুৱাল

ভালকৈ গম পালে । তেওঁ ভনীজোৱাই আৰু তেওঁৰ মাজত কোনো জটিলতা অহাটো বিচৰা নাছিল ।

সেয়ে তেওঁ কীৰ্ত্তিকামীক ধীৰে-সুস্থিৰে বুজোৱাটোৱে উত্তম হ'ব বুলি ভাবিলে । সেই সম্পৰ্কে তেওঁ বহুত উপায়ৰ বিষয়ে গুণা-গথা কৰিলে । অৱশেষত তেওঁ সিদ্ধান্ত কৰিলে যে প্ৰশংসাৰ দ্বাৰা তেওঁক জয় কৰিব পৰা যাব ।

এদিন তেওঁ নিজৰ ভনীজোৱায়েকক ক'লে, "যিকোনো দেশৰ বাবেই গাওঁ বোৰেই মেৰুদণ্ডস্বৰূপ । তেনেস্থলত গাৱঁত আহি থাকিবলৈ লোৱাৰ যি সিদ্ধান্ত আপুনি ল'লে তাক প্ৰশংসা নকৰি নোৱাৰি । কিন্তু আপুনি কৃষিতকৈ বাণিজ্যতহে বেছি দক্ষ । সেয়ে মই ভাবো যে আপুনি চহৰলৈ ঘূৰি গৈ, ব্যৱসায় কৰি লাখ টকা উপাৰ্জন কৰাই ভাল হ'ব । মই ভাগ্যপুৰীতে থাকি যাম আৰু খেতি-বাতি চম্ভালিম ।"

কীৰ্ত্তিকামীয়ে শুভাকৰৰ কথা মানি ল'বলৈ স্পষ্টভাৱে অস্বীকাৰ কৰিলে । তেওঁ শুভাকৰক ক'লে, "ইয়াত মই অপাৰ গৌৰৱ পাইছোঁ । ধন যিমানেই নঘটো কিয়, চহৰত এনেকুৱা আদৰ কেতিয়াও নাপাওঁ । মোৰ এই ঠায়েই ভাল লাগিছে ।"

তেওঁৰ উত্তৰত নিৰাশ নোহোৱাকৈ শুভাকৰে পুনৰ শান্ত স্বৰে ক'লে, "চাওক, গাৱঁৰ মানুহে টকাৰ মৰ্যাদা দিব নাজানে । তেওঁলোকে প্ৰতিশোধতহে গুৰুত্ব দিয়ে । ধন নোহোৱাকৈ নিস্বাৰ্থ ভাবেৰে তেওঁলোকে কবি, পণ্ডিত বা অন্য কলাকুশলীসকলক বিচাৰে আৰু তেওঁলোকক সন্মান কৰে ।

এনে সন্মান এইখন গাৱঁত সত্যৱানে পূৰা মাত্ৰাই পাই আছে । আপোনাৰ প্ৰশংসা কৰা সকলে আপোনাৰ পৰা ধন ঘটিবলৈহে আপোনাৰ প্ৰশংসাত পঞ্চমুখ হৈ থাকে ।" এইদৰে তেওঁ স্পষ্টকৈ ক'লে ।

শুভাকৰৰ এই কথাত কীৰ্ত্তিকামীৰ খং উঠি আহিল, তেওঁৰ পৌৰুষ জাগি উঠিল । যেতিয়াই নিজৰ জেঠেৰীয়েকৰ পৰা গম পালে যে সন্মানৰ ক্ষেত্ৰত সত্যৱান তেওঁৰ প্ৰতিদ্বন্দ্বী তেতিয়া তেওঁ ঈৰ্ষাত জ্বলি উঠিল আৰু ক'লে, "পইচাই পৰমাত্মা । পইচাৰ দ্বাৰা যিকোনো কামেই সম্ভৱ। এই সত্যৱানৰ মুখেদি এই কথা কোৱাইহে এৰিম যে এই সংসাৰত মোৰ সমান কোনো নাই । তুমি চাই থাকা, মই কি কি কৰোঁ ।"

পিছদিনাখন তেওঁ সত্যৱানলৈ খবৰ পঠালে, "মই আপোনাৰ সন্মান পইচাৰে

কৰিব খোজো ।" সত্যব্ৰানে সুধিলে, "সন্মান কিহৰ বাবে ?"

"এইজন কি মানুহ, যি সন্মান পাবলৈ অস্বীকাৰ কৰে । হয় তেওঁ অহঙ্কাৰী হ'ব নহলে তেওঁ মহামূৰ্খ । গাৱঁৰ মানুহে নভবা-নিচিন্তাকৈ তেওঁক আদৰ-সন্মান দি আছে আৰু নিজেই নিজৰ মূল্য কমাইছে । এইসত্য মই প্ৰকাশ কৰিম আৰু নিজৰ প্ৰতিষ্ঠা বঢ়াই তুলিম ।" তেওঁ শুভাকৰক ক'লে ।

কীৰ্ত্তিকামী সেইদিনা সত্যব্ৰানৰ ঘৰলৈ গ'ল । সত্যব্ৰানে ঘৰলৈ অহা আলহীক আলহ উদহকৈ অৰ্ভথ্যনা জনালে আৰু তেওঁ অহাৰ কাৰণ সুধিলে ।

"প্ৰতিভাক মুকুট পিন্ধাবলৈ প্ৰতিভা থাকিবই লাগিব বুলি কোনো কথা নাই । আপোনাক সন্মান কৰাৰ মোৰ তীব্ৰ ইচ্ছা হৈছে । আপুনি না নকৰিব ।" এইদৰে কৈ কীৰ্ত্তিকামীয়ে নিজৰ আগমনৰ কাৰণ বুজালে ।

"আপোনাৰ উদ্দেশ্য প্ৰশংসনীয় । কিন্তু মোৰ যি প্ৰতিভা আছে, সি কেৱল পাণ্ডিত্যৰ প্ৰতিভা । সেয়ে মোৰ সন্মান যদি কোনো পণ্ডিতে কৰে তেতিয়া মই ভাল পাম । অনুগ্ৰহ কৰি কওকচোন মোৰ পাণ্ডিত্যৰ কোনটো অংশ আপোনাৰ ভাল লাগে?" সত্যব্ৰানে সুধিলে ।

কীৰ্ত্তিকামীয়ে এই কথাত আঘাত পালে । কিন্তু তেওঁ তাক প্ৰকাশ নকৰি ক'লে, "আৰ্য, কাৰণ জানিবলৈ আপুনি ইমানেই আগ্ৰহ কৰিছে যদি মোৰ শ্ৰেষ্ঠতাৰ বিষয়ে আপুনি মানুহক সুধিব । এই পৰম্পৰা যুগ যুগ ধৰি চলি আহিছে যে কবি আৰু পণ্ডিতে তেওঁলোকৰ আদৰ সন্মান কৰাসকলৰ প্ৰশংসা কৰি ক্ষান্তই হ'ব নোখোজে ।"

"হ'ব পাৰে, মই সন্মানত আপোনাৰ সমকক্ষ নহও । কিন্তু কোনটো কথা লৈ মই আপোনাক প্ৰশংসা কৰোঁ ?" সত্যব্ৰানে সুধিলে ।

"প্ৰশংসা কৰিবৰ বাবে আপুনি ইমান মূৰ ঘমাইছে কিয় ? মই চহৰৰ এজন সফল ব্যৱসায়ী আছিলো । নিজৰ আয়-উপাৰ্জন সকলো এৰি এতিয়া গাৱঁত থাকিবলৈ আহিছোঁ । এয়াই মোৰ উদাৰতা, এয়াই মোৰ মহানতা ।" কীৰ্ত্তিকামীয়ে ক'লে ।

"মই ভাবো যে প্ৰশংসা পাবৰ কাৰণেই ইয়ালৈ অহা সকলৰ পৰা গাৱঁৰ কোনো লাভ নহয় । এজনে আনজনৰ প্ৰশংসা কৰি থকাৰ এই ধাৰণাটোৱেই ভুল ।" এইদৰে সত্যব্ৰানে স্পষ্টকৈ জনাই দিলে আৰু কীৰ্ত্তিকামীক তাৰ পৰা পঠিয়াই দিলে।

কীৰ্ত্তিকামী খঙত অগ্নিশৰ্মা হৈ উঠিল । তেতিয়াৰ পৰা তেওঁ সত্যব্ৰানৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাবলৈ আৰম্ভ কৰিলে । ধনৰ লালসাত পৰি কেইজনমান গঞাই ক'বলৈ ধৰিলে যে সত্যব্ৰান অহঙ্কাৰী । তেওঁ কীৰ্ত্তিকামীৰ অপমান কৰিছে ইত্যাদি ইত্যাদি । কোনো কোনোৱে এইবোৰ কথা বিশ্বাস কৰিলে আৰু কোনো কোনোৱে নকৰিলে । সত্যব্ৰানে এইবোৰলৈ ভ্ৰুক্ষেপ নকৰিলে ।

এসপ্তাহৰ পিছত, সত্যব্ৰানে পুখুৰীত গা-ধুই থাকোতে পিছল খাই পৰি গ'ল আৰু প্ৰায় দহদিনলৈকে ঘৰতে শয্যাশায়ী হৈ থাকিব লগা হ'ল । কীৰ্ত্তিকামীয়ে এই সুযোগতে ক'বলৈ ধৰিলে, "মই যি কামেই কৰোঁ, ভাল কামেই কৰো, সেয়েহে মোৰ ওপৰত ভগৱানৰ কৃপা আছে । মোৰ লগত যিজনে বেয়া ব্যৱহাৰ কৰে, ভগৱানে তেওঁক দণ্ড দিয়ে ।" এইদৰে কৈ তেওঁ নিজৰ বন্ধুসকলক লৈ সত্যব্ৰানৰ বিৰুদ্ধে চলোৱা অপপ্ৰচাৰ আৰু তীব্ৰ কৰি তুলিলে ।

এই কথাত সত্যব্ৰানে বৰ দুখ পালে । তেওঁ গাওঁবুঢ়াক লগ ধৰি ক'লে, "কীৰ্ত্তিকামীয়ে মোক অহঙ্কাৰী বুলি কৈ মোৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাইছে । কিন্তু মই সেইবোৰত অকণো কাণ দিয়া নাই । কিয়নো নিজৰ নিজৰ ৰায় গঢ়ি তোলাৰ সম্পূৰ্ণ অধিকাৰ সকলোৰে আছে । কিন্তু মই নাজানো যে যি আকস্মিক দুৰ্ঘটনা মোৰ হৈছে তাৰ দ্বাৰা ভগৱানে মোক দণ্ড দিছে । মই আপোনাক মিনতি কৰিছো যে আপুনি মোৰ কি দোষ হৈছে সেয়া কৈ দিয়ক ।"

গাওঁবুঢ়াই ততালিকে এই বিষয়ে শুনানী



আৰম্ভ কৰিলে । গ্ৰামদেৱীৰ মন্দিৰৰ সমুখত এই বিচাৰ আৰম্ভ হ'ল । গাওঁবাসী সকলে বিশ্বাস কৰিছিল যে পূজাৰীৰ মুখেদি গ্ৰামদেৱীয়ে কোনজন সাক্ষীয়ে সঁচা কথা কব আৰু কোনজন সাক্ষীয়ে মিছা সাক্ষী দিছে সেয়া কোৱাব । সেই কাৰণে সত্যৱানে কীৰ্ত্তিকামীক অপমান কৰা বুলি ক'বলৈ কোনো আগ বাঢ়ি নাহিল ।

কীৰ্ত্তিকামীয়ে নিজৰ স্পষ্টীকৰণ দি ক'লে, "মোৰ লগত যিজনে দুৰ্ব্যহাৰ কৰিছে তেওঁৰ অপকাৰ হ'বই হ'ব । মোৰ বিশ্বাস যে সত্যৱানে মোক অপমান কৰাৰ বাবে এদিন পিছলি পৰিল ।" এইদৰে তেওঁ বাচিবৰ চেষ্টা কৰিলে ।

কীৰ্ত্তিকামীৰ কথা-কাণ্ডৰ পৰা গাওঁবুঢ়াৰ এইকথা বুজিবলৈ দেৰী নালাগিল যে কীৰ্ত্তিকামীয়ে মিছা কথা কৈছে । তেওঁ কীৰ্ত্তিকামীক ক'লে, "আপোনাৰ কথাত কিমান সত্যতা আছে আৰু তাক জানিবলৈ মই গ্ৰামদেৱীৰ সহায় ল'ব লাগিব ।"

তেতিয়া সত্যৱানে হস্তক্ষেপ কৰি ততালিকে ক'লে, "মই বিশ্বাস কৰো যে কীৰ্ত্তিকামীৰ কথাত সত্যতা আছে । নিজৰ প্ৰশংসা কৰিবলৈ তেওঁ মোৰ ওপৰত দাবী কৰিছিল । কিন্তু মই তেনে কৰিবলৈ অমান্তি হ'লো । সেয়া নিশ্চয় মোৰ ভুল হ'ল আৰু ভগৱানে সেয়ে মোক দণ্ড দিলে নিশ্চয়। গতিকে গ্ৰামদেৱীৰ সহায় লোৱাৰ কি প্ৰয়োজন আছে ?"

তেওঁৰ এই কথা শুনি গাওঁবুঢ়া সহিতে সকলোৱে হাঁহিবলৈ ধৰিলে । কীৰ্ত্তিকামী অপমানত আধা মৰা যেন হ'ল । তেওঁৰ জেঠেৰীয়েকে তেওঁক সতৰ্কবাণীও দি থৈছিল যে প্ৰতিভাশালী সকলক তাচ্ছিল্য নকৰিবা, কিন্তু তেওঁ জানি-বুজি এই ভুল কৰিলে । তেওঁ অনুশোচনাত দগ্ধ হ'ল । তেওঁ কৃষিৰ কাম শুভাকৰক সঁপি দিলে আৰু চহৰলৈ গুচি গ'ল ।

ইয়াৰ পিছত কীৰ্ত্তিকামী এবাৰলৈও সেই গাঁৱলৈ নাহিল । তথাপিও ভাগ্যপুৰীৰ নিবাসী সত্যৱানৰ চমৎকাৰ পূৰ্ণ কথা-বতৰাৰ বিষয়ে প্ৰায়েই যি কথা শুনিবলৈ পোৱা যায় সেই কথাবোৰ তেওঁ আখৰে আখৰে সঁচা প্ৰমাণিত কৰিছিল ।

বীৰ কালীনাথ

5

(ৰজা দেৱজিতক দণ্ড দিবলৈ ভালুক তান্ত্রিক বীৰ কালীনাথ আৰু বাকী সকলক লগত লৈ নগৰৰ ফালে গৈ আছিল । তেতিয়া ৰজা দুৰ্মুখৰ সৈনিকে তেওঁক ৰাখিলে । তান্ত্রিকে দুৰ্মুখৰ ওচৰলৈ গৈ ঘাতকক নিজৰ মন্ত্রদণ্ডৰে স্পৰ্শ কৰিলে । তাতে সি ভালুকৰ আকৃতি লৈ কুঠাৰ ঘূৰাই দুৰ্মুখৰ ফালে জঁপিয়াই পৰিল । ইয়াৰ পিছত...)

ঘাতকে যেতিয়া হঠাতে ভালুকৰ ৰূপ লৈ চকমকোৱা কুঠাৰ হাতত লৈ ৰজা দুৰ্মুখৰ ওপৰত আক্ৰমণ কৰিলে, তেতিয়া দুৰ্মুখ এক মুহূৰ্ত্তৰ বাবে চকিত হৈ পৰিল । সেই সময়তে ৰজাক বচাবলৈ তেওঁৰ অংগৰক্ষক আগলৈ আহিল । তেওঁক পদাঘাত কৰি ঘাতকে তললৈ পেলাই দিলে আৰু সেই একেই বেগেৰে দুৰ্মুখৰ আসনৰ ফালে আগবাঢ়িল ।

তেতিয়া দুৰ্মুখে চিঞৰি উঠিল, “শুনা ! আমাৰ সৈনিকবোৰ ক’ত আছে? অংগৰক্ষক ক’লৈ গ’ল? এই ভালুকক ধৰি লৈ তৰোৱাল ভাঙি পেলোৱা।” এই আদেশ দি উঠি দুৰ্মুখ নিজৰ আসনৰ পৰা নামিল । অলপ দূৰলৈকে দৌৰি তেওঁ নিজৰ ঘোঁৰাৰ ওপৰত উঠি ল’লে । তেওঁৰ লগত এজন অংগৰক্ষকো দৌৰি দৌৰি অন্য এটা ঘোঁৰাৰ ওপৰত উঠি জাপ মাৰি ৰহি পৰিল ।

অংগৰক্ষকে দুৰ্মুখক ক’লে, “মহাৰাজ, “সদ্যহতে আমি ইয়াৰ পৰা পলাই যোৱা সকলো প্ৰকাৰে মংগল হ’ব । আমাৰ সৈনিক সকল ক’ৰবাত নদীৰ পাৰত বালিত আৰাম কৰি আছে । এই খবৰ পাই তেওঁলোক

ইয়ালৈ অহাৰ আগতেই এই তান্ত্রিকে নিজৰ ভালুকৰদ্বাৰা আমাৰ সকলোকে বধ কৰিব পাৰে ।"

অংগৰক্ষকে এই কথা বুজাই আছিল, তেনেতে ৰজা দুৰ্মুখে তেওঁৰ পিছত দৌৰি অহা ঘাতক ভালুকক দেখি ঘোঁৰাৰ লেকাম টানিলে । ঘোঁৰাটোৱে ভালুকক দেখি চমকি উঠিল আৰু বেগেৰে পলাই গ'ল ।

ৰজা দুৰ্মুখ আৰু তেওঁৰ অংগৰক্ষকক ঘোঁৰাত উঠি পলাই যোৱা দেখি কালীনাথে হতাশ হৈ তান্ত্রিকক ক'লে, "গুৰু ! ইয়াত ওচৰ-পাজৰে শাসক বুলি জনাজাত দুজন দুষ্ট লোকৰ এজনতো আমাৰ হাতলৈ আহিল আৰু আনজন পলাই গ'ল । মই এইকথা অকণো বিশ্বাস নকৰো যে তেওঁক অনুসৰণ কৰা আমাৰ ঘাতকে তেওঁক ধৰিব পাৰিব ।"

ভালুক তান্ত্রিকে দুৰ্মুখৰ ঘোঁৰাৰ পিছে পিছে দৌৰি যোৱা ঘাতক ভালুকৰ ফালে দৃষ্টি নিক্ষেপ কৰি ক'লে, "কালীনাথ ! দুৰ্মুখ যদি আমাৰ ঘাতকৰ কুঠাৰৰ চিকাৰ হোৱা নাই তেন্তে মই আৰু তুমি ইয়াৰ ব্যৱস্থা কৰিম ।" তাৰ পিছত তাত দুৰ্মুখৰ মন্ত্ৰী আৰু পৰামৰ্শদাতাসকলৰ ফালে ভালুক তান্ত্রিকে চকু ৰঙা কৰি চালে আৰু সুধিলে, "এই কথা কোৱাচোন, তোমালোকে চন্দ্রপুৰ নগৰ আক্রমণ কৰিবলৈ ওলাইছা নহয় জানো ? কিন্তু তোমালোকৰ সেনা ক'ত আছে ?"

এই প্রশ্নৰ উত্তৰত দুৰ্মুখৰ পৰামৰ্শদাতা-সকলৰ এজনে ভয়াৰ্ত কণ্ঠৰে এইদৰে ক'লে- "আপুনিতো মহান তান্ত্রিক । এতিয়ালৈ আমাৰ সেনাৰ খবৰ আপুনি নিশ্চয় পাইছেই! তথাপি আপুনি সুধিছে সেয়েহে মই কওঁ । আমাৰ সৈনিক এখন নদীৰ পাৰত শত্রুৰ সংহাৰ কৰিবলৈ নিজৰ অস্ত্ৰ-শস্ত্ৰ মজবুত কৰি আছে ।"

এই উত্তৰ শুনি ভালুক তান্ত্রিকে বিদ্রুপৰ সুৰত হাঁহি উঠিল । তাৰ পিছত বিস্ময়ৰ সুৰত মন্ত্ৰী জীৱগুপ্তক সুধিলে--"হেৰা, চন্দ্রপুৰৰ মন্ত্ৰী ! তুমি দুৰ্মুখৰ পৰামৰ্শদাতাৰ কথা শুনিলানে ?"

"মহাশয় ! সকলো শুনিলো । মোৰ এই বোৰ দেখি এনেকুৱা লাগিছে যেন মই পাগল হৈ যাম ।" মন্ত্ৰী জীৱগুপ্তই উত্তৰ দিলে ।

"অহ, এনেকুৱা কথা ? মই আৰু কালীনাথে এই ৰাজ্য এৰি হিমালয় পৰ্বতৰ সিপাৰে যোৱাৰ আগতে আৰু বহুতো লোকৰ অহঙ্কাৰ চূৰ্ণ কৰি তেওঁলোককো পাগল কৰি যাব লাগিব । কি কয় মহামন্ত্ৰী, ঠিকেই কৈছোনে ?" ভালুক তান্ত্রিকে নিজৰ মন্ত্ৰ-দণ্ডৰে মাটিত টুকুৰিয়াই ক'লে ।

"এই সকলোবোৰ আপোনাৰ কৃপা ।" মন্ত্ৰী জীৱগুপ্তই মূৰ জোকাৰি উত্তৰ দিলে । তেতিয়া কালীনাথে আম গছৰ ফালে দৃষ্টি নিক্ষেপ কৰি ভালুক তান্ত্ৰিকক ক'লে, "গুৰু ! বহুত সৈনিকে তৰোৱাল আৰু ঢাল লৈ আমাৰ ফালে আহি আছে ।" এই কথা কৈয়েই তেওঁ খাপৰ পৰা তৰোৱাল উলিয়াই ল'লে আৰু নিজৰ লগত থকা ৰজা দেৱজিতৰ সৈনিকক সাৱধান কৰি দিলে ।

ৰজা দুৰ্মুখৰ পৰামৰ্শদাতাই তেতিয়ালৈ ভয় খাইছিল । ভালুক তান্ত্ৰিকে তেওঁক ক'লে, --"শুনা, তোমালোকৰ এজন মানুহ আগবাঢ়ি গৈ সেই সৈনিকবোৰৰ দলপতিক বুজোৱা যে তোমাৰ ৰজাৰ ইয়াত কি অৱস্থা হৈছে ? যদি অজ্ঞতাবশতঃ তেওঁ লোকে মোৰ ওপৰত বা মোৰ অনুচৰবৰ্গৰ ওপৰত আক্ৰমণ কৰাৰ চেষ্টা কৰে তেন্তে তোমালোকক বাঘ আৰু তেওঁলোকক হৰিণাপছুলৈ ৰূপান্তৰিত কৰি তেওঁলোকক তোমালোকৰ আহাৰ কৰিম।"

"মহা তান্ত্ৰিকে সঁচাকৈয়ে এইটো কৰিব পাৰে । ভাইহঁত, তোমালোকৰ চকুৰ আগতেই এওঁলোকে ঘাতকক ভয়ঙ্কৰ ভালুকলৈ ৰূপান্তৰিত কৰিলে নহয় জানো !" জীৱগুপ্তই পৰামৰ্শ-দাতাক বুজালে ।

ৰজা দুৰ্মুখৰ মন্ত্ৰী আৰু পৰামৰ্শদাতাই পৰম্পৰে ইজনে সিজনলৈ চালে । তেওঁলোকৰ এজন তাৰপৰা উঠিল আৰু নিজৰ ফালে আগবাঢ়ি অহা সৈনিকৰ দলপতিক বুজালে--"আমাৰ ৰজা ঘূৰি অহালৈকে আমি এই ভয়ঙ্কৰ তান্ত্ৰিকৰ আদেশ পালন কৰাটোৱেই সকলো ফালৰ পৰা হিতকৰ হ'ব ।"

এই কথা শুনি দলপতি খঙত একো নাই হৈ । নিজৰ দলৰ পঞ্চাশজন সৈনিকক লক্ষ্য হৈ কৰি ক'লে, "তোমালোকে এওঁৰ কথা শুনিলা। কিন্তু মই এওঁৰ কেৱল যাদুতহে বিশ্বাস কৰো । আমি ইমানবোৰ সৈনিকে একেলগে হঠাতে আক্ৰমণ কৰি এই তান্ত্ৰিক আৰু তেওঁৰ অনুচৰবোৰক বধ কৰিব নোৱাৰোনে ?"

"কিন্তু, ইয়াৰ মাজতে যদি তান্ত্ৰিকে আমাক যাদু কৰি হৰিণা আৰু বাঘলৈ সলনি কৰি দিয়ে তেতিয়া আমাৰ কিমান দুৰ্গতি হ'ব এইটো কথাওতো আমি চিন্তা কৰিব লাগিব নহয় জানো ?" সৈনিক সকলৰ এজনে নিজৰ শংকা প্ৰকাশ কৰিলে ।

"দলপতি মহোদয় ! আমি ৰজা দুৰ্মুখৰ নিমখ খাওঁ সেয়ে বিপদৰ সময়ত তেওঁৰ বাবে আমি নিজৰ প্ৰাণ দিবলৈ সাজু থকা উচিত । কিন্তু এই কথাৰ কি ভৰষা আছে যে আমাৰ

ৰজা এতিয়ালৈকে জীয়াই আছে । যদি সেই ভয়ঙ্কৰ ভালুকে নিজৰ পৰশুৰে এতিয়ালৈ আমাৰ ৰজাৰ শিৰচ্ছেদ কৰিলে তেন্তে আমাৰ সাহস আৰু ৰাজভক্তি বৃথা নহ'ব জানো কোৱাচোন ।" আন এজন সৈনিকে আগবাঢ়ি ক'লে ।

এই কথা শুনি দলপতিৰ মনত লোভ জাগিল । তেওঁ এবাৰ চাৰিওফালে চাই পঠিয়াই মনতে ভাবিলে--"যদি আমাৰ ৰজাক বধ কৰা হয় তেন্তে সেই আসন পাবৰ বাবে যত্ননো মই নকৰো কিয় ?" তাৰ পিছত ডাঙৰকৈ সৈনিক সকলক ক'লে, "বৰ্ত্তমান আমাৰ কাৰণে চন্দ্ৰপুৰ নগৰৰ ওপৰত আক্ৰমণ কৰাৰ চিন্তা ত্যাগ কৰি উদয়গিৰিলৈ ঘূৰি যোৱাই উচিত হ'ব ।"

ভালুক তান্ত্ৰিকে কালীনাথলৈ চকুৰে ইংগিত দি ক'লে, "কালীনাথ, মই তোমাক ৰজা দুৰ্মুখৰ সৈনিক সকলৰ নেতা নিযুক্ত কৰিলো । এবাৰ সুধি চাই লোৱা, সৈনিকবোৰে নিজৰ তৰোৱাল তোমাৰ হাতত সঁপে নে নসঁপে ?"

কালীনাথে লগে লগে দলপতিৰ ওচৰলৈ গৈ উচ্চস্বৰত সুধিলে, "তোমালোকে মোৰ গুৰুৰ কথা শুনিলা নহয়নে ? তুমি এতিয়া চিন্তা কৰি মোক জনোৱা তুমি নিজৰ তৰোৱাল মোৰ হাতত সঁপিবা নে মাটিত পুতি পেলাবা?"

দলপতিয়ে কালীনাথ আৰু তান্ত্ৰিকৰ ফালে চালে । তৰোৱাল ধৰি থকা তেওঁৰ হাতখন কঁপিছিল । তেওঁ নিম্নস্বৰত ক'লে,--"যদি মই তৰোৱাল আপোনাৰ হাতত সঁপি দিও তেন্তে ৰজা দুৰ্মুখৰ প্ৰতি ৰাজদ্ৰোহ কৰা হ'ব । আপোনালোকৰ দৰে বুদ্ধিমান লোকে আমাক ৰাজদ্ৰোহৰ আদেশ দিয়া উচিত হ'ব জানো ?"

"ইয়াক বুদ্ধিমানৰ প্ৰশ্ন বুলিয়েই ক'ব লাগিব । কিন্তু তোমাৰ ৰজাই এটা ভালুকলৈ ভয় কৰি তোমালোক সকলোকে বিপদত পেলাই পলাই যোৱাটো জানো ৰাজোচিত কাম বুলি ক'ব পাৰি ?" এইদৰে কৈ ভালুক তান্ত্ৰিকে দলপতিৰ ওচৰত থকা সৈনিকৰ হাতদুখন ধৰি পিছফালে ঘূৰালে আৰু তাৰ ওপৰত নিজৰ মন্ত্ৰদণ্ড স্থাপন কৰি ক'লে, --"চোৱা, মই ইয়াত এটা প্ৰলেপ লগাইছো। তুমি আৰু তোমাৰ অনুচৰে ইয়াৰ চেহেৰা ভালদৰে চাই লোৱা, তোমালোকৰ ৰজাৰ কেনে দুৰৱস্থা হৈছে ।"

পিছ মুহূৰ্ত্ততে সৈনিকৰ পিঠিৰ ওপৰ অংশ শ্যামবৰ্ণীয়া হৈ পৰিল । তাৰ ভিতৰত এখন

জংঘলত ঘোঁৰা দৌৰাই থকা ৰজা দুৰ্মুখ আৰু তেওঁৰ অংগৰক্ষকক স্পষ্ট দেখা গ'ল । তেওঁৰ অনুসৰণ কৰি ঘাতক ভালুক দৌৰি আছিল । দুৰ্মুখৰ ঘোঁৰাৰ ওপৰত এজোপা গছৰ আঁৰৰ পৰা ওলাই এটা হাতীয়ে শুৰেৰে আক্ৰমণ কৰিছে । ৰজা দুৰ্মুখে আৰ্তনাদ কৰি উঠিল আৰু অংগৰক্ষকৰ লগত বেলেগ দিশত পলাবলৈ ধৰিলে ।

তেনেতে হঠাতে দুৰ্মুখক অনুসৰণ কৰা ঘাতক ভালুকক সমুখত দেখি হাতীয়ে নিজৰ শুৰেৰে তাক ওপৰলৈ উঠাব খুজিলে । ঘাতকে ভয়ঙ্কৰ ভাবে চিঞৰি উঠিল আৰু শূৰডালৰ ওপৰত কুঠাৰেৰে প্ৰহাৰ কৰিলে । শূৰ আধা কাট খাই ওলমিবলৈ ধৰিলে । হাতীয়ে ভয়ঙ্কৰ আটাহ পাৰি পিছ হুহঁকিল । তেতিয়া ঘাতক ভালুকে তাৰ ডিঙিত উঠি ল'লে । তাৰ কুম্ভস্থলত কুঠাৰৰ নালেৰে প্ৰহাৰ কৰি গৰজি উঠিল--"সেই দুষ্ট দুৰ্মুখ ক'ত আছে ? তাৰ শিৰচ্ছেদ কৰিব লাগিব।"

ইয়াৰ মাজতে ৰজা দুৰ্মুখ জংঘলত বহুদূৰলৈ পলাই গৈছিল । তেওঁ এই কথাত ভয় খাইছিল যে ঘাতক ভালুকৰ লগত হাতীয়েও তেওঁৰ পিছ লৈছে । অংগৰক্ষকে ক'লে, "মহাৰাজ, এনে লাগিছে যেন আমি ৰাস্তা হেৰুৱাই নিজৰ ৰাজ্যৰ সীমা পাৰ হৈ আন ক'ৰবালৈ গৈ আছোঁ ।"

এই কথাত খং উঠি দুৰ্মুখে ক'লে, "হেৰৌ মূৰ্খ ! প্ৰাণতকৈ ৰাজ্যখনৰ সীমা বেচি মূল্যবান হ'ল নেকি?" এইদৰে কৈ ঘোঁৰাৰ পিঠিত চাবুক মাৰিলে ।

ইফালে ভালুক তান্ত্ৰিক সৈনিকজনৰ পিঠিৰপৰা নিজৰ মন্ত্ৰদণ্ড আঁতৰাই কৈ উঠিল--"মই সৈনিকৰ পিঠিত যি প্ৰলেপ লগালো, তাক ই নষ্ট কৰি পেলালে । কোনো কথা নাই ! তোমালোকে নিজৰ ৰজা পলাই যোৱা নিজেই দেখিলা । এতিয়া ইয়াৰ কি উত্তৰ দিবা?" তান্ত্ৰিকে দলপতি আৰু তেওঁৰ সৈনিকক সুধিলে । ভালুক তান্ত্ৰিকৰ শক্তিৰ লগত পৰিচিত দুৰ্মুখৰ সৈনিকে একেস্বৰে চিঞৰি উঠিল--"আপুনিয়েই কওকচোন, আমি কি কৰা উচিত ?"

"তেতিয়ালৈকে তোমালোক মোৰ লগত চন্দ্ৰপুৰ নগৰলৈ ব'লা ! তাৰ ৰজা দেৱজিতৰ খবৰ ল'ব লাগে । শুনা, এই মুহূৰ্তৰ পৰা তোমালোকৰ নেতা হ'ল কালীনাথ ।" ভালুক তান্ত্ৰিকে নিজৰ আদেশ শুনালে ।

ইয়াৰ পিছত সকলো চন্দ্ৰপুৰ নগৰৰ ফালে আগবাঢ়িল । সেই সময়ত ইফালে জংঘলত পলাই থকা ৰজা দুৰ্মুখ আৰু তেওঁৰ

অংগৰক্ষকক গছৰ ডালত লুকাই থকা ডকাইতৰ দলপতি নাগমল্লই দেখিছিল । তেওঁৰ নিজৰ অনুচৰ বৰ্গক কৈছিল, -আগে আগে ঘোঁৰাত গৈ থকা লোকসকলৰ সাজ-পোছাক দেখি এনে লাগিছে যেন তেওঁলোক কোনো সম্ভ্ৰান্ত পৰিয়ালৰ লোক । তেওঁৰ পিছে পিছে যোৱা ব্যক্তি তেওঁৰ ভৃত্য বা সৈনিক হ'ব । যদি আমি তেওঁলোক দুয়োকে জীৱন্তে বন্দী কৰি লওঁ তেন্তে তেওঁলোকক মুক্তি দিয়াৰ বিনিময়ত তেওঁলোকৰ আত্মীয়ৰ পৰা বহুত পৰিমাণৰ ধন দাবী কৰিব পাৰিম।"

সেই সময়ত নাগমল্লৰ অনুচৰে নিজৰ হাতৰ ৰচী ইফালে-সিফালে ঘূৰাই ক'লে-- "মালিক ! তেওঁলোকৰ সমুখলৈ গৈ জীৱন্তে বন্দী কৰাটো সম্ভৱ যেন লগা নাই । তেওঁলোকে তৰোৱালেৰে আমাৰ মুখামুখি হ'ব পাৰে । সেয়ে এই ৰছী পেলাই দি তাৰ জালত প্ৰথমে এজনক ধৰাটো উচিত হ'ব।"

"আৰে তুমি একেবাৰে বুদ্ধিমানৰ কথা কৈছা । চোৱা, সিহঁত এইফালে আহিছে । আমি ধৰিব পৰা যেন হ'লেই প্ৰথমতে তুমি ঘোঁৰাৰ ওপৰত আগতে আহিব লগা ব্যক্তি জনৰ কঁকালত ৰছী লগাই টানি আনিবা, আনজনৰ কথা আমি দুয়ো চিন্তা কৰিম ।" নাগমল্লই ক'লে ।

ৰজা দুৰ্মুখ আৰু তেওঁৰ অংগৰক্ষকৰ এই কথাৰ ভ্ৰূক্ষেপেই নাছিল যে সেই বিৰাট জংঘলত তান্ত্ৰিকৰ ভালুকৰ বাহিৰেও আৰু কিবা বিপদ থাকিব পাৰে । তেওঁলোক ঘাতক ভালুকৰ পৰা যথাসম্ভৱ দূৰলৈ পলোৱাৰ কথা চিন্তা কৰিছিল ।

দুৰ্মুখে যেতিয়া গছৰ ওচৰ পাই তাৰ ডালৰ তলেদি ঘোঁৰা দৌৰাই গৈছিল, তেতিয়া নাগমল্লৰ এজন অনুচৰে নিজৰ হাতৰ ৰছী দুৰ্মুখৰ ফালে দলিয়াই দিলে । পঘাডাল যেতিয়া ৰজাৰ কঁকালত মেৰ খাই পৰিল তেতিয়া তেওঁ গছৰ ফালে তেওঁক টানি আনিলে । ঘোঁৰা জোৰেৰে আগবাঢ়ি গ'ল । দুৰ্মুখ একেবাৰে আৰ্তনাদ কৰি ৰছীত ওলমিব ধৰিলে । সেই সময়তে নাগমল্ল আৰু তেওঁৰ আনজন অনুচৰেও গৰ্জন কৰি আৰু তৰোৱাল চমকাই গছৰ ডালৰ পৰা অংগৰক্ষকৰ ঘোঁৰাৰ আগত জঁপিয়াই পৰিল। *(আগলৈ)*

রজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

নাগ দেৱতা

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল আৰু গছজোপাৰ পৰা শ টো নিজৰ কান্ধত তুলি লৈ শ্মশান অভিমুখে অগ্ৰসৰ হ'ল। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰজা, তোমাৰ সাহস প্ৰশংসনীয়। সংসাৰত কিজানি তুমিয়েই একমাত্ৰ ব্যক্তি হ'বা যি নিজৰ লক্ষ্য সিদ্ধিৰ বাবে মৃত্যু পৰ্যন্ত পিছ নুহুহকিবা। মোৰ দৃষ্টিত তুমি সেইজন বিশেষ ব্যক্তি যাক সকলোৱে অনুসৰণ কৰা উচিত। কিন্তু মোৰ এনে লাগিছে যে তোমাৰ এই দীক্ষা ফলপ্ৰসূ নহ'ব। ধৰ্মাগদকে উদাহৰণ হিচাবে লোৱাচোন। যেতিয়া ফল তেওঁৰ হাতলৈ আহিল, সেয়া তেওঁ নিজৰ হাতৰ পৰা এৰাই যাবলৈ দিলে। যদি তুমিও এনেকুৱা মূৰ্খামি কৰা তেন্তে তুমি মুখ

উলিয়াবলৈ ঠাই নাপাবা। তোমাৰ এই তপস্যা ব্যৰ্থ হৈ ৰ'ব । তোমাক সাৱধান কৰিবলৈ তেওঁ কাহিনী তোমাক শুনাব খুজিছো। মন দি শুনা" তাৰ পিছত বেতালে ধৰ্মাগদৰ কাহিনী শুনাবলৈ ধৰিলে ।

ধৰ্মাগদ আৰু বিশ্বনাথ বহুদিনৰ পুৰণি বন্ধু আছিল । কিন্তু সিহঁতৰ মিত্ৰতাৰ পৰীক্ষা ভূষণৰ ৰূপত হ'ল ।

ভূষণ এটা মহা ঠগবাজ আছিল। ঠগবাজি কৰি চিঠি লিখাত, পটু আছিল। সি এনে এখন চিঠি সৃষ্টি কৰিলে যে, য'ত লিখা আছিল যে ধৰ্মাগদে নিজৰ খেতি মাটি তাৰ ওচৰত বন্ধকত থৈ তাৰ পৰা তিনি হাজাৰ সোণৰ মুদ্ৰা ধাৰবলৈ লৈছিল । তাৰ পিছত সি ধৰ্মাগদলৈ খবৰ পঠিয়ালে যে তুৰন্তে তাৰ ধাৰ পৰিশোধ নকৰিলে তাৰ খেতিৰ মাটি নিজৰ কৰি ল'ব।

ধৰ্মাগদে তুৰন্তে ন্যায়াধিকাৰীক লগ ধৰিলে। ভূষণৰ ঠগবাজিৰ পৰা তাক বচাবলৈ অনুৰোধ জনালে ।

ন্যায়াধিকাৰীয়ে কথাটো বহুসময় ভবাৰ পিছত ক'লে, "কোনো অপৰাধৰে বিচাৰ নকৰালৈকে ৰায় দিয়া উচিত নহয় । মই ভালদৰেই জানো যে তুমি সৎ স্বভাৱৰ আৰু ভূষণ মহা ঠগবাজ । কিন্তু বিচাৰ নোহোৱালৈকে ভূষণক ৰাখিব লাগে যদি তুমি এক হাজাৰ সোণৰ মুদ্ৰা আমানত হিচাবে ৰাখিব লাগিব লগতে কোনোবাই তোমাক জামিনত আনিব লাগিব ।"

তেতিয়া ধৰ্মাগদৰ ওচৰত পইচা নাছিল । তেওঁ ভাবিছিল যে নিশ্চয় কোনোবাই নহয় কোনোবাই তেওঁক ধাৰ দিব । কিন্তু তেওঁৰ খেতিৰ মাটি তেওঁৰ হাতৰ পৰা অইনৰ হাতলৈ যাব বুলি জানি তেওঁক কোনেও ধাৰ দিবলৈ আগবাঢ়ি নাহিল।

ধৰ্মাগদৰ বিশ্বাস আছিল যে এনেকুৱা পৰিস্থিতিত বিশ্বনাথে নিশ্চয় তেওঁক সহায় কৰিব। কিন্তু সেই সময়ত বিশ্বনাথৰ দেউতাক বহুত ডাঙৰ বেমাৰত পৰিল । ইয়াৰ মাজতে তেওঁৰ ভনীয়েকৰ বিয়াও ঠিক হ'ল । বিশ্বনাথে আন্দাজ কৰিলে যে প্ৰয়োজনীয় খৰচৰ বাবে কমেও পাঁচ ছয় হাজাৰ সোণৰ মুদ্ৰাৰ প্ৰয়োজন হ'ব । তেওঁ তাৰ চেষ্টাতেই ব্যস্ত আছিল । তেনে সময়তে ভূষণে তেওঁক লগ কৰিলে আৰু ক'লে, "মই তোমাক সহায় কৰিবলৈ সাজু আছোঁ, কিন্তু তুমিও মোক সহায় কৰিব লাগিব ।"

বিশ্বনাথে ধৰ্মাগদক জামিনত আনিবৰ

বাবে অস্বীকাৰ কৰিলে । তেওঁৰ খেতিৰ মাটি ভূষণৰ হস্তগত হ'ল ।

তেতিয়া ধৰ্মাগদৰ ভূষণতকৈও বিশ্বনাথৰ ওপৰত বেছি খং উঠিল । প্ৰথমে তেওঁ ভাবিছিল যে বিশ্বনাথে তেওঁক সহায় কৰিব । কিন্তু বিশ্বনাথে তেওঁক প্ৰতাৰণা কৰিলে ।

তেওঁ ভাবিলে, বিশ্বনাথক হত্যাকাৰী বুলি দেখুৱাই ফাঁচীৰ হুকুম শুনোৱা হ'ব । নিজৰ প্ৰতিশোধ ল'বৰ বাবে বিশ্বনাথক হেঁপাহ পলুৱাই পিটিব, তেওঁৰ হাত-ভৰি বান্ধি পিটিব তাৰ পিছত মানুহে তেওঁক দুষ্ট, নীচ বুলি গম পাই ঘৃণা কৰিব ।

ধৰ্মাগদে বুজি নাপালে যে বিশ্বনাথৰ ওপৰত কেনেকৈ প্ৰতিশোধ লোৱা যাব । গাৱঁৰ বাহিৰত এটা গুহাত বাস কৰা এজন বৈৰাগীক তেওঁ লগ কৰিলে আৰু নিজৰ দুখৰ কাহিনী শুনালে । সকলোৱে কৈছিল যে সেই বৈৰাগী মহান আৰু তেওঁৰ মহিমা অপাৰ ।

বৈৰাগীয়ে ধৰ্মাগদৰ দুখৰ কাহিনী শুনিলে আৰু ক'লে, "স্বাৰ্থৰ কৱলত পৰি বিশ্বনাথে তোমাক সহায় নকৰিলে, সেই কাৰণে তেওঁ তোমাৰ প্ৰকৃত বন্ধু নহয় । কিন্তু তোমাৰ বিষয়ে কওঁনো কি ? কাৰণ তেওঁ তোমাৰ সহায় নকৰিলে, সেই কাৰণে তুমি তেওঁৰ অপকাৰ কৰিব খুজিছা । গতিকে তুমিও ভাল বন্ধু নহয় ।"

"স্বামী, অপকাৰ কৰিছে বিশ্বনাথে, মই তাৰ প্ৰতিশোধ ল'ব খোজোঁ । তাৰ বাবে মোক আপুনি সহায় কৰিব লাগে ।" ধৰ্মাগদে ক'লে ।

"এতিয়া তোমাৰ মন প্ৰতিশোধৰ চিন্তাৰে ভৰি আছে । সাপৰ বিষৰ দৰেই প্ৰতিশোধো



মানুহৰ বাবে বিষস্বৰূপ। মই বিষধৰ মানুহৰ সহায় নকৰো । তুমি প্ৰতিশোধৰ চিন্তা এৰি যদি মোৰ ওচৰলৈ আহা তেন্তে মই তোমাক সহায় কৰিম ।" বৈৰাগীয়ে স্পষ্টকৈ ক'লে ।

"স্বামী, মোৰ মনৰ পৰা প্ৰতিশোধৰ ভাৱ যাতে নোহোৱা হয় তাৰ বাবে আপুনি কিবা উপায় দিয়ক । ধৰ্মাগদে ক'লে ।

বৈৰাগীয়ে ক'লে, "তেন্তে শুনা ! মই তোমাক সাপলৈ পৰিণত কৰিব পাৰো । তেতিয়া তোমাৰ প্ৰতিশোধ বিষলৈ পৰিণত হ'ব আৰু তোমাৰ মস্তিষ্কত প্ৰৱেশ কৰিব । যেতিয়া তুমি সেই বিষৰ প্ৰভাৱৰ পৰা বাহিৰলৈ আহিব পাৰিবা, তেতিয়া পুনৰ মানুহ হৈ যাবা । যেতিয়ালৈকে তুমি সাপ হৈ থাকিবা তেতিয়ালৈকে তোমাৰ সম্পূৰ্ণ জ্ঞান থাকিব, কিন্তু বুদ্ধি সেই সাপৰহে হ'ব । সাপৰ দৰেই তুমি ভাবিবা । কিন্তু, যেতিয়া

তুমি সেই ৰূপত থাকোতেই তোমাক কোনোবাই হত্যা কৰিব তেতিয়া সেই ৰূপতে তোমাৰ মৃত্যু হ'ব।"

ধৰ্মাগদে সম্মতি দিয়াত । বৈৰাগীয়ে তেওঁক সাপলৈ পৰিণত কৰিলে ।

সাপৰ ৰূপলৈ পৰিৱৰ্ত্তিত ধৰ্মাগদে তাৰ পৰা খেতিৰ ফালে আগবাঢ়ি গ'ল । সেই সময়তে এজন খেতিয়কে পথাৰত থিয় হৈ লঠীৰে মাটিবোৰ আঁতৰাই আছিল তেনেতে সেই লাঠীডাল সাপটোৰ নেজত লাগিল ।

লগে লগে সাপটোৰ খং উঠি গ'ল আৰু ফণা তুলি ফোঁচফোঁচাবলৈ ধৰিলে । তেতিয়ালৈ খেতিয়ক জন তাৰ পৰা গৈছিলগৈ । ফোঁচফোঁচনি শুনি ওচৰৰ অন্য এটা সাপ আহি ধৰ্মাগদক ক'বলৈ ধৰিলে, "মোৰ এটা কথাত ভয় লাগিছে যে তুমি সেই মানুহজনৰ পিছ ল'বা আৰু জোকাই ল'বা । মনত ৰাখিবা, মানুহজনে আমাক দেখিলে আমি বিপদত পৰিম ।"

সাপৰূপী ধৰ্মাগদে কিছ পৰ সেই সাপটোৰ লগত কথা পাতি গম পালে যে মুৰত থকা বিষৰ প্ৰয়োগ সাপে কেৱল আত্মৰক্ষাৰ বাবেহে প্ৰয়োগ কৰে, প্ৰতিশোধৰ বাবে নহয় । মানুহে সাপৰ যি অপকাৰ কৰে, তাৰ দ্বাৰা যদি প্ৰাণৰ আশংকা নাথাকে তেন্তে সেই মানুহৰ' সাপে কোনো অপকাৰ নকৰে ।

ধৰ্মাগদৰো সেই কথাই সঁচা যেন লাগিল । কিন্তু তেওঁ এটা কথাই ভাবি থাকিল যে বিশ্বনাথৰ প্ৰকৃত শাস্তি হ'ব লাগে । তেতিয়া তেওঁ শিক্ষা পাব আৰু তাৰ বাবে ধৰ্মাগদে কোনো দণ্ড পাব নালাগিব ।

ধৰ্মাগদে এইকথা ভাবি সকলোৰে পৰা লুকাই বিশ্বনাথৰ ঘৰ পালেহি । ঘৰৰ এটা কোঠাত বিশ্বনাথৰ ছবছৰীয়া ল'ৰাটোৱে পুতলাৰ লগত খেলি আছিল । সি সৰ্পৰূপী ধৰ্মাগদক দেখিলে আৰু ভয়তে আধামৰা হৈ "সাপ সাপ" বুলি কৈ জোৰেৰে চিঞৰিবলৈ ধৰিলে ।

ধৰ্মাগদে মনতে ভাবিলে এই সৰু ল'ৰাটোক দংশন কৰোঁ আৰু বিশ্বনাথক পুত্ৰশোকৰ চিকাৰ কৰি লওঁ । কিন্তু তেওঁ পিছ মুহূৰ্ত্ততে ভাবিলে যে এই নিৰপৰাধ শিশুটিক দংশন কৰা পাপ । তেওঁ তাৰ পৰা বেগেৰে বগাই পূজা মন্দিৰৰ ফালে গ'ল ।

ইতিমধ্যে ঘৰৰ লোকে বিশ্বনাথৰ পুত্ৰৰ ওচৰলৈ গ'ল । তাৰ কথা শুনি সকলোৱে পূজা মন্দিৰলৈ আহিল । তেওঁলোকে দেখা পালে যে সাপ ধৰ্মাগদে নিজৰ ফণা তুলি তাত বৈ আছে ।

"নাগ দেৱতা, চকু বন্ধ কৰি নমস্কাৰ কৰা। তেওঁ কাৰোৱেই অপকাৰ নকৰে। আজিৰপৰা আমাৰ সকলো বিপদ দূৰ হ'ব। প্ৰাৰ্থনা কৰা যে দুষ্টৰ কবলত পৰি তোমাৰ মিত্ৰ ধৰ্মাগদৰ যি বিপদ আহিছে সেয়াও যাতে আঁতৰি যায়। নাগদেৱতাই আমাৰ প্ৰাৰ্থনা শুনিব।" বিশ্বনাথৰ মাকে ক'লে। সকলোৱে চকু বন্ধ কৰি তাকে ক'লে। এই কথা শুনি সাপ ধৰ্মাগদ চক খাই উঠিল।

"ছিঃ, এই বিষৰ পৰা মোৰ কোনো লাভ নহ'ল। ই ব্যৰ্থ হ'ল।" এইদৰে ভাবি নিজৰ দাঁতেৰে পূজা মন্দিৰটোক কামুৰিবলৈ ধৰিলে। ইয়াৰ দ্বাৰা তাৰ বিষ ওলাই আহিল। সাপৰ ৰূপ নোহোৱা হ'ল আৰু তেওঁ পুনৰ ধৰ্মাগদ হৈ পৰিল। সকলোৱে নিজৰ চকু বন্ধ কৰি থৈছিল। সেয়েহে কোনেও এই চমৎকাৰ দৃশ্য দেখা নাপালে। তেওঁলোকে চকু মেলাৰ আগতেই ধৰ্মাগদে তেওঁলোকৰ মাজত আহি থিয় হৈ ৰ'ল।

বিশ্বনাথৰ মাকে চকু মেলি দেখিলে যে পূজা মন্দিৰত নাগদেৱতা নাই, তেতিয়া তেওঁৰ মন ভক্তি ভাবেৰে ভৰি পৰিল আৰু তেওঁ নাগ স্তোত্ৰ গাবলৈ ধৰিলে। তেওঁৰ প্ৰতি নাগপঞ্চমীৰ দিনা সাপৰ বিলত গাখীৰ ঢলাৰ অভ্যাস আছিল।

বিশ্বনাথে অলপ সময়ৰ পিছত চকু মেলিলে আৰু ওচৰতে থিয় দি থকা ধৰ্মাগদক দেখি আচৰিত হৈ পৰিল। লাজতে মৰা যেন হৈ তেওঁ তলমূৰ কৰিলে। তেতিয়া ধৰ্মাগদে ক'লে, "বন্ধু, পৰিস্থিতিয়ে যি কাম তোমাৰ হতুৱাই কৰালে তাৰ বাবে মোৰ খেতিৰ মাটি হেৰাল। ইমান সৰু কথাটোৰ কাৰণে মই



তোমাৰ বন্ধুত্ব হেৰুৱাব নোখোজোঁ।"

এই কথা শুনি বিশ্বনাথ আৰু তেওঁৰ পৰিয়ালৰ সকলো সদস্যই তেওঁৰ ভূৰি ভূৰি প্ৰশংসা কৰিলে । গাৱঁৰ লোকসকলেও ধৰ্মাগদক বহুত শলাগিলে । এই কথাই দুষ্ট ভূষণলৈ পৰিৱৰ্ত্তন আনিলে আৰু ধৰ্মাগদৰ খেতিৰ মাটি ঘূৰাই দিয়া হ'ল ।

বেতালে বিক্ৰমাদিত্যক এই কাহিনী শুনোৱাৰ পিছত ক'লে, "ৰাজন, বিশ্বনাথ ধৰ্মাগদৰ ঘনিষ্ঠ বন্ধু আছিল । কিন্তু যেতিয়া তেওঁ বিপদত পৰিল, তেওঁ বন্ধুৰ সহায় কৰিবলৈ অমান্তি হ'ল । এনেকুৱা মিত্ৰদ্ৰোহীৰ ওপৰত প্ৰতিশোধ ল'বলৈ ধৰ্মাগদে বৈৰাগীৰ আশ্ৰয় ল'লে আৰু সাপৰ ৰূপ ল'লে । নহয়নে ? পূজা মন্দিৰত, যি বন্ধুত্বৰ বিষয়ে তেওঁ বৰ্ণনা কৰিলে আৰু সাপ হৈ তেওঁ যি ব্যৱহাৰ কৰিলে সেয়া ৰজিতা নাখায়। মোৰ এই সন্দেহৰ সমাধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব ।"

বিক্ৰমাদিত্যই ক'লে, "মনুষ্যৰ দৰে পশু-পক্ষীৰো এটা সহজাত স্বভাৱ থাকে । মানুহৰ মাজত সাধাৰণতে যি অনুমান থাকে, সেইমতেই মানুহে ভাবে যে সাপ দুষ্ট স্বভাৱৰ হয়, সেয়েহে তেওঁ প্ৰতিশোধ ল'বৰ বাবে ব্যাকুল হৈ পৰিল । ধৰ্মাগদৰ অন্য এটা সাপৰ লগত সাক্ষাত হৈছিল । সেই সাপটোৱেই তেওঁক কৈছিল যে সাপৰ শিৰত যি বিষ থাকে তাৰ প্ৰয়োগ কেৱল আত্মৰক্ষাৰ বাবেহে কৰা হয়, প্ৰতিশোধৰ বাবে নহয় । ইয়াত সন্দেহ নাই যে বিশ্বনাথ আৰু ধৰ্মাগদ ঘনিষ্ঠ বন্ধু । অকস্মাত কষ্টত পৰি ধৰ্মাগদে বিশ্বনাথক সহায় খুজিলে আৰু এয়া স্বাভাৱিক। কিন্তু সেই সময়ত পিতাকৰ অসুখ আৰু ভনীয়েকৰ বিবাহৰ হেতুকে বিশ্বনাথে বন্ধুক সহায় কৰিব নোৱাৰিলে । কিন্তু ধৰ্মাগদে তেওঁৰ সমস্যা বুজিবলৈ বিফল হ'ল আৰু প্ৰতিশোধ ল'বলৈ সিদ্ধান্ত কৰিলে । পূজা মন্দিৰত সাপটো দেখি বিশ্বনাথৰ মাকে যি কথা ক'লে, তাত ধৰ্মাগদৰ চকু মেল খালে । তেওঁ গম পালে যে সত্য কি । তেওঁ নিজৰ ভুল বুজিব পাৰিলে । সেয়ে তেওঁ বিশ্বনাথক দংশন নকৰিলে ।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শৱটো লৈ পুনৰ অদৃশ্য হৈ গছজোপাত উঠি থাকিলগৈ ।

(সৰল তেজাৰ ৰচনা আলম লৈ)

বিচিত্ৰ ভাৰত

পলাশৰ জুই

অসংখ্য পলাশ ফুলৰ গছেৰে এখন অৰণ্যক ফাগুণ মাহত দেখিলে এনে লাগে যেন তাত জুইহে জ্বলিছে । পলাশ ফুলৰ উজ্জ্বল কমলা ৰঙৰ বাবেই এনে লাগে । ৰামায়ণত আছে যে যেতিয়া ৰামে বিন্ধ্য পৰ্বতৰ অৰণ্যৰ মাজেদি গৈ আছিল তেওঁ ভাবিছিল যে দূৰত জুই লাগিছে। যেতিয়া তেওঁ ঠাইখনৰ ওচৰ চাপি গ'ল তেওঁ ফুলবোৰ দেখিলে আৰু সেই দৃশ্য দেখি মোহাৱিষ্ট হ'ল । পলাশ ফুলক সেয়েহে অৰণ্যৰ জুই বুলি কোৱা হয় । মাৰ্চ মাহৰ শেহলৈ এই ফুলবোৰ ফুলে আৰু জুইৰ দৰে কমলা ফুলবোৰে গোটেই দৃশ্যটোকে উজ্জ্বল আৰু মনোমোহা কৰি তোলে । এই পলাশ গছৰ কথা বেদতো উল্লেখ আছে ।

বৃহত্তম বাসভৱন

বৰ্ত্তমান যোধপুৰ নামে জনাজাত যোধগড় সামন্ত ৰাজ্য মেৱাৰৰ ৰাজধানী আছিল । ১৮৫৯ চনত ৰাও যোধেই ইয়াক প্ৰতিষ্ঠা কৰে । এই ঠাইক ব্লু চিটী বুলিহে অধিক জনা যায় । কিয়নো প্ৰায় সকলোবোৰ প্ৰাসাদেই নীলা ৰঙেৰে বোলোৱা । কাৰণ এই ৰঙে সূৰ্য্যৰ পোহৰ প্ৰতিফলিত কৰে আৰু ইয়াৰ অন্তৰ্ভাগ শীতল কৰি ৰাখে । যোধপুৰত এতিয়াও বহুতো দূৰ্গ আৰু ঠাইত মধ্যযুগীয় চৰিত্ৰ আৰু ঐতিহ্য বিচাৰি পোৱা যায় । 'উমেইড ভৱন' নামে জনাজাত এটা প্ৰাসাদে খ্যাতি লাভ কৰিছিল কিয়নো এইপ্ৰাসাদক বিশ্বৰ সৰ্ববৃহৎ ব্যক্তিগত বাসভৱন বুলি জনা যায় । ইয়াৰ মাটি-কালি ২৬ একৰৰ । তাৰ ভিতৰত পোন্ধৰখন বাগিছা আৰু তিনিশ সাতচল্লিশটা প্ৰাসাদোপম কোঠা আছে ।

ৰাজোচিত গুণ

সুৱৰ্ণপুৰৰ ৰজা সুৱল দেৱ সাহসী আৰু উচ্চাকাংখী আছিল । চুবুৰীয়া ৰাজ্য ব্ৰতশিলাৰ ৰাজবংশৰ লগত তেওঁৰ বংশৰ বহুদিনীয়া শত্ৰুতা আছিল । যদিও ব্ৰতশিলাৰ বৰ্ত্তমান ৰজাৰ লগত তেওঁ কোনো শত্ৰুতালৈ অহা নাছিল তথাপিও ভৱিষ্যতে তেওঁলোকৰ পৰা কোনো ধৰণৰ ভাবুকি নাপাব বুলি নিশ্চিত হ'ব পৰা নাছিল । সেয়ে তেওঁ চুবুৰীয়া ৰাজ্যখন আক্ৰমণ কৰি সাম্ভাব্য শত্ৰুক চিৰদিনৰ বাবে ধ্বংস কৰি দিয়াৰ কথা চিন্তা কৰিলে ।

সুৱল দেৱৰ পত্নীয়ে তাত অসন্মতি জনালে । "মহাৰাজ, বৰ্ত্তমানৰ শান্তিপূৰ্ণ পৰিস্থিতিত যুদ্ধত কিয় প্ৰবৃত্ত হ'ব লাগে ? আমি শুনিছো যে ব্ৰতশিলাৰ ৰজা বৰ্ত্তমান অসুস্থ । আমাৰ চোৰাংচোৱাই কৈছে যে তেওঁ এতিয়া কোনোমতেই আমাৰ ক্ষতিসাধন কৰিব পৰা অৱস্থাত নাই । য'ত বন্ধুত্বৰ থল আছে তাতে শত্ৰুতা কৰি লোৱাৰ যুক্তিয়েইবা ক'ত ?"

ৰাণীৰ কথাত মন্ত্ৰীয়েও হয়ভৰ দিলে আৰু ক'লে, "মহাৰাজ, মই স্বীকাৰ কৰোঁ যে সেই ৰাজ্যৰ পূৰ্বৰ ৰজা আমাৰ প্ৰতি বৈৰীভাবাপন্ন আছিল । কিন্তু এতিয়া পৰিস্থিতি সুকীয়া । এতিয়াৰ ৰজা নম্ৰ আৰু শান্তিকামী স্বভাৱৰ । সঁচা, ব্ৰতশিলাৰ ৰজা অসুস্থ । কিন্তু তেওঁৰ পাৰিষদবৰ্গই তেওঁক ভাল পায় । তেওঁৰ পুত্ৰ, যুৱৰাজ তাতোকৈও প্ৰিয় । আমকি যদি আমি যুদ্ধত জয়লাভো কৰো তথাপিও ব্ৰতশিলাৰ প্ৰজাই বিদ্ৰোহ কৰিব আৰু আমি শান্তি হেৰুৱাম ।"



"কোনে জানে বৰ্ত্তমানৰ ৰজাৰ মৃত্যুৰ পিছত বৰ্ত্তমানৰ জনপ্ৰিয় ৰাজকুমাৰ আমাৰ প্ৰতি যে সন্ত্ৰাসৰ কাৰণ হৈ নুঠিব । গতিকে আমি এতিয়াই ৰাজ্যখন আক্ৰমণ কৰি পৰাধীন কৰি লোৱাই ভাল হ'ব । সেয়াই মোৰ শেষ কথা ।" ৰজা সুবল দেৱে ক'লে ।

সেয়ে, সুৱৰ্ণপুৰৰ সৈন্যই ব্ৰতশিলা আক্ৰমণ কৰিলে । সুবল দেৱক আচৰিত কৰি ব্ৰতশিলাৰ ৰজাই অসুখীয়া গাৰে তেওঁৰ সৈন্যদলৰ নেতৃত্ব দিয়াই নহয় তেওঁৰ সৈতে সন্মুখ সমৰত অৱতীৰ্ণ হৈ সুবল দেৱক আঘাতপ্ৰাপ্ত কৰিলে । তথাপিও সুবল দেৱে শত্ৰুপক্ষক পৰাজিত কৰিলে । ব্ৰতশিলা সুৱৰ্ণপুৰৰ অধীন হ'ল । কিন্তু এই বিজয়ে সুবল দেৱৰ মনলৈ কোনো আনন্দ আনিব নোৱাৰিলে । কাৰণ তেওঁৰ ঘাঁ ডোখৰ দিনে-দিনে বেছি হৈ যাব ধৰিলে । প্ৰায় এবছৰ ধৰি যন্ত্ৰণাত ভোগাৰ পিছত তেওঁৰ মৃত্যু হ'ল ।

ৰজা অপুত্ৰক আছিল । তেওঁৰ কেৱল এগৰাকী কন্যা সন্তান আছিল । ৰাণীয়ে সৎস্বভাৱৰ এজন ল'ৰাৰ সন্ধান কৰিবলৈ ধৰিলে যাতে তেওঁ তাক তুলি ল'ব পাৰে । এই উদ্দেশ্যে মন্ত্ৰী আৰু সভাসদ সকল গোটেই ৰাজ্যত ঘূৰিবলৈ ধৰিলে ।

এসপ্তাহৰ পিছত, মন্ত্ৰীয়ে ভাবিলে, ওচৰৰ অৰণ্যত কোনো এজন ডাঙৰ ঋষিৰ গুৰুকুলত অধ্যয়ন কৰি থকা ছাত্ৰসকলৰ মাজৰ পৰাই এজনক বাচি উলিওৱাটো উচিত হ'ব । এদিন, বেলি বুৰাৰ সময়ত, মন্ত্ৰী আৰু তেওঁৰ সঙ্গীসকল বাটৰুৱাৰ বেশ ধৰি এছটা শিলৰ ওপৰত বহিল আৰু ওচৰতে খেলি থকা গুৰুকুলৰ ছাত্ৰ সকলক নিৰীক্ষণ



কৰিবলৈ ধৰিলে । তাৰে এজন ছাত্ৰ সকলোৰে মৰমৰ আৰু শ্ৰদ্ধাৰ পাত্ৰ যেন লাগিল । তেওঁক খুব সম্ভ্ৰান্ত ঘৰৰ যেনো লাগিল । তেওঁলোকে খেলি থাকোতে হঠাতে ক'ৰপৰা জানো এছটা শিল আহি তেওঁৰ কপালত পৰিলহি । তেওঁৰ তেজ ওলাবলৈ ধৰিলে । দুজনমান লগৰীয়াই এজোপা বিশেষ গছৰ পাত বিচাৰি ফুৰিছিল যাতে তাৰ ৰস তেওঁৰ ক্ষতস্থানত লগাব পৰা যায় । বাকী সকলে শিলডোখৰনো ক'ৰ পৰা আহিছিল তাকে চাবলৈ বেলেগ বেলেগ দিশত গ'ল । তেওঁলোকে বাগিছাৰ অন্য এটা দিশৰ পৰা এটা মানুহ ঠেলি ঠেলি আনি তেওঁলোকৰ নেতাৰ আগত থিয় কৰালে ।

"তেওঁ শাস্তি পাব লাগে ।" এজনে ক'লে ।

"নিশ্চয়, আমি তেওঁৰ কপাললৈও

কেইটামান শিল দলিয়াও আহাঁচোন ।" আন এজনে ক'লে ।

কিন্তু তেওঁলোকৰ নেতাজনে মানুহজনলৈ শান্তভাৱে চাই সুধিলে "তুমি কিয় শিল দলিয়াইছিলা ?"

"মোৰ ভীষণ ভোক লাগিছিল। মই এজোপা গছৰ ওখ ডাল এটাত এটা পকা মধুৰী দেখিছিলো । মই সেইটো পাৰিব খুজিছিলো।" অপৰাধবোধৰ সুৰত মানুহজনে ক'লে ।

"মধুৰীটো তুমি পাৰিব পাৰিলানে ?" নেতাজনে আকৌ সুধিলে ।

"হয়, নিশ্চয় । কিন্তু মই দুখীত যে মই ইতিমধ্যেই সেইটো খাই শেষ কৰিলো ।" মানুহজনে ক'লে ।

"আহাঁ, আমি তোমাক আশ্ৰমৰ ৰান্ধনিশালতে কিবা ৰান্ধি খুৱাম। এতিয়া সন্ধিয়া হ'বৰ হৈছে । এই সময়ত অৰণ্যৰ মাজেদি খোজকাঢ়ি যোৱাটো উচিত কথা নহ'ব । তুমি ৰাতিপুৱা গুচি যাবা।" অচিনাকী মানুহজনক নিজৰ পঁজালৈ বাট দেখুৱাই নিওতে ল'ৰাজনে ক'লে।

"এয়া কি কৰিছা বন্ধু? তোমাক আঘাত কৰা মানুহজনক তুমি সহায় কৰিছা?" বাকী ছাত্ৰসকলৰ এজনে সুধিলে ।

"বন্ধুসকল, তেওঁ গছজোপালৈ এটা শিল দলিয়ালে আৰু গছ জোপাই প্ৰত্যুত্তৰত তেওঁক এটা ফল নিদিলেনে ? যদি এজোপা গছে সেইটো কৰিব পাৰে মই মানুহ হৈ তাতকৈ ভাল কিবা এটা কৰিব নোৱাৰোনে? যদি গছজোপাই এটা মধুৰীআম দিব পাৰে মই নিশ্চয় তেওঁক নিশাৰ আহাৰ খুওৱা উচিত ।" ল'ৰাজনে উত্তৰ দিলে ।

"এয়াই ৰাজোচিত স্বভাৱ ! সুন্দৰ ! এই ল'ৰাজন কোন হ'ব পাৰে ?"

বিস্মিত মন্ত্ৰী আৰু তেওঁৰ দলে ল'ৰাকেইজনক অনুসৰণ কৰিলে । তেওঁ ঋষিক নিজৰ পৰিচয় দিলে । ঋষিয়ে তেওঁক জানিবলৈ দিলে যে এই ল'ৰাজন আন কোনো নহয় স্বয়ং ব্ৰতশিলাৰ ৰাজকুমাৰ ।

মন্ত্ৰীয়ে ৰাণীৰ অনুৰোধত ব্ৰতশিলাৰ ৰাণীক লগ ধৰিলে আৰু পিছত দুয়ো ৰাণী মিলিত হ'ল ।

সুৱৰ্ণপুৰৰ ৰাজকুমাৰীয়ে ব্ৰতশিলাৰ ৰাজকুমাৰক বিয়া কৰালে । নকলেও হ'ব ৰাজকুমাৰ দুয়োখন ৰাজ্যৰে ৰজা হ'ল আৰু সঁচাকৈয়ে তেওঁ এজন জ্ঞানী আৰু দয়ালু শাসক হিচাবে পৰিগণিত হ'ল ।

আচৰিত সংযোগ

প্ৰায় অৰ্দ্ধ শতিকাৰ আগতে আমেৰিকাৰ নেব্ৰাছকাৰ বিয়েট্ৰিচ চহৰত এটা অকণমানি ধুনীয়া গীৰ্জা আছিল । তাত সদায় এটা গায়কৰ দলে সন্ধিয়া সময়ত সংগীত চৰ্চা কৰিছিল । আটাইকেউজন সংগীতজ্ঞ সদায় সময়মতে তাত উপস্থিত হৈছিলগৈ ।

কিন্তু ১৯৫০ চনৰ পহিলা মাৰ্চৰ দিনা এক আচৰিত ঘটনা ঘটিল ।

গীৰ্জাৰ পুৰোহিত ওৱাল্টাৰ কেম্‌পেনে সংগীত চৰ্চাৰ বাবে সকলো প্ৰস্তুত আছেনে নাই চাবলৈ গৈছিল । তেওঁ চিমনী জ্বলালে কাৰণ সন্ধিয়া ৭ বাজি ১৫ মিনিটত যেতিয়া সংগীতজ্ঞ সকল আহিব তেতিয়ালৈ ভীষণ ঠাণ্ডা পৰিব । তাৰ পিছত তেওঁ আহাৰ কৰিবৰ বাবে ঘৰলৈ গ'ল ।

সাত বাজি দহ মিনিটত তেওঁ পুনৰ তেওঁৰ পত্নী আৰু কন্যাৰ লগত গীৰ্জালৈ যাবলৈ ওলাল । কিন্তু তেওঁৰ পত্নীৰ পোছাকযোৰ সোঁত-মোচ যেন লাগিল সেয়ে তেওঁ সেইযোৰ ইস্ত্ৰী নকৰাকৈ যাবলৈ অমান্তি হ'ল । সেয়ে তেওঁলোকৰ সেইদিনা সংগীতৰ বৈঠকলৈ যোৱা পলম হ'ল আৰু যেতিয়া সেই অদ্ভুত ঘটনাটো ঘটিছিল তেতিয়াও তেওঁলোক ঘৰতে আছিল ।

হাৰ্ভি আল, পেছাত এজন যন্ত্ৰ বিশেষজ্ঞ । তেওঁৰ পত্নী আতঁৰত থকা হেতুকে তেওঁৰ দুই পুত্ৰৰ যত্ন ল'ব লগা হৈছিল । কিন্তু সেইদিনা অতি আচৰিতভাৱে তেওঁ নিজৰ বন্ধুৰ লগত ৰসাল আলোচনাত মজি গ'ল । যেতিয়া তেওঁৰ মনত পৰিল আৰু ঘড়ীলৈ চালে, তেতিয়া ইতিমধ্যেই সাত বাজি পোন্ধৰ মিনিট গৈছে ।

মেৰিলীন পল নামৰ পিয়ান' বাদক গৰাকীয়ে আকৌ সচাকৈয়ে সেইদিনা অনুশীলনৰ বাবে আধাঘণ্টা আগতে যাবলৈ সিদ্ধান্ত কৰিছিল । কিন্তু সন্ধিয়াৰ আহাৰ খোৱাৰ পিছতে তেওঁ অকণমান বাগৰ এটা মাৰি লওঁ বুলি ভাবোতেই

টোপনিত লালকাল দিলে। যেতিয়া তেওঁক মাকে জগায় তেতিয়া ইতিমধ্যেই সাত বাজি পোন্ধৰ মিনিট গৈছে। তেতিয়ালৈ আৰু হাত মুখ ধুই সময়মতে পাবলৈ বহুত পলম হৈ গৈছে।

সংগীত চৰ্চাৰ পৰিচালক শ্ৰীমতী ই.এফ.পল অৰ্থাৎ এই পিয়ান' বাদক গৰাকীৰ মাতৃৰ পলম হোৱাৰ কাৰণ দেখাতেই সাধাৰণ আছিল যে তেওঁৰ জীয়েকে সময়ত সাৰ নাপালে যদিও তেওঁ জগাবৰ চেষ্টা কৰিছিল। সেয়ে মাক-জীয়েক সেই সময়ত ঘৰৰ ভিতৰতে আছিল।

সেইদিনা ভীষণ ঠাণ্ডা আছিল। জইচ ব্লেক নামৰ ষ্টেনগ্ৰাফাৰ গৰাকীৰ সেইদিনা বৰ এলাহ এলাহ লাগিছিল। তেওঁ শেষ মুহূৰ্ত্তলৈকে নিজৰ অকণমানি ঘৰটোতে উম লৈ আছিল। কিন্তু যেতিয়া তেওঁ সংগীতলৈ বুলি যাবলৈ সাজু হ'ল সেই নাভূতনাশ্ৰুত ঘটনাটো ইতিমধ্যেই ঘটি গ'ল।

লাডনা ভেন্দগ্ৰিফ নামৰ হাইস্কুলীয়া ছাত্ৰী গৰাকী আকৌ জ্যামিতিৰ এটা সমস্যা লৈ ব্যস্ত হৈ পৰিছিল। তেওঁ জানিছিল যে সংগীতৰ অনুশীলন সাধাৰণতে সাত বাজি পোন্ধৰ মিনিটতে সদায় আৰম্ভ হয়। তেওঁ সদায় অলপ আগতে যোৱাটো নিয়ম কৰি লৈছিল। কিন্তু সেইদিনা তেওঁ জ্যামিতিৰ সমস্যাটোৰ বাবে সময়মতে তাত পাবগৈ নোৱাৰিলে।

চাদি আৰু ৰয়েনা ইষ্টচ সময়মতে সাজু হৈছিল। কিন্তু তেওঁলোকৰ গাড়ীৰ বিজুতি ঘটিল। সেয়ে তেওঁলোকে লাডনা ভেন্দগ্ৰিফক অনুৰোধ জনালে যে তেওঁৰ গাড়ীতে যেন তেওঁলোককো লৈ যায়। কিন্তু লাডনা তেতিয়াও জ্যামিতিৰ সেই জটিল সমস্যাটো লৈয়েই ব্যস্ত আছিল। ইষ্টচ ভগ্নীদ্বয় সেয়ে অপেক্ষা কৰিব লগা হ'ল। চহৰখনত সেই অসাধাৰণ ঘটনাটো ঘটাৰ সময়ত তেওঁলোক নিজৰ ঘৰতেই অপেক্ষা কৰি আছিল।

লুচিলে জনচ্ আৰু ডৰথী উড দুয়ো সহপাঠী আৰু প্ৰতিবেশী আছিল। তেওঁলোক দুয়ো সাধাৰণতে একেলগে গীৰ্জাৰ সংগীতলৈ যায়। কিন্তু সেইদিনা লুচিলেই এটা আমোদজনক ৰেডিঅ' অনুষ্ঠান শুনাত ব্যস্ত আছিল। অনুষ্ঠানটো সাতৰ পৰা চাৰে সাতৰ ভিতৰত চলি আছিল। সেইদিনা তেওঁ খৰতকীয়া আৰু সময়ানুবৰ্ত্তী বুলি থকা তেওঁৰ অভিলেখ ভংগ কৰিছিল। কাৰণ তেওঁ ৰেডিঅ'ৰ অনুষ্ঠানটো শেষলৈকে শুনিব খুজিছিল। সেয়ে, ডৰথীয়ে তেওঁৰ বান্ধৱীৰ বাবে অপেক্ষা কৰিছিল আৰু তেওঁ তেতিয়াও অপেক্ষা কৰি আছিল যি সময়ত বিয়েট্ৰিচত সেই আচৰিত ঘটনাটো ঘটিছিল।

শ্ৰীমতী লিঅনাৰ্ড চুষ্টাৰ আৰু তেওঁ অকণমানি জীয়েকে সেইদিনা সোনকালেই পালেগৈহেঁতেন। কিন্তু সেইদিনা সন্ধিয়া তেওঁ তেওঁৰ বৃদ্ধা মাতৃৰ ওচৰলৈ যাব লগা হ'ল। তেওঁৰ মাক এখন জৰুৰী সভালৈ যাব লগা আছিল। তেওঁ সেয়ে মাকক সাজু হোৱাত সহায় কৰিব লগা হৈছিল। সেয়ে ঘটনাটো ঘটাৰ সময়ত তেওঁ আৰু তেওঁৰ জীয়েক গীৰ্জা পোৱাগৈয়ে নাছিল।

আন এজন সংগীতজ্ঞ, হাৰ্বাট কিছ সদায়েই সাত বাজি ১৫ মিনিটৰ আগতেই পায়গৈ। কিন্তু সেইদিনা, তেওঁ আধা লিখা চিঠি এখন লিখিবলৈ বহিছিল। সেই সৰ্বনাশী ঘটনাটো যি সময়ত ঘটিছিল তেওঁ সেই সময়তো চিঠিখন লিখিয়ে আছিল।

সেইদিনা, ১৯৫০ চনৰ পহিলা মাৰ্চত, সেই গীৰ্জাটো, য'ত ৭ বাজি ১৫ মিনিটত সংগীতৰ অনুশীলন আৰম্ভ হোৱাৰ কথা আছিল, ঠিক দহ মিনিটৰ পিছত অৰ্থাৎ সাত বাজি পঁচিশ মিনিটত বিস্ফোৰণত বিধ্বস্ত হৈ পৰে। বিস্ফোৰণটোত বিয়েট্ৰিচ নামৰ অকণমানি চহৰখন কঁপি উঠিছিল। সন্ধিয়াৰ আকাশত অগ্নিস্ফুলিংগবোৰ কুণ্ডলী পকাই উঠি গৈছিল। দেৱালবোৰ ভাঙি গৈছিল আৰু কাঠৰ চালিবোৰ খহি পৰিছিল।

ভাগ্যক্ৰমে, গীৰ্জাটো সেই সময়ত জনশূন্য আছিল। সদায়েই সময়মতে আহে বুলি সুনাম থকা সংগীতজ্ঞৰ দলটোৰ প্ৰতিজনেই সেইদিনা কিবাস্বৰূপে পলম কৰিছিল। আৰু তেওঁলোকৰ পলম হোৱাৰ কাৰণবোৰো ইমানেই তুচ্ছ আছিল যেনে এটা ৰেডিঅ'ৰ অনুষ্ঠান, সোতমোচ খোৱা কাপোৰ, এখন অসম্পূৰ্ণ চিঠি, জ্যামিতিৰ এটা সমস্যা, অকণমান জিৰণিলোৱা আৰু গাড়ী বেয়া হোৱা ইত্যাদি। এয়া কেনেকৈ হ'ব পাৰে। এই সকলোবোৰ ঘটনা। ক্ৰমেহে মিলিছিলনে?

এই কাৰণবোৰ ইমান সহজ আছিলনে? বা তেওঁলোকে কিবা অচিনাকী শক্তিৰ প্ৰভাৱতে এনে কৰিছিল? এয়া এক ৰহস্য।

কিন্তু গীৰ্জাটো কেনেকৈ বিস্ফোৰিত হ'বলৈ পালে? সেয়া নিশ্চয়কৈ জনা নাযায়। কিছুমান বিশেষজ্ঞই পিছত ব্যাখ্যা কৰিছিল যে বিস্ফোৰণটো গীৰ্জাৰ বাহিৰত ভাঙি থকা এডাল পাইপৰ পৰা গীৰ্জালৈ গেছ নিৰ্গত হৈ থকাত আৰু কিবা স্বৰূপত জুইশালৰ পৰা অগ্নিসংযোগ হোৱাতেই সংঘটিত হৈছিল।

পিছত, যেতিয়া সংগীতজ্ঞ সকলে সেই ঘটনা মনত পেলায়, আৰু সেই দুৰ্ভগীয়া দিনটোত তেওঁলোকৰ নিজৰ কাৰ্য্যক্ৰমৰ কথা সোঁৱৰে ভগৱানৰ প্ৰতি কৃতজ্ঞতাত তেওঁলোকৰ বুকু ভৰি পৰে। কাৰণ তেওঁলোকে গভীৰভাৱে বিশ্বাস কৰিছিল যে ভগৱানৰ যাদুৱে সঁচাকৈ তেওঁলোকক সেইদিনা ৰক্ষা কৰিলে।

তোমালোকেও বাৰু সেইদৰে ভাবানে?

নগাসকলে কিয় ডিমৰু গছ নাকাটে

নগা লোকে কেতিয়াও ডিমৰু গছ নাকাটে। বহু দিনৰ আগতে তেওঁলোকে এটা প্ৰতিজ্ঞা কৰিছিল । কাহিনীটো এনে ধৰণৰ ।

এবাৰ এজন নগা ডেকাই তেওঁৰ গাৱঁৰ পৰা এশাৰী পাহাৰৰ মাজেদি যাওঁতে এখন ডাঠ হাবিৰ মাজেদি যাব লগা হৈছিল । তেওঁ এজন সাহসী নগা যুৱক আছিল কিন্তু হাবিখন ৰাক্ষস আৰু বিভিন্ন নিশাচৰ প্ৰাণীৰে ভৰা আছিল ।

নগা ডেকাজনে জানিছিল যে এই প্ৰাণীবোৰে কেৱল পিছফালৰ পৰাহে আক্ৰমণ কৰে কাৰণ সিহঁতে ছুৰী জাতীয় চোকা অস্ত্ৰলৈ ভয় কৰে । কিন্তু তেওঁ এইটোও জানিছিল যে এবাৰ সিহঁতে যদি তেওঁক ধৰিব পাৰে তেন্তে আৰু কোনো দয়া নেদেখুৱায় । নিৰ্দয় ভাৱে সিহঁতে তেওঁক ভক্ষণ কৰিব ।

এবাৰ এটা সৰু প্ৰাণীয়ে তাৰ জোঙা দাঁত আৰু ভয়ঙ্কৰ চকু মেলি তেওঁক আক্ৰমণ কৰিবলৈ আহিল । কিন্তু নগা জনে চকুৰ পচাৰতে সেই প্ৰাণীটোক টুকুৰা-টুকুৰকৈ কাটি পেলালে ।

কিন্তু ইতিমধ্যে সন্ধিয়া হৈ আহিছিল আৰু ডেকাজনে ভাবিলে যে এতিয়া আৰু তেওঁ লগ পোৱা সকলো প্ৰাণীকে বাধা দিব নোৱাৰিব । সেয়ে তেওঁ ৰাতিটো আশ্ৰয় ল'বৰ বাবে এডোখৰ উপযুক্ত ঠাইৰ সন্ধান কৰিবলৈ ধৰিলে ।

তেওঁ পাহাৰৰ ওপৰত বগা ফুলেৰে ভৰি থকা আবলুচ জোপাৰ ওচৰলৈ গ'ল ।

"এই ধুনীয়া গছজোপাই নিশ্চয়কৈ ভাল আশ্ৰয় দিব পাৰিব ।" তেওঁ ভাবিলে।

"অনুগ্ৰহ কৰি ৰাতিটোৰ বাবে মোক তোমাৰ ডালত আশ্ৰয় দিয়া," তেওঁ অনুৰোধ জনালে ।

"নহ'ব," বগা ফুলবোৰ

আৰু চিকচিকিয়া পাতবোৰ জোকাৰি আবলুচ গছজোপাই ক'লে । "মই সেইটো কৰিব নোৱাৰো । তোমাক বিচাৰি ৰাক্ষসবোৰে মোৰ ফুলবোৰ চিঙি পেলাব আৰু পাতবোৰ মুচৰি পেলাব আৰু তেতিয়া মই ক'ত থাকিম ? নাই নাই তুমি বেলেগ ঠাই বিচাৰা ।"

তেতিয়া প্ৰায় আন্ধাৰ হৈছিল আৰু ডেকাজন একেবাৰে হতাশ হৈ পৰিছিল । তেওঁ এজোপা চন্দন গছৰ ওচৰলৈ গ'ল । "মোক অকণমান আশ্ৰয় দিবানে ? নিশা ভূত-প্ৰেতবোৰে মোক টুকুৰা-টুকুৰকৈ খাই পেলাব নহ'লে," তেওঁ অনুৰোধ জনালে ।

"মই বৰ দুঃখীত । মই তোমাক সহায় কৰিবলৈ পোৱা হ'লে ভাল পালোহেঁতেন কিন্তু মই নোৱাৰো । আমি চন্দন গছবোৰে মানুহক আশ্ৰয় নিদিও ।" এইবুলি কৈ গছজোপাই নিজৰ পাতবোৰ জোকাৰি দিলে।

এজোপা ডিমৰু গছ ওচৰতে আছিল । ল'ৰাজনক এজোপাৰ পৰা আনজোপা গছলৈ আকুল হৈ ঘূৰি ফুৰা ডিমৰু গছজোপাই চাই আছিল । তেওঁক ইমানেই আতঙ্কিত দেখা গৈছিল যে গছজোপাৰ তেওঁলৈ পুতৌ হ'ল । "মোৰ ওচৰলৈ আহা," ডিমৰুজোপাই মৰমেৰে মাতিলে ।

"মোৰ ডালবোৰ বহল আৰু ঘন । সিহঁতে তোমাক নিশা ভূত-প্ৰেতবোৰৰ পৰা ৰক্ষা কৰিব । যিহেতু তুমি সিহঁতৰে এটাক ইতিমধ্যে হত্যা কৰিছা, নিশ্চয়কৈ সিহঁতে তোমাক বিচাৰি আহিব । সিহঁত যেতিয়া তোমাক বিচাৰি আহিব তেতিয়া তুমি এটাও শব্দ উচ্চাৰণ নকৰিবা আৰু উশাহো ন'লবা । বাকীখিনি মোলৈ এৰি দিবা ।"

সেয়ে ডেকাজনে গছজোপাৰ ঘন ডালবোৰৰ মাজত নিজকে ভালকৈ ঢাক খুৱাই লৈ সোমাই পৰিল । সেই সময়লৈ হাবিখন সম্পূৰ্ণ অন্ধকাৰ হৈ পৰিছিল । কেৱল পোক-পতঙ্গৰ চি-চিয়নিহে শুনা পোৱা গৈছিল ।

অলপ সময় পিছতে ক্ষুদ্ৰ ক্ষুদ্ৰ ভূত-প্ৰেতবোৰ ওলাই আহিল । সিহঁতে সিহঁতৰ ভায়েকক হত্যা কৰা মানুহটোৰ সন্ধানত আহিছিল । "সি ক'ত আছে ?" ইজোপাৰ পৰা সিজোপা গছৰ ওচৰলৈ গৈ সিহঁতে গৰজিবলৈ ধৰিলে ।

"আমাৰ ভাতৃক হত্যা কৰিবলৈ সাহস কৰা সেই মানুহটো ক'ত আছে ? আমাক ক, কাৰণ আমি তাক মাৰিবই লাগিব ।"

এটাই ক'লে। "নিশ্চয়," আন এটাই ক'লে। "আমি যেতিয়া তাক ধৰা পেলাম, তেতিয়া আমি তাক টুকুৰা-টুকুৰ কৰি পেলাম। তাৰ এডাল চুলি বা এটা দাঁতো থাকি নাযায়।"

সিহঁতে চিঞৰিবলৈ ধৰিলে আৰু সিহঁতৰ ভায়েকক হত্যা কৰিবলৈ সাহস কৰা মানুহটোক বিচাৰি চলাথ কৰি সকলোকে খঙেৰে ভাবুকি দিবলৈ ধৰিলে। সিহঁতে ইমান চিঞৰ-বাখৰ কৰিছিল যে কীট-পতঙ্গবোৰৰ চিঞৰ আৰু গছবোৰৰ মাজেদি বৈ অহা বতাহৰ শব্দ কোনেও শুনা নাছিল।

"মানুহটো ক'ত আছে ?" সিহঁতে তৰ্জন গৰ্জন কৰিলে।

"আমি সঁচাকৈয়ে নাজানো।" গছবোৰে ক'লে। অৱশেষত ডেকাজন লুকাই থকা ডিমৰু জোপাৰ ওচৰলৈ সিহঁতবোৰ আহিল। "সেই দুষ্ট মানুহটো ক'ত লুকাই আছে তুমি জানানে?" সিহঁতে সুধিলে।

ডিমৰুজোপা ফলেৰে গধুৰ হৈ পৰিছিল। সেয়ে গছজোপা আৰু তললৈ হালি দিছিল যেন ফলৰ ভৰতহে দোঁ খাই পৰিছে। তাৰ পাছত ই ক'লে, "মানুহটো ক'লৈ গ'ল মই সঁচাকৈয়ে নাজানো। তোমালোকে অৰণ্যৰ অন্য ফালে বিচৰাই ভাল হ'ব যেন পাইছো।"

ৰাক্ষসবোৰে খঙত গুজৰি-বলৈ ধৰিলে। কিন্তু সিহঁতে কৰিব পৰা একো নাছিল আৰু আক্ৰোশত আটাহ পাৰি অৱশেষত সিহঁত গুচি গ'লগৈ। যেতিয়া সিহঁতৰ চিঞৰবোৰ দূৰত গৈ নুশুনা হ'লগৈ তেতিয়াহে হাবিখনলৈ শান্তি ঘূৰি আহিল। যেতিয়া সকলো স্বাভাৱিক হৈ পৰিল, ডেকাজন গছৰ ডালবোৰৰ মাজৰপৰা ওলাই আহি ডিমৰুজোপাক সাবটি ধৰিলে।

"তুমি মোৰ বাবে যিখিনি কৰিলা সেয়া মই কেতিয়াও নাপাহৰো," তেওঁ কথা দিলে।

যেতিয়া তেওঁ নিজৰ গাৱঁৰ ঘৰ পালেহি, তেওঁ সকলোকে কথাখিনি বিৱৰি ক'লে আৰু লগতে ডিমৰু গছজোপা যে কিমান মৰমিয়াল সেই কথাও ক'লে। নগা ডেকাজন নিৰাপদে ঘূৰি অহাৰ আনন্দত সেই দিনা ৰাতিলৈ এটা ভোজৰ আয়োজন কৰা হ'ল। আৰু সেই নিশাই গোটেই গাওঁখনে ডিমৰু গছক ভৱিষ্যতেও সন্মান জনোৱাৰ অংগীকাৰ ল'লে।

সেয়ে কোনো নগা লোকে আনকি তেওঁলোকৰ পথাৰ বা চোতালৰ মাজভাগতে গজিলেও কেতিয়াও ডিমৰু গছ নাকাটে।

সংবাদ বিচিত্ৰা

গান্ধীজীৰ বিষয়ে এখন চৌব্বিশ ঘণ্টাৰ ৰচনা

জাতিৰ পিতাৰ ওপৰত বহুতো লিখা হৈছে ; গান্ধীজী নিজেও এজন নিয়মীয়া লেখক আছিল । কেৱল 'হৰিজন' নামৰ বাতৰি কাগজ খনতে নহয় অন্য বহুত কাকততে তেওঁ লিখিছিল । এই সকলোবোৰেইনন্দিনীক সহায় কৰিছিল, যেতিয়া চেন্নাইৰ এখন স্কুলত একাদশ শ্ৰেণীত পঢ়ি থকা এই ছাত্ৰী গৰাকীয়ে গান্ধীজীৰ ওপৰত একেৰাহে চৌব্বিশ ঘন্টা ধৰি এখন ৰচনা লিখাৰ সিদ্ধান্ত লৈছিল ।

এই সৃষ্টিশীল কামটোৰ বাবে তেওঁ বাচি লোৱা ঠাইৰ পৰিবেশ সুন্দৰ আছিল । কাৰণ তেওঁ এই অভিলেখৰ বাবে উপযুক্ত পৰিবেশ বিচাৰি চেন্নাইৰ মেৰিনাত থকা গান্ধী মন্দপাম বাচি লৈছিল । তেওঁ ফেব্ৰুৱাৰী মাহৰ এটা ৰাতিপুৱা ১০ বজাত লিখিবলৈ বহিছিল আৰু পিছদিনা ১০ বজাত তেওঁ এই যজ্ঞ শেষ কৰে । তেওঁ সমগ্ৰ ৰচনাখনত কোনো গ্ৰন্থ বা আন একোৰে সহায় নোলোৱাকৈ সকলো কথা নিজৰ স্মৃতিৰ পৰাই লিখিছিল । ইয়াৰ পৰাই সহজে অনুমান কৰিব পাৰি যে গান্ধীজীৰ বিষয়ে তেওঁ কিমান বেছি তথ্য আহৰণ কৰিছিল ।

নিৰন্তৰ সংগীত

তিৰুচিৰাপল্লীত অলপতে এ. এলেকেন্দাৰে প্ৰায় ২৪ ঘন্টা জোৰা এটা বৃহৎ সংগীতৰ অনুষ্ঠান পৰিবেশন কৰিছিল । তেওঁৰ উদ্দেশ্য আছিল ''গিণীজ বুক অভ্ ওৰ্ল্ড ৰেকৰ্ড'ত নাম অন্তৰ্ভূক্ত কৰা । সেয়ে লণ্ডনস্থ প্ৰকাশক সকলে ভাৰতীয় ''মেজিক হবি এছচিয়েশ্বন' আৰু 'ইন্টাৰনেশ্যনেল ব্ৰাদাৰহুড অভ্ মেজিচিয়ান' সকলক এই অন্যান্য অনুষ্ঠান চাবলৈ আৰু ইয়াৰ মৌলিকতা স্বীকাৰ কৰিবলৈ অনুৰোধ জনাইছে । দৰ্শকসকলৰ মাজত উচ্চ পদস্থ চৰকাৰী বিষয়া আৰু প্ৰচাৰ মাধ্যমৰ প্ৰতিনিধি সকল আছিল।

জীৱনৰ অৰ্থ

লক্ষ্মণৰ মাক-দেউতাক সি সৰু থাকোতেই ঢুকাল । সেয়ে গোটেই সম্পত্তিৰ সিয়েই গৰাকী হৈ পৰিল ।

লক্ষ্মণক মাক-দেউতাকে বৰ আদৰ-যত্নৰে ডাঙৰ কৰিছিল । তেওঁলোকে সদায় এটা কথাত চকু দিছিল যাতে সি একোতে কষ্ট নাপায় । সেই কাৰণে কষ্ট কি বস্তু আৰু উপাৰ্জন কৰিবলৈ কিমান কষ্ট কৰিব লাগে সি গমেই নাপাইছিল ।

লক্ষ্মণৰ স্বভাৱ ভাল আছিল আৰু তাৰ মনটোও পৰিস্কাৰ আছিল । তাৰ মনটো ইমানেই কোমল আছিল যে কোনোবাই গালি পাৰিলে বা তাক ঠাট্টা-মস্কৰা কৰিলে সি বৰ চিন্তিত হৈ পৰিছিল । সি নিজৰ মাক-দেউতাককো বিৰাট ভাল পাইছিল সেয়ে তেওঁলোকৰ মৃত্যুত সি ভাগি পৰিছিল।

লাহে-লাহে সি আহাৰ নিদ্ৰা ত্যাগ কৰিলে আৰু তেওঁলোকৰ কথা চিন্তা কৰি থাকিবলৈ ল'লে ।৮

তাৰ আত্মীয় আৰু বন্ধু-বান্ধৱে তাক বুজাবলৈ বহুত চেষ্টা কৰিলে । তেওঁলোকে তাক ক'লে যে জীৱন বহুত মূল্যৱান, মৃতজনক সুঁৱৰি সময় কটোৱাৰ কোনো অৰ্থ নাই । তেওঁলোকে তাক এইটোও জোৰ দি ক'লে যে তেওঁলোকৰ আত্মাক শান্তি দিব খুজিলে জীৱনত আগবাঢ়ি গৈ সাংসাৰিক জীৱন কটোৱাটোেই উচিত কাম হ'ব ।

কিন্তু লক্ষ্মণে কাৰো কথা নুশুনিলে । এনে সময়তে কেইজনমান স্বাৰ্থপৰ যুৱকে স্বাৰ্থ লৈ তাক নানান ধৰণেৰে ফুচুলাবলৈ ধৰিলে আৰু লাহে লাহে তাক নিজৰ হাতৰ মুঠিলৈ আনি ল'লে । নিজৰ উদ্দেশ্যৰ বাবে তাৰ পৰা বহুত ধন মোকলাবলৈ ধৰিলে আৰু তাকো খৰচ কৰোৱালে ।

এনে সময়তে, ৰামদাস নামৰ এজন মানুহ লক্ষ্মণৰ ঘৰলৈ আহিল । লক্ষ্মণে ভৰিৰ পৰা মূৰলৈকে চাই মানুহজনক সুধিলে, "আপুনি কোন ? কি সকামত আহিছে ?"

প্ৰমীলা দীক্ষিত

ৰামদাসে তাৰ এই প্ৰশ্নত মিচিকিয়াই হাঁহি ক'লে, "মই তোমাৰ দূৰ সম্পৰ্কীয় । সম্বন্ধত খুৰাদেউ । তোমাৰ খবৰখাতি ল'বলৈ আহিছোঁ ।" এই কথা শুনি লক্ষ্মণে কান্দি-কান্দি নিজৰ মাক-দেউতাক ঢুকোৱাৰ কথা জনালে ।

"ধৈৰ্য ধৰা লক্ষ্মণ । তোমাৰ দুখৰ অন্ত পেলোৱাৰ উপায় মই দিও শুনা । মোৰ কথা শুনিবানে?" ৰামদাসে সুধিলে ।

লক্ষ্মণে চকু মোহাৰি ক'লে, "কওকচোন।"

"ইয়াতে থাকিলে পুৰণি স্মৃতিয়ে তোমাৰ পিছ নেৰিব । মোৰ লগত মোৰ গাৱঁলৈ ওলোৱা । তাত এটা বৰ ডাঙৰ ঘৰ বিক্ৰী কৰাৰ কথা চলিছে । তাত আৱামেৰে থাকিব পাৰিবা । এই জঞ্জালবোৰৰ পৰা বহুত দূৰত থাকিব পাৰিবা," ৰামদাসে ক'লে ।

পিছদিনা দুয়ো ৰূপনগৰলৈ যাবলৈ ওলাল। লক্ষ্মণে নিজৰ লগত বহুতো পইচাও ল'লে কাৰণ সি সেই ৰামদাসে খবৰ দিয়া ঘৰটো কিনাৰ কথা আছিল।

যেতিয়া সিহঁত ৰূপনগৰৰ ওচৰ পালেগৈ তেনেতে অকস্মাতে চাৰিটা ডকাইতে সিহঁতৰ ওপৰত আক্ৰমণ চলালে আৰু ছুৰী দেখুৱাই সিহঁতক ডাবি-ধমকি দি লক্ষ্মণৰ পৰা ধনৰ মোনা কাঢ়ি লৈ পলাই গ'ল ।

লক্ষ্মণে হাও-হাওকৈ কান্দিবলৈ ধৰিলে আৰু ক'লে, "খুৰা, এয়া কি হৈ গ'ল !" এইদৰে কৈয়ে সি তাতে বহি পৰিল ।

ৰামদাসে তাক উঠালে আৰু ধৈৰ্য ধৰিবলৈ ক'লে, "চিন্তিত নহ'বা । এই ডকাইতকেইটা



ধৰাৰ কিবা উপায় বিচাৰিম ।" তাৰ পিছত দুয়ো লক্ষ্মণৰ গাৱঁৰ ফালে ঘূৰি গ'ল ।

এতিয়া তাৰ ঘৰখনেই তাৰ একমাত্ৰ সম্পত্তি ৰ'লগৈ। এইখন ঘৰ বেচাৰ ইচ্ছা তাৰ নাছিল । সি জানিছিল যে ঘৰটো বেচি দিলে থাকিবৰ কাৰণে ঠাই নাথাকিব । একমাত্ৰ আশ্ৰয়কণো নোহোৱা হৈ যাব । এতিয়া তাৰ একমাত্ৰ লক্ষ্য, জীয়াই থাকিবৰ বাবে ধন ঘটা ।

ৰামদাসে তাক সাহস দিয়াৰ উদ্দেশ্যে ক'লে, "লক্ষ্মণ, মই নিজৰ গাৱঁলৈ গৈ অলপ পইচা লৈ আহোঁ । সেই পইচাৰে তোমাৰ কাৰণে খেতিৰ উপযোগী মাটি কিনিম । খেতি-বাতি কৰি তুমি নিজৰ জীৱন কটাব পাৰিবা । কিছু দিন ময়ো তোমাৰ লগতে ইয়াতে থাকিম আৰু তোমাৰ সহায় কৰিম।"

ধন আনি দি ৰামদাসে নিজৰ কথা ৰাখিলে। গাওঁবুঢ়াৰ সহায়ত গাৱঁৰ বাহিৰত এডোখৰ খেতিৰ মাটি কিনিলে । লক্ষ্মণৰ লগতে ৰামদাসেও মাটিডোখৰ খেতিৰ উপযোগী কৰাত বহুত কষ্ট কৰিলে । পাকঘৰৰ কামত আৰু অন্য কামতো দুয়ো ইজনে সিজনক সহায় কৰিবলৈ ধৰিলে ।

এদিন সন্ধিয়া যেতিয়া তেওঁলোক দুয়ো বন্ধা-বঢ়াৰ কামত নিমগ্ন আছিল তেতিয়া গাওঁবুঢ়াৰ ষোল বছৰীয়া ছোৱালী গৌৰী তালৈ আহিল আৰু তেওঁলোকক দেখি আচৰিত হৈ ক'লে, "বাপ ৰে, এয়া কি হৈছে ? মতা মানুহ হৈ পাকঘৰৰ কাম কৰিছে । কোনোবাই কোৱা শুনি মোৰ দেউতাই মোক ইয়ালৈ পঠাইছে । কাইলৈৰ পৰা আমাৰ বন্ধা-বঢ়া কৰা বাইজনীক আপোনালোকৰ ইয়ালৈ পঠাম ।" এইদৰে কৈ তাই গোটেই ঘৰটো এবাৰ চাই ল'লে আৰু গুচি গ'ল ।

বছৰটো পূৰা হোৱাৰ আগতেই ভাল শস্য হ'ল । ৰামদাস আৰু লক্ষ্মণে ধান চপালে । লক্ষ্মণ আনন্দত অধীৰ হ'ল । তাকে দেখি ৰামদাসে মৰমতে তাৰ পিঠিত থপৰিয়াই ক'লে, "লক্ষ্মণ, তোমাৰ যি পৰিৱৰ্ত্তন হৈছে, তাত তুমি নিশ্চয় মন দিছা । এই ছমাহত তুমি নিজৰ মা-দেউতাকো মনত পেলোৱা নাই । তেওঁলোকৰ কথা মনত পেলাই তুমি চিন্তিত নহ'বা । বচ, যি হেৰাই গ'ল তাক পাহৰি যোৱা আৰু পিছৰ জীৱনটো লৈ তুমি চিন্তিত হোৱা ।"

লক্ষ্মণে আচৰিত হৈ ক'লে, "হয়, সেয়া সঁচা কথা ।"

ৰামদাসে ক'লে, "ইয়াকে জীৱন বুলি কয়। মানুহৰ সকলোতকৈ ডাঙৰ প্ৰয়োজনটো হৈছে, ক্ষুধা নিবাৰণ কৰা । যেতিয়া তেওঁৰ পেট ভৰি থাকে, সকলো প্ৰকাৰৰ সুবিধা তেওঁ পাই থাকে, তেতিয়া অৰ্থহীন চিন্তা কৰি নিজৰ সময়ৰো অপব্যয় কৰে । সেয়েহে মানুহে সদায় কিবা নহয় কিবা কামত ব্যস্ত হৈ থাকিব লাগে । ধন উপাৰ্জন কৰিব লাগে। নিজৰ অৱস্থাৰ সলনি কৰিব লাগে আৰু অন্যকো সহায় কৰিব লাগে । তেতিয়া কোনো দুখেই তেওঁক আৰু বশীভূত কৰিব নোৱাৰে।"

"হয়, আপুনি একেবাৰে ঠিক কথা কৈছে খুৰাদেউ ।" এইদৰে কৈ সি হাতযোৰ কৰি তেওঁক প্ৰণাম কৰিলে ।

ৰামদাসে লক্ষ্মণক ক'লে, "গাওঁবুঢ়াই

তোমাৰ পিতাৰাক বৰ ভাল পাইছিল । যেনেদৰে মই তোমাৰ দূৰ সম্পৰ্কীয় হওঁ তেনেকৈ তেওঁও মোৰ দূৰ সম্পৰ্কীয় আত্মীয়। গাওঁবুঢ়া গংগাৰামে দেখিলে যে মা-দেউতাৰাৰ মৃত্যুৰ পিছতে তুমি বৰ ম্রিয়মান হৈ পৰিলা আৰু স্বাৰ্থপৰ কেইটামানৰ ছলনাত বলি হ'লা তেতিয়া তেওঁ মোক খবৰ দিলে আৰু পূৰা বিৱৰণ দিলে । তেৱেঁই মোক ইয়ালৈ তোমাৰ উদ্ধাৰৰ বাবে পঠিয়াইছে । যিকেইটা ডকাইতে তোমাৰ পইচা লৈ গ'ল সেইকেইটা সঁচাকৈ ডকাইত নাছিল । সিহঁত গাওঁবুঢ়াই পঠিওৱা মানুহ আছিল । পইচাখিনি তেওঁৰ ওচৰতে সুৰক্ষিত অৱস্থাত আছে । তুমি গংগাৰামৰ ছোৱালী গৌৰীক দেখিছা নহয় । তাই আমাৰ সহায়ৰ কাৰণে কেৱল ৰন্ধা-বঢ়া কৰা বাইজনীক পঠিওৱাই নহয় বৰঞ্চ তুমি যেতিয়া ঘৰত নাথাকা তেতিয়া কেতিয়াবা কেতিয়াবা ইয়ালৈ আহি ৰন্ধা বস্তুবোৰ জুতি লগা হৈছেনে নাই চাই যায়হি। তাই জানিব খোজে বাইয়ে ৰন্ধা বস্তু সোৱাদ লগা হৈছেনে নাই । তোমাৰ কোনো ধৰণৰ অসুবিধা নোহোৱাটোৰে তাই বিচাৰে ।" এপলক ৰৈ ৰামদাসে সুধিলে, "গৌৰীৰ বিষয়ে তুমি কি ক'ব খোজা ?"

"ধুনীয়া ছোৱালী, উদ্যমী আৰু বৰ সোনকালেই অন্যৰ লগত মিলিব পাৰে," লক্ষ্মণে সংকোচ ভৰা-মাতেৰে ক'লে ।

তাকে শুনি ডাঙৰকৈ হাঁহি ৰামদাসে ক'লে, "গংগাৰামে নিজৰ ছোৱালীৰ বিষয়ে তোমাৰ মতামত জানিবলৈ উৎসুক হৈ আছে। এতিয়া গম পালো যে গৌৰী তোমাৰ পচন্দ হৈছে গৌৰীৰো তোমাক ভালেই লাগিছে । এই কথা মই গংগাৰামকো ক'মগৈ। সোনকালেই আমি তোমালোকৰ বিয়া পাতি দিম ।" এই সকলোবোৰ শুনি লক্ষ্মণে ভিতৰি বৰ ভাল পালে । তাৰ ভাব হ'ল জীৱনটো সঁচাকৈয়ে নতুন নতুন আনন্দ আৰু আশাৰ বাবেহে, দুখ-চিন্তাৰ বাবে নহয় ।

ইয়াৰ অলপ দিনৰ পিছত লক্ষ্মণ আৰু গৌৰীৰ বিবাহ ধুমধামেৰে হৈ গ'ল । নিজৰ কাম পুৰা হোৱাৰ পিছত ৰামদাস নিজ গাৱঁলৈ ঘূৰি গ'ল ।

আগ্ৰহ

ৰঘুনাথ বাৰ বছৰ বয়সৰ হ'ল, কিন্তু গুৰুকূলত শিক্ষা লাভ কৰিও তাৰ শিক্ষা আধা হৈ ৰ'ল। সি পঢ়া-শুনাত নিজৰ মন বহুৱাব নোৱাৰিছিল। অলপতে হোৱা পৰীক্ষাতো সি উত্তীৰ্ণ হ'ব নোৱাৰিলে। তেতিয়াৰ পৰাই তাৰ দুখৰ কাহিনী আৰম্ভ হ'ল।

দেউতাকে তাক অকৰ্মণ্য বুলি গালি দিলে। আগতে মাকে তাৰ কাৰণে বিধে-বিধে খোৱাবস্তু ৰান্ধিছিল, এতিয়া সময়মতে খাবলৈয়ো নিদিয়ে। ৰঘুনাথে তাকে দেখা পাই বৰ দুখ পালে। আকৌ পৰীক্ষাৰ কাৰণে প্ৰস্তুতি চলাবলৈ সি বৰ টান পালে।

এদিন সি নিজৰ ঘৰৰ বাৰান্দাতে চকীত বহি আছিল। আগদিনাখন সি নিজৰ বন্ধুবৰ্গৰ লগত বল খেলোতে অলপ দুখো পাইছিল। সেই ঘাঁডোখৰতে মাখি পৰিছিলহি। সি মাখিবোৰ দূৰলৈ খেদি পঠাইছিল। কিন্তু পুনৰ সিহঁত আহি তাতে পৰিছিলহি। এই কথাত সি বিৰক্ত হৈ পৰিল আৰু গালি দিবলৈ ধৰিলে।

সেই সময়তে মুকুন্দ নামৰ এজন অধ্যাপক সেই ৰাস্তাৰেই গৈ আছিল। ৰঘুনাথৰ চিঞৰ শুনি তেওঁৰ দৃষ্টি তাৰ ফালে গ'ল। তেওঁ ৰঘুনাথক সোধাত তাৰ খঙৰ কাৰণ জানিব পাৰিলে। পূৰা বিৱৰণ লোৱাৰ পিছত মুকুন্দই ক'লে, "চা ৰঘু, যেতিয়া মাখিৰ দৰে সৰু জীৱ এটাই নিজৰ পচন্দৰ বস্তু পাবলৈ ইমান আগ্ৰহ কৰে, কষ্ট কৰে, তেন্তে সকলো জীৱৰ ভিতৰতে বুদ্ধিমান আৰু শক্তিমান মনুষ্যৰ কিমান আগ্ৰহ হোৱা উচিত। ভালকৈ ভাবি চাচোন।"

মুকুন্দৰ এই কথাত ৰঘুনাথে ভাবিবলৈ ধৰিলে। বচ্ সেইদিনাৰ পৰা সি মনপুতি পঢ়িবলৈ ধৰিলে। এমাহৰ পিছত প্ৰশ্ন কাকতত থকা সকলো প্ৰশ্নৰ উত্তৰ সি সহজতে কৰি পেলালে আৰু প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হ'ল।



পাঠকৰ বাবে গল্প প্ৰতিযোগিতা

শ্ৰেষ্ঠ চিঠিখনৰ বাবে ২৫০ টকা

তলত দিয়া গল্পটো পঢ়া :

বিজয়পুৰীৰ ৰজাই ৰাতি ছদ্মবেশত ৰাজ্যত ঘূৰি ফুৰিছিল । বহুতো মানুহক তেওঁ পথৰ দাঁতিত আৰু ডাঙৰ গছৰ তলত শুই থকা দেখিবলৈ পাই আচৰিত হৈছিল । তেওঁ ঠিক কৰিছিল যে তেওঁৰ ৰাজ্যত কোনো এটা পৰিয়ালেই ঘৰ নোহোৱাকৈ থাকিব নালাগে । গোটেই ৰাজ্যতে এটা ঘোষণা শুনোৱা হ'ল যে যিসকলে এটা ঘৰ বিচাৰে তেওঁলোক এটা নিৰ্দিষ্ট দিনত প্ৰাসাদত গোট খাব লাগে ।

হাজাৰ হাজাৰ লোক প্ৰাসাদত সমবেত হ'ল। ৰজাৰ মনটো বেয়া লাগিল কাৰণ তেওঁৰ ইমানবোৰ মানুহৰ কাৰণে ঘৰ সাজি দিবলৈ সম্পদ নাছিল ।

ৰজা বিপদত পৰা দেখি তেওঁৰ জ্ঞানী মন্ত্ৰীয়ে এটা সমাধান উলিয়ালে । এতিয়া কল্পনা কৰাচোন মন্ত্ৰীয়ে মানুহবোৰক কি বুলি ক'ব ।

- তেওঁ মানুহবোৰক বৰঙণি বিচাৰিছিল নেকি ?
- তেওঁলোকক ঘৰ নিৰ্মাণ কৰাত গাৰে খাটি দিবলৈ কোৱা হৈছিল নেকি ?
- যদি ধন বা শ্ৰম খোজা হোৱা নাছিল, মন্ত্ৰী গৰাকীয়ে মানুহবোৰৰপৰা কি বিচাৰিছিল ?

এশৰ পৰা ডেৰশ শব্দৰ ভিতৰত তোমাৰ উত্তৰ লিখি পঠাবা আৰু গল্পটোৰ লগত খাপ খোৱাকৈ এটা নাম দিবা । তলত দিয়া কূপন খনেৰে সৈতে তোমাৰ গল্পটো এটা খামৰ ভিতৰত ভৰাই ওপৰত 'গল্প প্ৰতিযোগিতা' বুলি লিখি পঠিয়াবা ।

শেষ তাৰিখ : ৩০ মেই, ২০০৪

নাম .... বয়স............. জন্মৰ তাৰিখ..................

স্কুল.. শ্ৰেণী............

ঘৰৰ ঠিকনা...

.... পিন নম্বৰ................

অভিভাৱকৰ চহী প্ৰতিযোগীৰ চহী

চান্দমামা ইণ্ডিয়া লিমিটেড

৮২, ডিফেন্স অফিচাৰ্চ কলনী, একাডুথাংগাল, চেন্নাই - ৬০০০৯৭.

নিগনি নগণ্য নহয়

ব্ৰহ্মদত্ত তেতিয়া আছিল কাশীৰ ৰজা । সেই কালত বোধিসত্ত্ব ব্যৱসায়ী পৰিয়ালত জন্মগ্ৰহণ কৰাত তেওঁক 'সৰু বেপাৰী' নামেৰে অভিহিত কৰা হৈছিল ।

এদিন ৰাজসভালৈ গৈ থাকোঁতে বোধিসত্ত্বই বাটত মৰা নিগণি এটা পৰি থকা দেখা পাই নিজক নিজেই ক'লে : যিকোনো বুদ্ধিমান মানুহে এই মৰা নিগনিটোৰে বেপাৰ আৰম্ভ কৰি নিজৰ বিয়াৰ খৰচ উলিয়াব পাৰে।

তেওঁৰ কথাবোৰ আন এজন যুৱকৰ কাণতো পৰিল । এই যুৱকজন ভাল বংশৰ কিন্তু দুখীয়া । বোধিসত্ত্বৰ কথা বেদবাক্যৰ দৰে মানি লৈ যুৱকে মৰা নিগনিটো বাটৰ পৰা বুটলি লৈ এজন মানুহৰ ওচৰলৈ গ'ল । সেই মানুহজনৰ এজনী মেকুৰী আছিল । মেকুৰীৰ খাদ্য হিচাপে মৰা নিগনিটোক বেচি যুৱকে এক পইচা পালে ।

যুৱকে এপইচাৰে গুৰ কিনিলে আৰু এটা মাটিৰ চৰুত খোৱাপানীৰ লগত গুৰ মিহলাই লৈ যুৱক বাটৰ এদাঁতিত বহিল । এই বাটেদি খৰি-লোৱা আৰু ফুলবোটলাহঁতে অহাযোৱা কৰিছিল । খৰিলোৱা আৰু ফুল বোটলা মানুহবিলাকে গুৰৰ চৰৱৎ খাই যুৱকজনক দাম হিচাপে খৰি আৰু ফুল দিলে । সেইবোৰ বেচি যুৱকে দহটা ৰূপৰ মুদ্ৰা পালে ।

এদিন প্ৰচণ্ড ধুমুহা উঠিল । ৰজাৰ উদ্যানৰ অসংখ্য গছ ভাঙি পৰিল । যুৱকজনে উদ্যানৰ মালীক ক'লেগৈ, "মোক যদি এইবোৰ গছ-ডাল-পাত দিয়া--মই তোমাৰ উদ্যান পৰিস্কাৰ কৰি দিব পাৰোঁ ।" যুৱকৰ কথাত মালীয়ে ভাল পালে আৰু তৎক্ষণাৎ মান্তি হ'ল ।

যুৱকজনে কিছুমান সৰু সৰু ল'ৰাক এই কামত লগালে আৰু সিহঁতক গুৰ খুৱায়েই কামটো আদায় কৰি ল'লে ।

যুৱকজনে এইবোৰ বেচি পঁচিছটা ৰূপৰ মুদ্রা পালে।

তাৰ পাছত যুৱকজন পোনেই ঘাঁহকটীয়াহঁতৰ গাঁৱলৈ গ'ল। আঁচনি এটা সি আগৱেপৰাই কৰিছিল। যুৱকে সেইঠাইৰ পাঁচশ ঘাঁহ-কটীয়াক গুৰৰ চৰৱৎ খুৱালে। এই চৰৱৎ খাই ঘাঁহকটীয়াহঁতে অত্যন্ত ভাল পালে আৰু যুৱকজনক ক'লে, "আমাৰ পইচাপাতি নাই, গতিকে চৰৱতৰ দাম আমি দিব নোৱাৰিম। পিছে--যেতিয়াই আৱশ্যক হ'ব, আমি তোমাক সহায় কৰি দিম।"

কিছুদিনৰ পাছত যুৱকজনে আন এজন বেপাৰীৰপৰা জানিব পাৰিল যে, দুইএদিনৰ ভিতৰত বহু দূৰদেশৰপৰা এজন ঘোঁৰাৰ কাৰবাৰী কাশীলৈ আহিব ঘোঁৰা বেচিবলৈ। ঘোঁৰাৰ কাৰবাৰীজনৰ লগত পাঁচশ ঘোঁৰা আছে। যুৱক তৎক্ষণাৎ ঘাঁহকটীয়াহঁতৰ ওচৰলৈ গ'ল আৰু ক'লে, "কাইলৈ তোমালোকেৰ প্রত্যেকে মোক এবোজাকৈ ঘাঁহ দিবা আৰু সেই পাঁচশ বোজা ঘাঁহ মই নেবেচালৈকে তোমালোকে কাৰো ওচৰত ঘাঁহ নেবেচিবা।" ঘাঁহকটীয়াহঁতে পাছদিনা ৰাতিপুৱা যুৱকজনৰ ঘৰৰ আগত পাঁচশ বোজা ঘাঁহ থৈ দিলে।

ঘোঁৰাৰ কাৰবাৰীজনে ঘোঁৰাবিলাকক খুৱাবলৈ আন ক'তো ঘাঁহ নাপাই যুৱকজনৰপৰা পাঁচশ বোজা ঘাঁহ এহাজাৰ মুদ্রাত কিনিবলৈ বাধ্য হৈছিল।

এদিন যুৱকজনে এটা বিশেষ সংবাদ পালে যে, এই নগৰৰ জাহাজঘাটত বিভিন্ন দ্রব্য



সামগ্ৰী লৈ এখন জাহাজ আন এখন দেশৰ পৰা আহি পাবহি । খবৰটো পায়েই যুৱকজনে এটা পৰিকল্পনা কৰিলে ।

বাছকবনীয়া সাজ-পাৰ পিন্ধি যুৱকজন সুদৃশ্য গাড়ী এখনত উঠি তালৈ গৈ জাহাজৰ আটাইখিনি দ্ৰব্য-সামগ্ৰী কিনি ল'লে । দ্ৰব্য-সামগ্ৰীখিনিৰ মূল্য তেতিয়ালৈকে যুৱকে পৰিশোধ কৰা নাছিল । দালালহঁতৰ পৰা খবৰ পাই ডাঙৰ কাৰবাৰীহঁত বাধ্যত পৰি এই যুৱকজনৰ কাষ চাপিল । দ্ৰব্যসামগ্ৰীবোৰ আছিল অত্যন্ত আকৰ্ষণীয় । গতিকে, নিকিনিলেও নহয় । যুৱকজনে সমুদায় দ্ৰব্য-সামগ্ৰী তেওঁলোকৰ ওচৰত বেচি প্ৰায় দুই লাখ ৰূপৰ মুদ্ৰা পালে ।

জাহাজৰ মালিকৰ প্ৰাপ্য পৰিশোধ কৰাৰ পাছতো যুৱকৰ হাতত এক লাখ ৰূপৰ মুদ্ৰা থাকিল ।

তাৰ পাছত যুৱকজন এদিন বোধিসত্ত্বৰ ওচৰলৈ গ'ল আৰু কাৰবাৰৰ লাভ হিচাপে পোৱা এক লাখ ৰূপৰ মুদ্ৰা বোধিসত্ত্বক দেখুৱালে । 'সৰু বেপাৰী' নামেৰে খ্যাত বোধিসত্ত্বই সেই যুৱকক প্ৰশ্ন কৰিলে, “ইমান মুদ্ৰা তুমি কেনেকৈ লাভ কৰিলা ?”

“আপোনাৰ উপদেশ মনত ৰাখি যোৱা চাৰি মাহ ধৰি সৰুসুৰা কাৰবাৰ কৰি মই এইখিনি মুদ্ৰা গোটাব পাৰিলোঁ ।” এই বুলি কৈ যুৱকজনে মৰা নিগনি বেচাৰপৰা আৰম্ভ কৰি জাহাজৰ দ্ৰব্য-সামগ্ৰী কিনা আৰু বেচাৰ কথাবোৰলৈকে আদ্যোপান্ত বোধিসত্ত্বৰ ওচৰত বিৱৰিলে ।

যুৱকজনৰপৰা সকলো কথা শুনি বোধিসত্ত্ব চমৎকৃত হ'ল । বোধিসত্ত্বই ভাবিলে : ইমান পৰিশ্ৰমী, অধ্যৱসায়ী আৰু বুদ্ধিমান যুৱকজনক আপোন কৰি লোৱাই ভাল । এই কথা ভাবি তেওঁ নিজৰ জীয়েকৰ সৈতে যুৱকজনৰ বিয়া দিলে।

বোধিসত্ত্বৰ মৃত্যুৰ পাছত এই যুৱকজন 'শ্ৰেষ্ঠী' অৰ্থাৎ সম্ভ্ৰান্ত ব্যৱসায়ী উপাধিপ্ৰাপ্ত হ'ল । বুদ্ধিমান, ধৈৰ্য্যশীল আৰু বিচক্ষণ ব্যৱসায়ী হিচাপে যুৱকজনৰ নাম বহু দূৰ দেশতো বিয়পি পৰিছিল । অধ্যৱসায়ৰ ফল তেওঁ হাতে-হাতে পালে।





বিষ্ণুকথা

ভগৱান বিষ্ণুৱে জয় আৰু বিজয়ক ক'লে,- 'মহামুনিসকলৰ শাপ মিছা প্ৰমাণিত হ'ব নোৱাৰে । তোমালোক দুয়ো মোৰ প্ৰতি বন্ধু ভাৱ ৰাখি সাত জনমলৈকে উদ্ধাৰ পাব খোজা নে মোৰ প্ৰতি বিদ্বেষ ভাৱ ৰাখি শত্ৰু হৈ থাকি তিনি জনমলৈকে মোৰ হাতত মৃত্যু লাভ কৰি ইয়ালৈ আহিব খোজা ?''

এই কথাত জয় আৰু বিজয়ে তিনি জনমলৈকে বিষ্ণুৰ সান্নিধ্য পোৱাৰ বৰদান খুজি ল'লে ।

জয়-বিজয়ৰ এই ইচ্ছাৰ প্ৰশংসা কৰি মুনিসকলে বিষ্ণুক ক'লে,--''ভগৱান, আমি এতিয়াহে এই ৰহস্যৰ কথা গম পালো যে আপোনাৰ দৃষ্টিত অনুৰাগ আৰু বিদ্বেষ দুয়ো সমান আৰু যি সকল লোক আপোনাৰ প্ৰতি বিদ্বেষী তেওঁলোক আপোনাৰ আৰু ঘনিষ্ঠ হৈ পৰে । আপোনাৰ দ্বাৰপালক সকলক হঠাতে মই শাপ দিলোঁ, মই নিজৰ কৰ্মৰ বাবে অনুতপ্ত । অনুগ্ৰহ কৰি মোক ক্ষমা কৰক।' ইয়াৰ পিছত লক্ষ্মী আৰু নাৰায়ণৰ স্তুতি কৰি তেওঁলোক তাৰ পৰা গুচি গ'ল ।

ইয়াৰ পিছত জয় আৰু বিজয় কাশ্যপ প্ৰজাপতিৰ পত্নী দ্বিতীৰ গৰ্ভত হিৰণ্যকশিপু আৰু হিৰণ্যক্ষৰ ৰূপত জন্ম হ'ল ।

হিৰণ্যকশিপুৱে ৰাক্ষসৰ ৰজা হৈ বিষ্ণুৰ মুখামুখি হ'বলৈ সিদ্ধান্ত কৰিলে ।

হিৰণ্যাক্ষই বিষ্ণুৰ কোপত পৰিবলৈ অনেক অত্যাচাৰ কৰিলে আৰু পৃথিৱীক হেচি-হেচি ৰসাতল্ সমুদ্ৰলৈ ঠেলি পঠিয়ালে। পৃথিৱী ৰসাতল সমুদ্ৰত বুৰ গ'ল। ভূদেৱীয়ে বিষ্ণুৰ স্তুতি কৰি নিজৰ উদ্ধাৰ কৰিবলৈ প্ৰাৰ্থনা কৰিলে । বিষ্ণুৱে ভূদেৱীৰ ওপৰত অনুগ্ৰহ কৰি দশ অৱতাৰৰ ভিতৰত তৃতীয় বৰাহৰ অৱতাৰ ল'লে ।

যজ্ঞ বৰাহে ৰসাতল সমুদ্ৰৰ ভিতৰত সোমাই তাৰ তলত বুৰি থকা পৃথিৱীক নিজৰ শিঙেৰে ওপৰলৈ উঠালে । সেই সময়তে হিৰণ্যাক্ষই বৰুণৰ ওপৰত আক্ৰমণ কৰি যুদ্ধৰ বাবে তেওঁক উচটালে ।

বৰুণে ক'লে,--"তুমি তো মোৰ লগত যুদ্ধ নকৰা, তুমি তো মহান বীৰ । সেয়েহে তুমি পৃথিৱী ওপৰলৈ উঠোৱা পৰম শক্তিশালী যজ্ঞ বৰাহৰ লগত যুদ্ধ কৰিব লাগিব ।"

সেই কথাত হিৰণ্যাক্ষই তৎক্ষণাত যজ্ঞ বৰাহৰ লগত যুদ্ধত নামিল ।

বৰাহৰ ৰূপধাৰী বিষ্ণুৰ লগত হিৰণ্যাক্ষই পৰাক্ৰমেৰে যুদ্ধ কৰি বিষ্ণুৰ গদা ওফৰাই পেলালে । ইয়াৰ পিছত তেওঁলোক দুয়োৰে মাজত ভয়ঙ্কৰ সংগ্ৰাম আৰম্ভ হ'ল । অৱশেষত, বৰাহ অৱতাৰে নিজৰ শিঙেৰে হিৰণ্যাক্ষক বধ কৰিলে ।

বৰাহ অৱতাৰ ৰূপ ধাৰী বিষ্ণুক ভূদেৱীয়ে বৰ হিচাবে মানিলে । বৰাহমূৰ্ত্তিয়ে ভূদেৱীক উঠাই নিজৰ উৰুৰ ওপৰত বহুৱাই ল'লৈ । ব্ৰহ্মা আদি দেৱতাসকলে তেওঁলোকৰ ওপৰত পুষ্পবৃষ্টি কৰিলে আৰু জগপতিৰ ৰূপত অনেক প্ৰকাৰে বিষ্ণুৰ স্তুতি কৰিলে ।

বৰাহ অৱতাৰ ধাৰণ কৰি নিজৰ ভায়েকক বধ কৰা বিষ্ণুৰ ওপৰত প্ৰতিশোধ লোৱাৰ সংকল্পৰে হিৰণ্যকশিপুৱে ব্ৰহ্মাৰ পৰা বৰদান লাভ কৰিবলৈ ইচ্ছা কৰিলে । সেই উদ্দেশ্যে তেওঁ ব্ৰহ্মাক সন্তুষ্ট কৰিবলৈ তপস্যা কৰিবলৈ গ'ল । সেই সময়ত তেওঁৰ পত্নী লীলাৱতী গৰ্ভৱতী আছিল ।

লীলাৱতীৰ গৰ্ভ বিছিন্ন কৰিবলৈ ইন্দ্ৰই মায়াজাল ৰচিলে আৰু তেওঁক বন্দী কৰি

ব্ৰহ্মাৰ হোম কৰাৰ সময়ত যজ্ঞ কুণ্ডৰ পৰা শুভ্ৰ কান্তি মণ্ডিত এক কণা ওলাই আহিল আৰু বাঢ়ি বাঢ়ি সি বনৰীয়া গাহৰিৰ ৰূপ ধাৰণ কৰিলে । সেই গাহৰিক বিষ্ণুৰ অৱতাৰ মানি লৈ দেৱতা সকলে যজ্ঞ বৰাহ, থেত বৰাহ আৰু আদি বৰাহৰ ৰূপত তেওঁৰ স্তুতি কৰিবলৈ ধৰিলে ।

যজ্ঞ বৰাহে বিশাল ৰূপ ধাৰণ কৰিলে । তাৰ ভৰিবোৰ বলিষ্ঠ আছিল, তাৰ চৰ্ম ইস্পাতৰ দৰে আছিল, হাত আছিল বজ্ৰৰ দৰে কঠিন আৰু তাৰ চকুৰ পৰা তৰুণ কান্তি প্ৰসাৰিত হৈছিল । সি গুজৰি হুঙ্কাৰ দিবলৈ ধৰিলে । সেই যজ্ঞ বৰাহৰ মূৰত খড়গৰ দৰে শিঙ ধক ধক কৈ জিলিকি আছিল ।

বৰাহৰ অৱতাৰে তীব্ৰ গতিৰে ৰসাতলৰ ফালে দৌৰিবলৈ ধৰিলে । তেওঁৰ গতিয়ে উৎপন্ন কৰা কম্পনত দশোদিশ কঁপি উঠিল । প্ৰলয় কালীন ধুমুহা ববলৈ ধৰিলে ।

আকাশ মাৰ্গেদি লৈ যাব ধৰিলে, সেই সময়তে নাৰদে তেওঁক পাই ক'লে,-- "ইন্দ্ৰ, আপুনি কেনেকুৱা অন্যায় কৰিব খুজিছে। আপুনি আপোনাৰ এই প্ৰয়াস ত্যাগ কৰক । সদায় হিৰণ্যকশিপুৰে ঈৰ্ষাবশতঃ বিষ্ণুক স্মৰণ কৰে, সেই কাৰণে লীলাৱতীৰ গৰ্ভত বাঢ়িবলৈ ধৰা শিশুৱো বিষ্ণুক স্মৰণ কৰাৰ অভ্যাস হৈ গৈছে। বিষ্ণুৰ প্ৰতি হিৰণ্যৰ দ্বেষ সেই শিশুৰ ভিতৰত ভক্তিৰ ৰূপত পৰিণত হৈ গৈছে । লীলাৱতীয়ে মহান বিষ্ণুভক্ত জন্ম দিবলৈ ওলাইছে । সেয়ে আপুনি লীলাৱতীক মুক্ত কৰি নিজ ধামলৈ যাওক ।" এইবুলি বুজাই নাৰদে লীলাৱতীক নিজৰ আশ্ৰমলৈ লৈ আহিল ।



আশ্ৰমত নাৰদে দাৰ্শনিক কথাৰ লগে লগে বিষ্ণুৰ গুণানুকীৰ্ত্তনো কৰি গৈছিল । সেই সময়ত লীলাৱতীৰ গৰ্ভত স্থিত সন্তানটোৱে বৰ মনোযোগেৰে শুনি আছিল। কালান্তৰত লীলাৱতীয়ে এটি পুত্ৰ সন্তান জন্ম দিলে ।

হিৰণ্যকশিপুৰে ঘোৰ তপস্যা কৰি ব্ৰহ্মাক সন্তুষ্ট কৰিলে । ব্ৰহ্মাই তেওঁক বৰ খুজিবলৈ ক'লে । সেই কথাত তেওঁ এনেকুৱা অনেক বৰ খুজিলে, যাৰ ফলত তেওঁৰ মৃত্যু পৃথিৱী বা আকাশ, দিন বা ৰাতি, ঘৰত বা বাহিৰত, পশু বা মানৱ, দেৱতা বা কোনো অন্য প্ৰাণীৰ দ্বাৰা নহব । লগতে সৃষ্টিৰ কোনো জীৱধাৰীৰ দ্বাৰাও তেওঁৰ যাতে মৃত্যু নহয় । এনে অনেক বৰ তেওঁ ব্ৰহ্মাৰ পৰা লাভ কৰিলে। ব্ৰহ্মাই তেওঁক সকলো বৰ দি দিলে।

ব্ৰহ্মাৰ পৰা বৰ লাভ কৰি হিৰণ্যকশিপুৰে যেতিয়া বিজয় গৰ্বেৰে ঘূৰি আহিছিল, তেতিয়া ৰাস্তাত নাৰদৰ মুখে সকলো গম পাই তেওঁৰ আশ্ৰম পালেগৈ আৰু নিজৰ পুত্ৰৰ নাম প্ৰহ্লাদ ৰাখিলে । ইয়াৰ পিছত নিজৰ পত্নী আৰু পুত্ৰক লৈ ৰাজধানী পালেগৈ ।

হিৰণ্যকশিপুৰে সকলোতকৈ আগতে ইন্দ্ৰৰ ওপৰত প্ৰতিশোধ ল'ব খুজিলে । তেওঁ স্বৰ্গৰ ওপৰত আক্ৰমণ কৰি ইন্দ্ৰৰ সিংহাসন অধিকাৰ কৰি ল'লে । সকলো দিশৰ ওপৰত বিজয়ী হৈ দিকপাল সকলকো নিজৰ অধীন কৰি ল'লে । দেৱতা সকলক জ্বলাবলৈ ধৰিলে । যেতিয়া শচীদেৱীক অপমান কৰিব খুজিলে লীলাৱতীয়ে তেওঁক বাধা দিলে । তথাপিও যেতিয়া তেওঁৰ খং শাম নাকাটিল তেতিয়া তেওঁ মুনিসকলৰ আশ্ৰম জ্বলাই দিলে । বিষ্ণুৰ ভক্তসকলৰ ওপৰত আক্ৰমণ চলাবলৈ আৰম্ভ কৰিলে । অৱশেষত বিষ্ণুৰ মুখামুখি হৈ নিজৰ লক্ষ্য মানি তেওঁ ভীতি প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিলে । তথাপিও তেওঁৰ বিষ্ণুৰ লগত ক'তো দেখা সাক্ষাৎ নহ'ল ।

শেষত তেওঁ বৈকুণ্ঠ অধিকাৰ কৰি বহিল । তাতো বিষ্ণুৰ লগত তেওঁৰ দেখা নহল ।

"মোলৈ ভয় কৰি বিষ্ণু ক'ৰবাত অদৃশ্য হৈ লুকাই আছে । কাপুৰুষ ক'ৰবাৰ !" এইদৰে কৈ হিৰণ্যকশিপু নিজৰ ৰাজধানীলৈ ঘূৰি আহিল ।

প্ৰহ্লাদে বয়স বাঢ়ি অহাৰ লগে লগে বিষ্ণুৰ উপাসনা কৰিবলৈ ধৰিলে । হিৰণ্যকশিপুৱে এই কথা ভাবি চিন্তিত হৈ পৰিল যে এনেকুৱা বংশদ্ৰোহী তেওঁৰ ঘৰত কেনেকৈ জন্ম হ'ল । প্ৰহ্লাদৰ বিদ্যাশিক্ষাৰ বাবে হিৰণ্যকশিপুৱে তেওঁক নিজৰ গুৰুপুত্ৰ ষন্দ আৰু মৰ্কৰ হাতত সঁপি দিলে ।

প্ৰহ্লাদে গুৰুৰ ওচৰত হৰিৰ নাম লৈ লৈ নিজৰ বিদ্যা সমাপ্ত কৰিলে । নিজৰ সহপাঠীসকলৰ মাজতো বিষ্ণুভক্তিৰ প্ৰচাৰ কৰি তেওঁলোকৰ মনতো মুক্তি মাৰ্গৰ প্ৰতি অভিৰুচি জগালে ।

বিদ্যাৰ সমাপ্তিত ষন্দ আৰু মৰ্কই প্ৰহ্লাদক হিৰণ্যকশিপুৰ হাতত অৰ্পণ কৰিবলৈ আহিল । হিৰণ্যকশিপুৱে নিজৰ পুত্ৰক মৰমেৰে কোলাত বহুৱাই লৈ সুধিলে-"বাছা, তুমি শিকা এটা পদ্য মোক গাই শুনোৱাচোন !"

প্ৰহ্লাদে নিজৰ মধুৰ কণ্ঠেৰে এটা পদ্য গাই শুনালে, যাৰ অৰ্থ--"মই নিজৰ গুৰুৰ সকলো বিদ্যা পূৰ্ণ ৰূপত আয়ত্ব কৰিলো ! সেই সকলো বিদ্যাৰ ভিতৰত শ্ৰেষ্ঠ বিদ্যা হৈছে বিষ্ণুৰ প্ৰতি চিত্ত নিবিষ্ট কৰা । বিষ্ণুক স্মৰণ কৰিলে প্ৰত্যেক ব্যক্তিৰ জন্ম সাৰ্থক হৈ পৰে।"

প্ৰহ্লাদৰ মুখত এনে কথা শুনি হিৰণ্যকশিপু খঙত কঁপি উঠিল আৰু প্ৰহ্লাদক নিজৰ কোলাৰ পৰা তললৈ ঠেলা মাৰি দি গুৰুসকলৰ ফালে চাই ক'লে, তোমালোকে মোৰ পুত্ৰক এই শিক্ষাকে দিছা নে?

ষন্ড আৰু মৰ্ক দুয়ো থৰথৰকৈ কঁপি কঁপি ক'লে--"ৰাজন, ইয়াত আমাৰ কোনো দোষ নাই ! আপুনি অনুগ্ৰহ কৰি আমাৰ ওপৰত ক্ৰোধান্বিত নহ'ব ।" এনেকৈ কৈ তেওঁলোকে গুৰুকুলত প্ৰহ্লাদৰ ব্যৱহাৰৰ সম্পূৰ্ণ বিৱৰণ দিলে ।

হিৰণ্যকশিপুৱে নিজৰ পুত্ৰক বুজালে--"বিষ্ণুৱে বৰাহৰ ৰূপ ধাৰণ কৰি তোমাৰ খুৰাদেৱক বধ কৰিছিল । তেওঁ আমাৰ ৰাক্ষসকুলৰ পৰম শত্ৰু । বিষ্ণুৰ নাম লোৱাটো আমাৰ বংশৰ বাবে ঘোৰ অপমানৰ কথা । ই অক্ষমনীয় অপৰাধ । তুমি তেওঁক স্মৰণ কৰটো ত্যাগ কৰা ।"

প্ৰহ্লাদে শান্ত স্বৰে ক'লে--"পিতাদেৱ, আপুনি দানৱৰ ৰজা । মোক শাপ দিবলৈয়ো আপুনি সংকোচ কৰিব নালাগে । কিন্তু মই

কি কৰিম ! যিদৰে লোহাৰ টুকুৰা চুম্বকৰ প্ৰতি আকৃষ্ট হয় সেইদৰে মোৰ মনটোও বিষ্ণুৰ প্ৰতি আকৃষ্ট হয় । যিদৰে ভ্ৰমৰে কমলিনীক পাহৰিব নোৱাৰে সেইদৰে ময়ো বিষ্ণুক পাহৰিব নোৱাৰো । এই কাম মোৰ দ্বাৰা অসম্ভৱ । মোৰ শৰীৰত প্ৰাণ থকালৈকে বিষ্ণুক পাহৰাটো মোৰ বাবে অসম্ভৱ । মোৰ আত্মাই বিষ্ণুস্বৰূপ ।"

সৰু ল'ৰাটোৰ মুখত এনে কথা শুনি হিৰণ্যকশিপু বিস্ময়ত হতবাক হ'ল । পিছ মুহূৰ্ত্ততে ক্ৰোধত গৰজি ক'লে-"তেন্তে তোমাৰ মৃত্যু নিশ্চিত । তুমি অন্ন-জলৰ অভাৱত মৰি যোৱা ।"

ইয়াৰ পিছত প্ৰহ্লাদক কাৰাগাৰত নিক্ষেপ কৰিলে । পুত্ৰ প্ৰেমত লীলাৱতীয়ে হাহাঁকাৰ কৰি উঠিল ।

দিন পাৰ হৈ গ'ল । লীলাৱতীৰ দুখ দেখি হিৰণ্যকশিপুৱে প্ৰহ্লাদক কাৰাগাৰৰ পৰা মুক্তি দিলে । বিষ্ণুৰ ধ্যান কৰি কৰি তন্ময় অৱস্থাত অত্যন্ত দীপ্তিমান হৈ থকা নিজ পুত্ৰক দেখি হিৰণ্যকশিপুৱে আশ্চৰ্য বিভোৰ হৈ ভাবিলে যে কেইবাদিনো অন্ন-জল নোহোৱাকৈ এঁও কেনেকৈ জীৱিত হৈ থাকিব পাৰিলে । পুনৰ ক্ৰোধান্বিত হৈ সেই বালকক হাতীৰে গছকাই মাৰিবলৈ আদেশ দিলে ।

হাতীয়ে প্ৰহ্লাদক দেখি ইমানকৈ ভয় খাই উঠিল যেন সমুখত সিংহহে দেখিছে । হাতীৰে মাউতে হাতীটোক প্ৰহ্লাদৰ ওপৰত উঠিবলৈ প্ৰবুদ্ধ কৰিলে । কিন্তু বালকৰ চুলি এডালো বেঁকা নহল ।

পুনৰ সৰ্প দংশনৰ দ্বাৰা এই বালকৰ মৃত্যু ঘটাবৰ চেষ্টা কৰোৱা হ'ল কিন্তু সৰ্পই সেই বালকক মৰমেৰে চুমা খাই ফণা তুলি নাচিবলৈ

ধৰিলে । ইয়াৰ পিছত প্ৰহ্লাদক পাহাৰৰ শিখৰৰ পৰা তললৈ পেলোৱা হ'ল, সমুদ্ৰলৈ দলিয়াই দিয়া হ'ল, বিষ পান কৰোৱা হ'ল তথাপিতো প্ৰহ্লাদক জীৱিত দেখি হিৰণ্যকশিপুৱে তেওঁক সুধিলে--"তুমি নমৰা কিয় ? ইয়াৰ আঁৰত কি ৰহস্য আছে?"

প্ৰহ্লাদে হাঁহি উত্তৰ দিলে--"ইয়াত কোনো ৰহস্যৰ কথা নাই । হাতীৰ দেহত, সাপৰ দেহত, আনকি পাহাৰ, বিষ আদিতেই নহয়, আপোনাৰ আৰু মোৰ ভিতৰতো বিষ্ণু বিৰাজমান ! এই সত্য আপুনি বুজি পোৱা নাই ! মোক মাৰিবলৈ কৰা যত্ন আৰু মই জীয়াই থকা এই সকলো তেওঁৰ লীলাৰ মহিমা পিতাদেৱ ।"

প্ৰহ্লাদৰ কথাত হিৰণ্যকশিপু খঙত উতলি উঠিল । তেওঁ পুতেকৰ বাহুত ধৰি ৰাজসভাৰ মাজলৈ টানি আনিলে আৰু নিজৰ গদা হাতত তুলি ল'লে । সেই দৃশ্য দেখি লীলাৱতী বেহুচ হৈ পৰিল । চাৰিওফালে ঘেৰি থকা সকলো দৈত্য ভয় খাই মূৰ্ত্তিৰ দৰে থৰ হৈ ৰ'ল ।

সভা মণ্ডপৰ সমুখত লোহাৰে নিৰ্মিত এটা বিজয় স্তম্ভ আছিল । হিৰণ্যকশিপুৱে সেই স্তম্ভ দেখুৱাই প্ৰহ্লাদক সুধিলে,--"হে কুলদ্ৰোহী, এইটো মোৰ বিজয়স্তম্ভ । মোৰ কনিষ্ঠ ভাতৃক বধ কৰা বিষ্ণুৰ লগত যুদ্ধ কৰি তোৰ চকুৰ আগতে তাৰ সংহাৰ কৰিম আৰু এনেকৈয়ে মই প্ৰতিশোধ ল'ম । তোৰ বিষ্ণু সেই স্তম্ভটোৰ ভিতৰত আছে নে ?"

"আপুনি সন্দেহ কৰাৰ কোনো প্ৰয়োজন নাই । তেওঁ সৰ্বত্ৰ বিৰাজমান আৰু এই স্তম্ভটোৰ ভিতৰতো আছে ।" প্ৰহ্লাদে স্পষ্ট উত্তৰ দিলে ।

হিৰণ্যকশিপুৱে তীব্ৰ বেগেৰে গৈ সেই স্তম্ভৰ ওপৰত গদাৰে প্ৰহাৰ কৰিলে । প্ৰলয় ধ্বনিৰে সৈতে পৃথিৱী আৰু আকাশ গৰ্জি উঠিল । ধোঁৱাৰ ডাৱৰে চাৰিওফালে ছানি ধৰিলে । স্তম্ভটো দ্বিখণ্ডিত হৈ ফাটি পৰিল । তাৰ ভিতৰৰ পৰা হুংকাৰ কৰি দশঅৱতাৰৰ চতুৰ্থ নৰসিংহ অৱতাৰ ধাৰণ কৰি বিষ্ণুৰ আৱিৰ্ভাৱ হ'ল । সিংহৰ মূৰ, মানৱৰ দেহ, হাতত সিংহৰ দৰে নখ, এনেকুৱা অপূৰ্ব ৰূপ লৈ নৰসিংহই প্ৰলয়ংকৰ ধ্বনিৰে গৰজি উঠিল। সেই সময়ত এনেকুৱা লাগিছিল যেন পাঞ্চজন্য ফুঁকা হৈছে । সুদৰ্শন চক্ৰ তেওঁৰ চাৰিওদিশে ঘূৰি থকা দেখা গৈছিল ।

কঠিন প্ৰশ্ন সহজ উত্তৰ

সকলোৱে স্বীকাৰ কৰে যে জ্ঞানানন্দ স্বামী এজন উচ্চস্তৰৰ পণ্ডিত আছিল। গাৱঁৰ পৰা বহু দূৰৰ সৰোবৰৰ ওচৰত এক সুন্দৰ উদ্যান বনত তেওঁ বিদ্যালয় প্ৰতিষ্ঠা কৰি সুচাৰু ৰূপে চলাই আছিল।

পোন্ধৰ বছৰ বয়সতে তেওঁ ঘৰ ত্যাগ কৰে আৰু বিদ্যা-প্ৰাপ্তিৰ বাবে বহুতো প্ৰান্তলৈ গ'ল আৰু সকলোতে শ্ৰেষ্ঠ পণ্ডিত সকলৰ দ্বাৰা জ্ঞান লভিলে।

যেতিয়া পঞ্চাশ বছৰ পূৰা হ'ল, নবদ্বীপৰ পৰা তেওঁ ঘূৰি আহিল আৰু এই বিদ্যালয় স্থাপন কৰিলে। এই সুপ্ৰসিদ্ধ বিদ্যাপীঠত প্ৰৱেশ কৰাটো সিমান সহজ কাম নাছিল।

যি এই বিদ্যাপীঠত পাচ বছৰলৈকে শিক্ষা গ্ৰহণ কৰে, তেওঁলোকৰ ইমান জ্ঞান হয় যে তেওঁলোকে যি কোনো অনুষ্ঠানতে সহজেই চাকৰি পাব। সেই কাৰণে বহুতো বিদ্যাৰ্থী সুদূৰ প্ৰান্তৰ পৰা তালৈ আহে আৰু এই গুৰুৰ ওচৰত শিক্ষা লভি নিজকে ধন্য মানে।

ইয়ালৈ আহিব খোজাসকলৰ বৌদ্ধিক ক্ষমতা আৰু সময়-জ্ঞান জুখিবৰ বাবে এই বিদ্যাপীঠত পৰীক্ষা লোৱা হয়। তাত যিসকল উত্তীৰ্ণ হয়, তেওঁলোকহে বিদ্যাপীঠত প্ৰৱেশ কৰিব পাৰে।

এদিন সন্ধিয়া ওঠৰ বছৰীয়া এজন যুৱক গুৰু জ্ঞানানন্দ স্বামীৰ ওচৰলৈ আহিল। তেওঁৰ ভৰি চুই উঠি তেওঁ ক'লে, "গুৰুদেৱ, আপোনাৰ বিদ্যাপীঠৰ খ্যাতিৰ কথা শুনি বহুত দূৰৰ পৰা আহিছো। আমাৰ পৰম বাঞ্চিত আকাংখ্যা যে আপোনাৰ সম্মানিত সংস্থাত, আপোনাৰ দৰে মহান গুৰুৰ ছত্ৰছায়াত বিদ্যা গ্ৰহণ কৰো। আপোনাৰ বিদ্যাপীঠত শিক্ষা লাভ কৰাৰ সুযোগ অনুগ্ৰহ কৰি দিয়ক।"

জ্ঞানানন্দ স্বামীয়ে কেইক্ষণ মানলৈ সেই যুৱকক মনোযোগেৰে চালে। যুৱক জনৰ

জিতেন আৰ্য

মুখত তেজস্বিতা ফুটি উঠিছে । তেওঁক সৌম্য আৰু বিনম্ৰ যেন লাগিছিল । তেওঁৰ ব্যক্তিত্বত গাম্ভীৰ্য আৰু অনুসন্ধিৎসুৰ ভাৱ প্ৰকট হৈছিল ।

হাত যোৰ কৰি সেই যুৱকক তেওঁ ক'লে, "বিদ্যাপীঠত ভৰ্ত্তি হোৱাৰ আগতে মই প্ৰত্যেকৰে এটা পৰীক্ষা লওঁ । সেয়া সাধাৰণতে সৰু পৰীক্ষা । মোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ দিব পাৰা যদি ধৰি লোৱা তুমি বিদ্যাপীঠত স্থান পাবা ।"

"ঠিক আছে, উত্তৰ দিবলৈ মই সাজু আছোঁ । সোধক গুৰুদেৱ," সেই নম্ৰ যুৱকে ক'লে ।

"তোমাক দহটা সাধাৰণ প্ৰশ্ন সোধো নে এটা কঠিন প্ৰশ্ন ?" মিচিকিয়াই হাঁহি গুৰুদেৱে সুধিলে ।

"ক্ষমা কৰক গুৰুদেৱ, মই নিবিচাৰোঁ যে দহটা প্ৰশ্ন কৰি আপুনি আপোনাৰ মূল্যৱান সময় নষ্ট কৰক । সেয়ে আপুনি এটাই কঠিন প্ৰশ্ন কৰক ।" যুৱকজনে ক'লে।

"তেন্তে খোকোজা নলগাকৈ তুৰন্তে উত্তৰ দিবা । প্ৰথমতে বীজৰ সৃষ্টি হৈছিল নে গছৰ?" জ্ঞানানন্দ স্বামীয়ে সুধিলে ।

"গছৰ গুৰুদেৱ," যুৱকে ক'লে ।

আশ্চৰ্য প্ৰকাশ কৰি যুৱকক ভালকৈ চাই তেওঁ সুধিলে, "তুমি তো উত্তৰ এনেকৈ দিলা। যে প্ৰশ্নটোৰ বাবে তুমি যেন আগৰে পৰা সাজু হৈ আছিলা।"

"তথাপিও তুমি কেনেকৈ জানিলা যে গছৰ আগতে সৃষ্টি হ'ল !" গুৰুৱে পুনৰ প্ৰশ্ন কৰিলে।

যুৱকে ক'লে, "ক্ষমা কৰিব গুৰুদেৱ ! আপুনি কৈছিল নহয় যে মোক এটাহে প্ৰশ্ন সুধিব । কিন্তু আপুনি সোধা এইটো দ্বিতীয় প্ৰশ্ন । গতিকে সবিনয় নিবেদন কৰিব খোজো যে পিছৰ প্ৰশ্নটোৰ উত্তৰ দিয়াৰ কোনো প্ৰয়োজন নাই ।

তেওঁৰ এই উত্তৰত গুৰু প্ৰথমতে নিশ্চয় আচৰিত হ'ল । কিন্তু পিছত হাঁহি সেই যুৱকৰ সূক্ষ্ম বুদ্ধি আৰু সময়বোধ দেখি সন্তুষ্ট হ'ল।

তেওঁ সেইদিনাই বিদ্যাপীঠত যুৱকক প্ৰৱেশৰ অনুমতি দিলে ।

সাপৰ উপহাৰ

এসময়ৰ কথা । এজন খেতিয়কৰ ঘৰত গিৰিজা নামৰ এজনী দুখীয়া ছোৱালীয়ে কাম কৰিছিল । তাই অনাথ আছিল আৰু নিজৰ জীৱিকাৰ বাবে তাই কাম কৰিব লগাত পৰিছিল । খেতিয়ক জনে তাইক একো মজুৰী নিদিছিল আৰু বহুত কঠিন পৰিশ্ৰম কৰিবৰ বাবে তাইক বাধ্য কৰাইছিল । কিন্তু অন্ততঃ তাই তিনিবাৰ খাবলৈ পাইছিল আৰু শুবৰ বাবে এখন বিছনা পাইছিল । গিৰিজাই যিহকে নাপাওক তাৰ বাবে তাই খেতিয়ক জনৰ ওচৰত কৃতজ্ঞ আছিল ।

এদিন ৰাতিপুৱা খেতিয়কজনৰ পত্নীয়ে তাইক মাতি ক'লে, "গিৰিজা, অ' গিৰিজা, যাচোন, গাইজনীৰ গাখীৰ খীৰাই আনগৈ ।" গোহালিটো তাৰ পৰা বহুত দূৰত আছিল আৰু বৰষুণ দি আছিল । গোহালিটো পাওঁতে-পাওঁতে তাই তিতি গ'ল । তথাপি ঠাণ্ডাত কঁপি কঁপি তাই গাখীৰ খীৰাবলৈ ধৰিলে । যেতিয়াই তাইৰ পাত্ৰটো ভৰিল তেতিয়া তাই পিছফালে ফোঁচফোঁচ শব্দ শুনিলে । পিছফালে ঘূৰি তাই দেখিলে যে এটা বৰ ডাঙৰ সাঁপ তাইৰ ফালে আগবাঢ়ি আহি আছে । তাৰ মূৰত এটা সোণৰ মুকুট আছিল । গিৰিজাৰ মুখৰ পৰা চিঞৰ ওলাব খুজিছিল কিন্তু তাৰ চকুত চকু পৰাৰ লগে লগে তাই ৰৈ গ'ল । সাপটোৰ চকু দেখি তাইৰ এনে লাগিছিল যে সি খুব পিয়াহত আছে আৰু সাপটোৰ প্ৰতি তাইৰ দয়া উপজিল । তাই বাল্টিটো হাওলাই দিলে আৰু সাপটোৱে গাখীৰ খালে । তাৰ পিছত সন্তুষ্ট হৈ গিৰিজাৰ ফালে কৃতজ্ঞতা ভৰা দৃষ্টিৰে চালে আৰু পিছ মুহূৰ্ত্ততে অদৃশ্য হৈ গ'ল ।

গিৰিজাই দেখি ভয় খালে যে সাপটোৱে গোটেইখিনি গাখীৰ পি খালে আৰু পাত্ৰটোৰ তলিতে অকনমান গাখীৰ থাকি গ'ল । তাই গম পালে যে খেতিয়কৰ পত্নীয়ে আজি তাইক খং কৰিব আৰু সম্ভৱতঃ তাইক খাবলৈ নিদিব । তাই ভয়ে ভয়ে ঘৰৰ ভিতৰ সোমাল।

গিৰিজা, গাইজনীৰ গাখীৰ খিৰালিনে?" পাকঘৰৰ পৰা খেতিয়ক পত্নীয়ে সুধিলে।

"হয় ।" লাহেকৈ গিৰিজাই মাত দিলে .

সদায় তাইৰ পাত্ৰৰ গাখীৰ খাবলৈ ধৰিলে। কিন্তু ঘৰ আহি পোৱাৰ পিছত প্ৰতিবাৰেই গাখীৰ চপচপীয়া হৈ থাকে । খেতিয়ক পত্নীয়ে আশা কৰাতকৈও অধিক গাখীৰ পাবলৈ ধৰিলে । তাকে দেখা পাই তেওঁৰ আশা বাঢ়ি গৈছিল হয়, তেওঁ এটা কথাত অৱশ্যে আচৰিত হৈছিল যে গিৰিজাই গাখীৰ খীৰালে গাখীৰ কিয় বেছি দিয়ে। কিন্তু সৌভাগ্যবশতঃ তেওঁ নিজে ইয়াৰ পৰীক্ষা ল'বলৈ নগ'ল । সেয়ে, স্বৰ্ণমুকুট পিন্ধা সাপৰ বিষয়ে কোনেও নাজানিলে ।

লাহে-লাহে সাপৰ লগত গিৰিজাৰ বন্ধুত্ব হ'বলৈ ধৰিলে, কাৰণ সি তাইৰ জীৱনটো বৰ সহজ কৰি দিছিল। তাই ভাবে, যদি মই তাৰ লগত কথা পাতিব পাৰিলোহেঁতেন । তথাপিও, যদিও সাপটোৱে কথা ক'ব নোৱাৰিছিল, তাৰ চকুত বিশ্বাস আৰু কৃতজ্ঞতাৰ চিন দেখা গৈছিল ।

দিনবোৰ পাৰ হৈছিল । গিৰিজা এতিয়া এজনী সুন্দৰী যুৱতী হৈ উঠিল। অনেক যুৱক খেতিয়কে তাইক প্ৰেম নিবেদন কৰিলে আৰু বিবাহ কৰিব খুজিলে। খেতিয়ক আৰু তেওঁৰ পত্নীয়েও গম পালে যে গিৰিজা আৰু তেওঁলোকৰ লগত বেছি দিন থাকিব নোৱাৰিব । সেয়ে, তেওঁলোকে তাইৰ প্ৰতি ভাল ব্যৱহাৰ কৰিবলৈ ধৰিলে ।

গিৰিজাই গৰুৰ গাখীৰো খীৰাই থাকিল আৰু ঘৰৰ অন্য কাম-কাজো কৰি থাকিল । তাই কাক বিয়া কৰাব ঠিক কৰা নাছিল । অৱশেষত, গিৰিজাই এনেকুৱা এজন যুৱক পালে যি বাকীবোৰতকৈ বেলেগ আছিল । সেয়ে, তেওঁৰ প্ৰস্তাৱ তাই আনন্দেৰে স্বীকাৰ

"পাত্ৰটো ইয়ালৈ লৈ আহ আৰু কেৰাহীত সেইখিনি ঢালি দে ।" খেতিয়ক পত্নীয়ে ক'লে ।

গিৰিজাই পাত্ৰটো লুটিয়াই দিলে আৰু আচৰিত। তাইৰ পাত্ৰৰ পৰা গাখীৰ পৰিবলৈ ধৰিলে। ইমানেই নহয় এটা এটাকৈ তিনিটা বাল্টি তৎক্ষণাৎ ভৰি পৰিল ।

"ছোৱালী ঠিক আছে !" খেতিয়ক পত্নীয়ে প্ৰথমবাৰৰ বাবে তাইলৈ চাই হাঁহি ক'লে । "মই তোক সদায় পুৱা এনেকৈ গাখীৰ খীৰাবলৈ পঠাম ।"

"অ নাইনাই। অনুগ্ৰহ কৰি মোক নপঠাব" সাপটোৰ কথা মনত পৰাত গিৰিজাই ক'লে। মোক অইন কিবা কামকে দিয়ক ।"

"আজিৰপৰা তয়েই গাখীৰ খীৰাব লাগিব। ৰাতিপুৱাও, গধূলিও । মই আৰু কোনো অজুহাত নুশুনো ।"

গিৰিজাই সদায় গাখীৰ খীৰাবলৈ যাবলৈ ধৰিলে আৰু মুৰত সোণৰ মুকুট পিন্ধা সাপে

কৰিলে । খেতিয়ক আৰু তেওঁৰ পত্নীয়ে এই বিবাহ উপলক্ষে এক প্ৰীতিভোজ দিয়াৰ সিদ্ধান্ত কৰিলে । গিৰিজা শেষবাৰৰ কাৰণে গাখীৰ খীৰাবলৈ গ'ল । সাপটো আন দিনাৰ দৰেই গাখীৰ খাবলৈ আহিল ।

"মোৰ প্ৰিয় সৰ্প, তুমি জানানে যে মই আজি শেষবাৰৰ বাবে গাখীৰ খীৰাম !" গিৰিজাই সুধিলে । "কিয়নো কাইলৈ মোৰ বিয়া পাতিছো । বিয়াৰ পিছত মই মোৰ স্বামীৰ লগত নতুন ঘৰলৈ গুচি যাম আৰু তোমাক লগ কৰিব নোৱাৰিম । মোৰ স্বামীৰ গাই গৰু নাই । গতিকে তোমাক আৰু গাখীৰ খুৱাব নোৱাৰিম ।" দুখ মনেৰে গিৰিজাই ক'লে ।

সাপটোৱে দুখ আৰু সহানুভূতিৰে তাইলৈ চালে ।

"তোমাৰ অভাৱ মই অনুভৱ কৰিম প্ৰিয় সৰ্প ।" গিৰিজাই ক'লে, "তুমি মোক কিমান ভাল পাইছিলা ! মই যিজনক বিয়া কৰাম, তেওঁ দৰিদ্ৰ । কিন্তু তেওঁ এজন ভাল আৰু দয়ালু ব্যক্তি । আৰু মই দুখীয়া হ'লেও তেওঁৰ লগত সুখ আৰু আনন্দেৰে থাকিম ।" সাপটোৱে আকৌ এবাৰ তাইলৈ মৰমেৰে

চাই গুচি গ'ল । গিৰিজাৰ বিয়া বৰ ধুম-ধামকৈ হৈছিল । গাৱঁৰ প্ৰতিজনে মানুহেই তাত উপস্থিত আছিল । হঠাতে তাত হুলস্থূল লাগি গ'ল । সকলো থিয় হ'ল কিন্তু কোনেও গম নাপালে কথাটো কি ? প্ৰথমতে সকলোৱে এটা ফোচফোচনি শুনিলে । পিছত দেখা পোৱা গ'ল যে সোণৰ মুকুট পিন্ধা এটা সাপ বগুৱা বাই তালৈ আহিছে । সি কইনাৰ ওচৰলৈ গ'ল আৰু তাইৰ কান্ধত উঠি যেতিয়ালৈকে নিজৰ মুকুটটো পৰি নগল তেতিয়ালৈকে জোকাৰিয়েই থাকিল । তাৰ পিছত পুনৰ বগুৱা বাই বাহিৰলৈ আহি আন্ধাৰত অদৃশ্য হৈ পৰিল । সকলোৱে এই দৃশ্য দেখি আচৰিত হৈ গ'ল । কিন্তু গিৰিজাৰ চকু কৃতজ্ঞতাত চলচলীয়া হৈ পৰিল । তাইৰ বন্ধুৱে কেনেকৈ তাইৰ বিবাহ উৎসৱত যোগ দিবলৈ আহিছে। তাই সেই পাতল স্বৰ্ণ মুকুট নিজৰ মোনাত ভৰাই ল'লে । আনন্দোৎসৱ ৰাতিপুৱালৈকে চলিল ।

যেতিয়া গিৰিজাই পিছদিনা পুৱা নিজৰ মোনা খুলিলে তেতিয়া সেইটো সোণৰ মুদ্ৰাৰে ভৰি আছিল । যেতিয়া তাই সেইবোৰ বাহিৰলৈ উলিয়ালে তেতিয়া আৰু কিছুমান মুদ্ৰাৰে মোনাটো ভৰি পৰিল । সেই দিনাৰ পৰা তাই যিমানেই পইচা নুলিয়াওক লাগে মোনাটো । আৰু কোনোদিন খালী হৈ নাথাকিল। গিৰিজা আৰু তাইৰ স্বামী সেই ঠাইৰ আটাইতকৈ চহকী দম্পতী হৈ উঠিল ।

সিহঁতক সকলোৱে মৰম কৰিবলৈ ধৰিলে। এই কাৰণে নহয় যে সিহঁত ধনী আছিল । বৰঞ্চ এই কাৰণেহে যে সিহঁত বৰ উদাৰ মনৰ আছিল আৰু নিজৰ ধনেৰে অইনৰ সহায় কৰিছিল । বিশেষকৈ খেতিয়ক সকলৰ যিসকলে গিৰিজাৰ ঘৰ পাতি দিছিল ।

অমৰ ফল

প্ৰাচীন কালত এজন মুনি সংসাৰৰ ওপৰত বিৰক্ত হৈ জংঘলত গৈ তপস্যা কৰি আছিল। এদিন দেৱতা আবিৰ্ভাৱ হৈ মুনিৰ হাতত এটা ফল দিলে আৰু ক'লে, "তোমাৰ তপস্যাত মই সন্তুষ্ট হৈছো । এই অমৰ ফলটো হাতত লৈ তুমি যিহকে বিচাৰা তাকেই পাবা ।" এইবুলি কৈ তেওঁ অন্তৰ্ধ্যান হ'ল ।

অৱশ্যে মুনিৰ কোনো ইচ্ছা নাছিল । তেওঁ ভাৱিলে যে দেৱতাই তেওঁৰ পৰীক্ষা ল'বলৈহে কিজানি এই ফল দিছে । ফলটোৰ দ্বাৰা ৰাইজৰ উপকাৰ কৰাৰ মনেৰে তেওঁ ৰজাৰ ওচৰলৈ গ'ল । ৰজাই মুনিৰ আগমনত সুখী হৈ তেওঁৰ যথোচিত আদৰ-সৎকাৰ কৰিলে আৰু অহাৰ কাৰণ সুধিলে ।

"মহাৰাজ, এয়া এক অমৰ ফল । ইয়াৰ মূল্য দি যিয়েই কিনি ল'ব, তেওঁৰ এটা ইচ্ছা পূৰণ হ'ব । ইয়াৰ পিছত ইয়াক দ্বিতীয়জনক কম দামত বেচা হ'ব । ইচ্ছা পূৰণ হোৱাৰ পিছত কোনেও এই ফল এসপ্তাহতকৈ অধিক দিন নিজৰ লগত ৰাখিব নালাগে । সেয়া বৰ বিপদজনক কথা হৈ পৰিব পাৰে । প্ৰথমে মই এই ফল আপোনাকে দিছো । কওক মহাৰাজ, আপুনি ইয়াৰ কি মূল্য দিব?" মুনিয়ে সুধিলে ।

ৰজাৰ মনত শীঘ্ৰেই এটা ইচ্ছা পূৰণ কৰাৰ কামনা জাগি উঠিল । তেওঁৰ চুবুৰীয়া ৰাজ্যৰ লগত বহুদিন ধৰি যুদ্ধ চলি আছিল । বহুতো ধনৰ খৰচ হৈছিল । সেয়েহে এই অমৰ ফলৰ দ্বাৰা চুবুৰীয়া ৰাজ্যৰ ওপৰত বিজয়ী হোৱাৰ ইচ্ছাৰে তেওঁ এক লাখ মুদ্ৰা দি কিনি লোৱাৰ সিদ্ধান্ত কৰিলে ।

মুনিয়ে সেই ফল ৰজাৰ হাতত দি ক'লে, "আপোনাৰ ইচ্ছা পূৰণ হোৱাৰ এসপ্তাহৰ ভিতৰত কম মূল্যত ইয়াক আন এজনক বেচিব লাগিব আৰু যি আপোনাৰ পৰা কিনিব, তেওঁকো এইটো কথা ক'ব ।"

এইকথা কৈ এক লাখ মুদ্ৰা লৈ মুনিয়ে দৰিদ্ৰ লোকক ভগাই দিলে আৰু নিজৰ



ৰাস্তাৰে গুচি গ'ল, আৰু জংঘললৈ গৈ পুনৰ তপস্যা কৰিবলৈ ধৰিলে ।

অমৰ ফলৰ দ্বাৰা সোনকালেই ৰজাৰ ইচ্ছা পূৰণ হ'ল । পিছত যেতিয়া যুদ্ধ আৰম্ভ হ'ল চুবুৰীয়া ৰজা বেয়াকৈ পৰাজিত হ'ল । সেই ৰাজ্যও এই ৰজাৰে অধীন হ'ল ।

বিজয়ী হৈয়েই ৰজাই ৰাজসভাত সেই অমৰ ফল সকলোকে দেখুৱাই তাৰ মহিমা বৰ্ণনা কৰিলে আৰু ক'লে, যিয়েই এইটো কিনিব খুজিব তেওঁকে মই বেচিব পাৰোঁ । বহুদিন ধৰি এক বেমাৰত ভূগি থকা এজন ৰোগীয়ে সেইটো ৯০ হাজাৰ মুদ্ৰা দি কিনি ল'লে আৰু নিজৰ ৰোগ নিবাৰণ কৰিলে ।

তুৰন্তে অমৰ ফল অন্য এজনৰ হাতলৈ গ'ল । সেইটোৰ প্ৰভাৱত বহু লোকৰ, বহু ধৰণৰ ইচ্ছা পূৰণ হ'ল । কোনো লোক ভাল ব্যৱসায়ী হ'ল, কোনো বিদ্যাৱান হ'ল কোনো বেমাৰৰ পৰা মুক্ত হ'ল । ইচ্ছাবোৰ পূৰণ হোৱাৰ লগতে অমৰ ফলৰ প্ৰভাৱো বাঢ়ি গ'ল।

বহু দিন পাৰ হৈ গ'ল । পুষ্পেন্দ্ৰ নামৰ এজন ব্যক্তিৰ টান নৰিয়া হৈছিল । এবাৰ তেওঁ অমৰ ফল কিনি নিজৰ পত্নীক মৃত্যু মুখৰ পৰা বচাইছিল । সেই অমৰ ফলৰ মূল্যৰ বিষয়ে যেতিয় গম পালে যে পইচা দি কিনি ল'লে ৰোগ নিৰাময় হয় আৰু তেতিয়া অন্য কো এক পইচাতে বেচিব লাগিব ।

কিন্তু ইয়াৰ পিছত তেওঁ আৰু কাকো বেচিব নোৱাৰিব আৰু বিপদত পৰিব । ইয়াকে ভাবি পুষ্পেন্দ্ৰই অমৰ ফল নিকিনি

বৈদ্যৰ ওপৰতে ভৰসা ৰাখিলে। কিন্তু তেওঁৰ পত্নী মালিনীয়ে নিজৰ স্বামীৰ পৰা লুকুৱাই দুপইচা দি লগুৱাৰ হতুৱাই অমৰ ফল কিনিলে আৰু এই ইচ্ছা কৰিলে যে তেওঁৰ স্বামীৰ অসুখ যাতে ভাল হয়।

পুষ্পেন্দ্ৰৰ বেমাৰ হঠাতে ভাল হ'ল। তেওঁ ভাবিলে যে দৰবৰ প্ৰভাৱত বেমাৰ ঠিক হ'ল।

এতিয়া মালিনীয়ে অমৰ ফল এক পইচাত বেচিব লাগে। কিন্তু বেচিব কাক? যি কিনিব, তেওঁৰ কি অৱস্থা হ'ব?

সেয়েহে নেবেচিলে যি বিপদ আহিব, তাৰ মুখামুখি হ'বলৈ সিদ্ধান্ত কৰিলে। সেই বিপদ কি ৰূপত আহিব তাৰ ভয়ে মালিনীক বেমাৰী কৰি তুলিলে।

এদিন মালিনীক লগুৱাই সুধিলে, "আইদেউ, আপোনাৰ গা-ভাল নহয় নেকি?"

"মই আৰু বেছি দিন জীয়াই নাথাকোঁ অ!" এইবুলি চকুপানী টুকি মালিনীয়ে অমৰ ফলৰ গোটেই কাহিনী শুনালে।

"কিয় আইদেউ?" লগুৱাই সুধিলে।

"এই ফল মই কাক বেচোঁ? যিয়েই কিনিব, সেয়েই এনেকৈ বিপদত পৰিব। জানি-বুজি অইনক কেনেকৈ মৰিবলৈ দিওঁ! ময়েই মৰি যাম।" মালিনীয়ে ক'লে।

লগুৱাই হাঁহি হাঁহি উত্তৰ দিলে, "কোনো মৰিবৰ দৰকাৰ নাই। এক পইচাত সেই ফল মোকে বেচি দিয়ক।"

"ধেৎ পাগল! তোৰ ইচ্ছা পূৰা হৈ যোৱাৰ পিছত এইটো কাক বেচিবি?" মালিনীয়ে সুধিলে।

"মই যদি কিবা ইচ্ছা কৰোঁ তেতিয়াহে। সঁচা কথা ক'বলৈ গ'লে মোৰ কোনো ইচ্ছা নাই। ইচ্ছা পূৰণ কৰিব খোজাসকলৰ বাবেহে বিপদ আছে। যাৰ কোনো ইচ্ছাই নাই তাৰ কি বিপদ হ'ব পাৰে! এইবুলি কৈ লগুৱাটোৱে এক পইচা উলিয়াই মালিনীৰ হাতত দিলে আৰু অমৰ ফলটো লৈ গৈ নিজৰ ঘৰত কাঠৰ বাকচৰ তলত ভৰাই থ'লে। তাৰ পিছত কি হ'ল, একো জনা নাযায়!

কিন্তু লগুৱাটোৰ কেতিয়াও একো ন'হল।



ৰজা শান্তিদেৱ নিৰুদ্দেশ হোৱা বাবে শান্তিপুৰ অশান্তিত বুৰ গৈছে। ৰাণীৰ মৃত্যু হৈছে । শিশু ৰাজকুমাৰ জয়ানন্দ ঋষিৰ লগত সুৰক্ষিত অৱস্থাত আছে । তেওঁলোকে জয়নগৰৰ চৰ্দাৰক লগ ধৰি তেওঁক ৰাজকুমাৰৰ চিহ্নৰ সৈতে হাৰ আৰু লকেট সুৰক্ষিত কৰি ৰাখিবৰ বাবে সঁপি দিয়ে ।
আৰ্য
অজ্ঞাত ৰাজকুমাৰৰ ৰহস্য
চিত্ৰ : গান্ধী অযাা
জয়ানন্দ যাবৰ বাবে থিয় হয় ।
বৰ্তমান পৰিস্থিতিৰ বাবে যিয়েই দায়ী হ'ব, তেওঁ নিজৰ জীৱনৰ কঠিনতম পৰীক্ষা পাৰ হ'ব লাগিব ।
মই হাৰডাল ভালকৈ ৰাখিম বাবা ।
বাবু, মোৰ অন্তৰাত্মাই কৈছে যে ৰজাই নিজৰ জীৱন ৰক্ষা কৰিলে ।
আশা হৈছে, সোনকালেই ৰজাই আত্ম প্ৰকাশ কৰিব আৰু ৰাজ্যত শান্তি পুনঃস্থাপিত কৰিব বাবা ।
তেতিয়ালৈকে মই আৰু কি কৰিব পাৰোঁ ?
আমি অপেক্ষা কৰি পৰিস্থিতিৰ ওপৰত চকু ৰাখিব লাগিব । এতিয়া আমাক যাবলৈ দিয়া । মন্দিৰত বাঘাই আমাৰ বাবে অপেক্ষা কৰি আছে হাগে ।

শান্তিপুৰত বীৰ সিংহই ৰাজতিলকৰ বাবে অপেক্ষা নকৰা ৰজাৰ অধিকাৰ নিজৰ হাতত লৈ লয় ।
অমৰ সিংহ, আমি প্ৰজাৰ চিন্তা অন্যফালে ঘূৰোৱা উচিত । আমিনো চুবুৰীয়া ৰাজ্যৰ ওপৰত আক্ৰমণ নকৰো কিয় ? তুমি কি ভাবা ?
নিশ্চয় অমৃতপুৰ আক্ৰমণ কৰিব পাৰি । ৰজা প্ৰেমনাথ নিজৰ কন্যা আৰু শিশুপুত্ৰৰ নিৰুদ্দেশৰ বাবে বেমাৰী হৈ পৰিছে ।
সেনাপতি অমৰসিংহই নিজৰ সৈন্যদলক লৈ গুপ্ত আলোচনাত বহে ।
পিছদিনা এক পৰিত্যক্ত ঘৰত--
আমি অমৃতপুৰ কেতিয়া আক্ৰমণ কৰিম?
মোৰ তৰোৱালে তেজৰ বাবে হাহাঁকাৰ কৰি উঠিছে ।
সৈন্যসকলে ছদ্মবেশত থকা বসন্তক চিনি নাপালে । তেওঁ এই কথা-বতৰা শুনা পালে ।
অমৃতপুৰ আক্ৰমণ?
মই তুৰন্তে অমৃতপুৰলৈ ঘূৰি যাব লাগিব । আহ, এয়া যে এক লুকাই থকা বৰদান ।
তেওঁ বাহিৰত বান্ধি থোৱা কোনো এজন সৈন্যৰ এটা ঘোঁৰা খুলি লয় আৰু তাত উঠি গুচি যায় ।

অমৃতপুৰত শান্তিপুৰৰ পূৰ্বৰ মন্ত্ৰী মানবেন্দ্ৰক লগ ধৰে ।
বসন্ত ! শান্তিপুৰৰ পৰা কি খবৰ আনিছা?
মহাশয়, সৈন্য সকলে কাইলৈ অমৃতপুৰ আক্ৰমণ কৰাৰ আচনি কৰিছে !
আমি শীঘ্ৰেই ৰজা প্ৰেমনাথক সাৱধান কৰিব লাগিব ।
মানবেন্দ্ৰৰ লগত অমৃতপুৰৰ সৈন্যৰ সেনাপতি আছে ।
মেঘনাথে সেনাক সাৱধান কৰি দিছে মহাৰাজ ।
মহাৰাজ ! নিজৰ দেহত শেষ টোপাল তেজ থকালৈকে নিজৰ ৰাজ্যৰ ৰক্ষা কৰিম ।
তেওঁ সহজেই ইয়ালৈ আহিব নোৱাৰে । মোৰ বিশ্বাস আছে যে নন্দিনী নদীয়ে আমাক ৰক্ষা কৰিব ।
পূৰ্ণিমাৰ ৰাতি । শান্তিপুৰৰ সেনাই নদী পাৰ হোৱাৰ যো-জা কৰে ।

হঠাতে ডাঙৰ ধুমুহা আহে...
আৰু নদী উত্তাল হৈ পৰে।
নাও টুলুংভুটুং কৰিব ধৰে, এবাৰ ইফালে, এবাৰ সিফালে...
হায়! মোৰ নাও বুৰ গৈছে। বচোৱা!
আমাৰ সেনাপতি ক'ত আছে?
বচোৱা! মই ডুব যাব ধৰিছোঁ।
...আৰু সৈন্য উটি গৈছে। বহুত বুৰ গৈছে। ৰজা প্ৰেমনাথৰ অনুমান সঁচা হ'ল।
ইয়াত আৰু অপেক্ষা কৰাৰ কোনো লাভ নাই।
আহা অমৰ সিংহ, ৰাজধানীলৈ ঘূৰি যাওঁ।
ক্ৰমশঃ

পানী ৰাহি কৰা

বীণাৰ খুব স্ফূৰ্ত্তি লাগিছিল । তাই চেন্নাইত থকা তাইৰ খুৰাক সুৰেশৰ ঘৰলৈ বুলি গৈছিল !

টেক্সিখনে ৰেল ষ্টেশ্যন এৰাৰ লগে লগে বীণাই ডাঙৰ ডাঙৰ অট্টালিকা আৰু চিহ্নবোৰলৈ ৰ লাগি চাই ৰ'ল। যেতিয়া টেক্সিখন খুৰাক থকা ঠাই পালেগৈ খুৰাক, খুৰীয়েক, আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী অজয় আৰু বিজয়ে তাইক আদৰণি জনালে ।

বীণাই গা ধুই ল'ব খুজিলে । খুৰীয়েকে তাইক বাথৰুমটো দেখুৱাই দিলে । "আমি পানী কেৱল ৰাতিপুৱা এঘন্টা আৰু গধূলি এঘন্টাৰ বাবেহে পাওঁ । আমি গোটেইবোৰ বাল্টি পানীৰে ভৰাই থৈছো । কিন্তু পানী হিচাব কৰিহে খৰচ কৰিবা দেই ।"

বীণা আচৰিত হ'ল । বাথৰুমৰ ভিতৰত থিয় হ'বলৈকে জেগা অকণ নাই । খুৰীয়েকে ক'লে, "কি কৰিম ! পানী খুব কম সময়ৰ কাৰণেহে আহে ; সেয়ে আমি জমা কৰি ৰাখিব লগা হয় আকৌ । নহলে জৰুৰী সময়তো আমি পানী এটোপা নাপাওঁ ।"

বীণাৰ বৰ বেয়া লাগিল । "খুৰী, আমাৰ তাত আমি গোটেই দিন ধৰি বহুত পানী খৰচ কৰো ! তোমালোকে যে কেনেকৈ চলা আচৰিত পাইছো ।"

খুৰীয়েক ৰেণুৱে ক'লে, "আমি পানী বচাবলৈ বহুত কৌশল প্ৰয়োগ কৰো । বাচন ধোওঁতে মই সদায় তেলচিকটি লগা বাচনবোৰ তলত থৈ লওঁ যাতে সেইবোৰ ধোওঁতে বেছি পানী খৰচ নহয় । ফল-মূল আৰু শাক পাচলি ধোওঁতে মই এটা পাত্ৰত পানী লৈ লওঁ । কাপোৰ-কানি এদম'মান হ'লেহে মই ওৱাশ্বিং মেচিন ব্যৱহাৰ কৰো । কাৰণ ইয়াত বহুত পানী খৰচ হয় । যদি ঘৰৰ কিবা টেপ বেয়া হৈ পানী গৈ থাকে তেন্তে আমি সোনকালে সেইবোৰ মেৰামতি কৰি লওঁ । আমি আনকি বৰষুণৰ পানী ধৰি ৰখাৰো এটা ব্যৱস্থা কৰি লৈছো । এইবোৰে বহুত সহায় কৰে ।"

বীণাই ক'লে, "খুৰী, মই এতিয়াহে পানীৰ মূল্য বুজি পাইছো । মই এতিয়াৰ পৰা পানী অপব্যয় নকৰিবলৈ যিমান পাৰো চেষ্টা কৰিম ।"

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

হম্ হম্ হম্ হম্!

নাই, নপলাবা। ক'ৰবাৰ মৌমাখিয়ে কৰা তাৰ শুগুৰ শব্দ নহয়। এইটো কেৱল ঘন ঘনকৈ পাখি কোবোৱা এটা হামিংবাৰ্ডহে। এই হামিংবাৰ্ড এটা বৰ অসাধাৰণ চৰাই। বেছিভাগ চৰায়ে সিহঁতৰ পাখি আগলৈ মাৰি উৰে। কিন্তু হামিংবাৰ্ডে শূণ্যতে ব্যায়াম কৰি থাকিব পাৰে। এই চৰাইবিধ হেলিকপ্তাৰৰ সমকক্ষ। হেলিকপ্তাৰৰ পাখি দুখনৰ দৰে ইও সোঁফালে, বাওঁফালে, ওপৰলৈ, তললৈ, পিছফালে আনকি মূৰ তললৈ কৰিও উৰিব পাৰে! ইয়াৰ আটাইতকৈ উল্লেখযোগ্য কথাটো হৈছে যে ফুলৰ মৌ চুহি খাওঁতে ই শূণ্যতে লৰচৰ নকৰাকৈ ৰৈ থাকিব পাৰে।

এই চৰাইবিধে প্ৰতি চেকেণ্ডত ৫০/৬০ বাৰকৈ পাখি কোবাব পাৰে। কিছুমান দক্ষিণ আমেৰিকীয় হামাৰে মিনিটত পাঁচ হেজাৰ বাৰকৈ পাখি কোবাব পাৰে। গতিকে ইহঁতৰ পাখি ভালকৈ পৰ্যৱেক্ষণ কৰাটো অসম্ভৱ কথা।

উৰি থাকিবৰ বাবে বহুতো শক্তি গোটাবৰ বাবে ইহঁতে প্ৰতি ১০ মিনিটৰ অন্তৰে অন্তৰে আহাৰ খাব লাগে।

তোমাৰ পৰিবেশ

মৰুভূমি হৈ পৰে আশ্ৰয়দাতা

সকলো বাসস্থানৰ ভিতৰত জীৱিত প্ৰাণীৰ বাবে বসবাসৰ অনুপযোগী ঠাই হ'ল বৃহৎ মৰুভূমি সমূহ।

এই শুকান মৰুভূমি অঞ্চলত তাৰ জীৱ জন্তুবোৰে গ্ৰীষ্মৰ প্ৰকোপ, পানীৰ নাটনি আৰু সূৰ্যৰ তাপ আৰু আক্ৰমণকাৰীৰ পৰা সুৰক্ষাৰ অভাৱ এই সকলোবোৰ সহ্য কৰিব লাগে। কিন্তু পাৰিপাৰ্শ্বিক ক্ৰমবিৱৰ্ত্তনে আটাইতকৈ জটিল সমস্যাটোৰো সমাধানৰ এটা উপায় উলিয়াইছে।

উদাহৰণ স্বৰূপে আফ্ৰিকাৰ শুকান, শিলাময় মৰুভূমিৰ এবিধ জেঠী আগামা। হাড়ৰ দৰে নেজ থকা কেৱল উত্তৰ-পূৱ আফ্ৰিকাত পোৱা এই আগামাই নিজৰ শক্তিশালী দাঁতেৰে দুই মিটাৰতকৈও দীঘল গাঁত খান্দিব পাৰে। এই গাঁতে সিহঁতক দিনৰ ভাগত তাপৰ পৰা আৰু ৰাতি শীতৰ পৰা ৰক্ষা কৰে।

আগামাবোৰৰ এই হাড়ৰ দৰে নেজবোৰে এক শক্তিশালী অস্ত্ৰৰ দৰে আক্ৰমণ কৰিব পাৰে। কিন্তু প্ৰয়োজন হ'লে ই এই জেঠীবোৰক প্ৰতিৰক্ষাও দিব পাৰে।

জানো আহাঁ নানা কথা

তুমি বাৰু জানানে ?

তামোল গছৰ উপকাৰীতা

তামোল গছৰ উপকাৰিতা ঘাইকৈ তামোলৰ ভিতৰভাগতে থাকে । এইবোৰৰ বহুত ব্যৱসায়িক মূল্যও আছে । তামোলত টেনিন নামৰ এবিধ ৰাসায়নিক পদাৰ্থ থাকে । এইবিধ পদাৰ্থ ৰঙা আৰু ক'লা চিয়াহী তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা হয় । তামোল সেকি গুড়ি কৰি দাঁত ঘহা পাউদাৰ তৈয়াৰ কৰা হয়। প্ৰায় ১৮ৰ পৰা ২০ মিটাৰলৈকে ওখ

হোৱা সুঠাম, ঋজুদেহী এই তামোল গছবোৰৰ এক সৌন্দৰ্য আছে । এই গছৰ কোনো ডাল নাই । গা-গছবোৰৰ পৰিধি প্ৰায় ৪৬ চেন্টিমিটাৰমান হয়। তামোল গছত সাধাৰণতে পাঁচ বছৰ মান হোৱাৰ পিছত তামোল লাগিবলৈ ধৰে। এজোপা গছে এবছৰত প্ৰায় তিনিশটালৈকে তামোল দিব পাৰে । তামোল গছ ঘাইকৈ কেৰালা, পশ্চিমবংগ আৰু অসমত পোৱা যায়। কিয়নো এইকেইখন ৰাজ্যত প্ৰচুৰ পৰিমাণে বৰষুণ হয়।

বঢ়াই তোলা বুদ্ধিমত্তা

ভাৰতৰ সংসদ

১. লোকসভাত বৰ্ত্তমান সদস্য সংখ্যা কিমান ?

২. ভাৰতৰ প্ৰধান মন্ত্ৰীক কোনে নিযুক্তি দিয়ে ?

৩. ভোটদানৰ বাবে ন্যূনতম বয়স কিমান হোৱা উচিত ?

৪. ভাৰতৰ উপৰাষ্ট্ৰপতিক কোনে নিৰ্বাচন কৰে?

৫. সংবিধানত ভাৰতক কি বুলি অভিহিত কৰা হৈছে?

৬. ভাৰতৰ সংবিধানে আমাক কেইটা মৌলিক অধিকাৰ প্ৰদান কৰিছে ?

(উত্তৰ ৬৬ পৃষ্ঠাত)

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

TAJY PRASAD

NARAYANA MURTHY TATA

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাটুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম জুন সংখ্যাত প্ৰকাশ কৰা হ'ব !

অভিনন্দন

মাৰ্চ সংখ্যাৰ পুৰস্কাৰ বিজেতা

ৰোহন বৰুৱা

মাৰফৎ : ডা.ৰাজীৱ বৰুৱা

পূব ৰঙালপুখুৰী, যোৰহাট

পিন : ৭৮৫০০১, অসম

বিজয়ী বাক্য

সুখে দুখে আমি থাকো একেলগে বহি ।
কোনেও যেন নাভাবে আমিহে কেৱল সুখী ॥

বঢ়াই তোলা বুদ্ধিমত্তাৰ উত্তৰ (৬৫ পৃষ্ঠা)

১. ৫৪৩ (২ জন মনোনীত সদস্য

২. ভাৰতৰ ৰাষ্ট্ৰপতিয়ে তেওঁ নিজৰ দলটোৰ নেতা হিচাবে বাচনি হোৱাৰ পাছত

৩. ১৮ বছৰ

৪. লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলে এক যুটীয়া বৈধকত

৫. সাৰ্বভৌম সমাজতান্ত্ৰিক ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য

৬. সাতটা

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : B. Viswanatha Reddi (Viswam)


Junior
CHANDAMAMA
COMPLETES
ONE
YEAR
Thanks to support and encouragement from its
Young readers
Parents
Teachers
The MAY 2004 issue of
JUNIOR CHANDAMAMA
is being planned as a special issue!
> MORE PAGES
> MORE FEATURES
> MORE ACTIVITIES
The 60 page special issue will be in the market by April third week
Price Rs.15*
RESERVE YOUR COPY NOW!
* Price increase will not affect existing subscriptions
Enquiries / Subscriptions to
CHANDAMAMA INDIA LTD, 82 Defence Officers Colony
Ekkaduthangal, Chennai 600 097. Ph: 22347399, 22313637.

CHANDAMAMA (Assamese) MAY 2004 Regd No. TN/PMG(CCR)-588/03-05
Regd. with Registrar of Newspaper for India No. 30278/76
Licensed to post without prepayment No. 369/03-05 Foreign - WPP. No. 370/03-05